# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০১

## ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ঃ এক সামাজিক-সাংস্কৃতিক দৃষ্টিভংগী/দৃষ্টিকোণ

## খণ্ড - ১

## ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ঃ এক অতীতদৰ্শী দৃষ্টিভংগী

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৰচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচ এচি. ইন

## খণ্ড - ১

# ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ঃ এক অতীতদৰ্শী দৃষ্টিভংগী

## খণ্ড গোটসমূহ

গোট ১ ভাৰতীয় শিক্ষা ব্যৱস্থা — **I**

গোট ২ ভাৰতীয় শিক্ষা ব্যৱস্থা — **II**

গোট ৩ মৌলিক অধিকাৰ হিচাপে শিক্ষা

গোট ৪ প্ৰাথনিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ সাংগঠিনক ব্যৱস্থা

**খণ্ড পৰিচয় ঃ**

আপুনি এজন শিক্ষাৰ্থী হিচাপে খণ্ড ১ ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ঃ এক অতীতদৰ্শী দৃষ্টিভংগী খণ্ডত ৪ টা গোট সন্নিবিষ্ট হৈ থকা পাব। প্ৰতিটো খণ্ডৰ ভাগ আৰু সৰু সৰু খণ্ড আছে।

গোট ১ত আপোনালোকে প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে জানিব লগতে গুৰু তথা শিক্ষকৰ পৰিবৰ্তিত ভূমিকা আৰু দায়িত্ব সম্পৰ্কে জানিব। তাত আপোনালোকে ১৯৪৭ চনৰ আগত বৃটিছৰ শাসনকালত থকা বিভিন্ন কমিচন আৰু আয়োগৰ পৰামৰ্শসমূহ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা দেখা পাব। এই গোটটোৱে আপোনালোকক প্ৰাচীন ভাৰতৰ পৰা প্ৰাক স্বাধীনতাৰ সময়ছোৱালৈকে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক চমু নিদৰ্শন দাঙি ধৰিব। ইতিহাসে কয় যে ভাৰতীয় সংস্কৃতি আটাইতকৈ পৃথিৱীৰ পুৰণি সংস্কৃতি। ভাৰতীয় সংস্কৃতি ধনী সাংস্কৃতিক ঐতিহ্যৰে ভৰপূৰ।

গোট ২ত আপোনালোকে আধুনিক যুগত (১৯৪৮-২০০৫) প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা কমিটি আৰু কমিচনসমূহৰ পৰাশৰ্মৰ বিষয়ে জানিব। স্বাধীনতাৰ পিছত স্বাধীন ভাৰতৰ প্ৰাধান লক্ষ্য আছিল ১৪ বছৰৰ বয়সলৈকে সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ অৰ্থে এখন শিক্ষা ব্যৱস্থা প্ৰস্তুত কৰা। সেয়েহে দেশত বহুতো কমিটী আৰু আয়োগ গঠন কৰা হৈছিল যাৰ দ্বাৰা শিক্ষাৰ সুবিধা প্ৰধান কৰি এখন সুস্থ শিক্ষা ব্যৱস্থা ৰূপায়ণ কৰিব পাৰি।

গোট ৩ত আপোনালোকে শিকিব যে অনুচ্ছেদ সংবিধানৰ ৪৫ৰ অন্তৰ্গত UEEৰ ধাৰণা আৰু প্ৰয়োজনীয় আৰু ৮৬ তম সাংবিধানক সংশোধন, RTE এক্ট ২০০৯ আৰু শিশুৰ অধিকাৰ আৰু অনুক্ৰমে শিক্ষা এক মৌলিক অধিকাৰ হিচাপে গ্ৰাহ্য কৰা।

আপোনালোকে লগতে RTE এক্ট ২০০৯ৰ ব্যৱস্থা আৰু UEEৰ লক্ষ্যত উপনিত হোৱাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা সম্পৰ্কে জানিব। (অনুচ্ছেদ ৪৫, ৮৬ তম সাংবিধানিক সংশোধন, RTE ২০০৯)

গোট ৪ ঃ এই গোটত আপোনালোকে UEEৰ সাংগঠনিক ব্যৱস্থা যেনে— NCERT, SCERT, SIEMT, DIETS, BRCS, CRCSৰ ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা স্তৰত ভূমিকা সম্পৰ্কে জানিব।

# পাঠ্যসূচী


| ক্ৰমিকনম্বৰ | গোটৰ নাম | পৃষ্ঠা নম্বৰ |
|---|---|---|
| ১। | গোট ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থা/পদ্ধতি I | ০০ |
| ২। | গোট ২ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থা/পদ্ধতি II | ০০ |
| ৩। | গোট ৩ ঃ মৌলিক অধিকাৰ হিচাপে শিক্ষা | ০০ |
| ৪। | গোট ৪ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ সাংগঠনিক ব্যৱস্থা | ০০ |

# গোট ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থা/পদ্ধতি-I

**গঠন ঃ**

১.০ পৰিচয়

১.১ শিক্ষণীয় উদ্দেশ্য

১.২ প্ৰাচীন ভাৰতীয় শিক্ষা - এক চমু আলোকপাত

১.২.১ অতীজৰ গুৰু সম্পৰ্কে ধাৰণা

১.২.২ গুৰুৰ ভূমিকা আৰু দায়িত্ব

১.২.৩ বৰ্তমানৰ ব্যক্তিগত শিক্ষক

১.২.৪ শিক্ষকৰ বৈশিষ্ট্য, ভূমিকা আৰু দায়িত্ব

১ .৩ আজিৰ ভাৰতীয় শিক্ষাৰ উৎপত্তি ঃ প্ৰাক-স্বাধীনতাৰ কালছোৱা

১.৩.১ মেক'লৈৰ প্ৰতিবেদন

১.৩.২ উদৰ ঘোষণাপত্ৰ

১.৩.৩ হাণ্টাৰ আয়োগ

১.৩.৪ বিশ্ববিদ্যালয় আয়োগ

১.৩.৫ ছেদলাৰ আয়োগ

১.৩.৬ হাৰ্টগ আয়োগ/কমিটী

১.৩.৭ চাপ্ৰু কমিটী

১.৩.৮ এবট-উদ ৰিপোৰ্ট

১.৩.৯ জাকিৰ হুছেইন কমিটীৰ ৰিপোৰ্ট

১.৩.১০ চাৰ্জেণ্ট ৰিপোৰ্ট

১.৪ সাৰাংশ

১.৫ পৰামৰ্শমূলক গঠন আৰু প্ৰসংগপুথি

১.৬ গোট সমাপ্তিৰ অনুশীলনী

# ভাৰতীয় শিক্ষা ব্যৱস্থা/পদ্ধতি-I

**১.০ পৰিচয় ঃ**

আপোনালোকে অনুভৱ কৰিব যে, বৰ্তমান প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ (Universalisation of Elementary Education, UEE), সমগ্ৰ বিশ্বৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয়। বৰ্তমান বিশ্বৰ দুশতকৈও অধিক দেশে UEEক হাজাৰবৰ্ষৰ বিকাশৰ প্ৰধান লক্ষ্য (Millennium Development Goals, MDGs) হিচাপে নিৰ্ধাৰিত কৰিছে। ইয়াৰ স্থান জীৱিকাৰ ঠিক পিছতেই আৰু এই লক্ষ্যত উপনীত হ'বলৈ প্ৰতিখন দেশক পোন্ধৰ বছৰ সময় সীমাৰ প্ৰয়োজন (এই সময়মীয়া অতিশীঘ্ৰে শেষ হৈ আহিছে)। আৰু ভাৰতবৰ্ষও UEEৰ সিদ্ধান্তক সমৰ্থন কৰা এটা দল। আপোনালোকে দেখিব যে, যোৱা অৰ্ধক শতক জুৰি, নিৰক্ষৰতা দূৰীকৰণ আৰু প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে আমি অহৰহ চেষ্টা চলাই আছো আৰু লাহে লাহে ইয়াৰ ফলো লাভ কৰিব ধৰিছো। আমাৰ ভাৰতবৰ্ষত ইয়াৰ বৃথা জনসংখ্যাক উদ্দেশ্যি।

ভাৰতবৰ্ষত বিভিন্ন জাতীয় প্ৰচেষ্টা যেনে সাক্ষৰতা আন্দোলন, NAEP, DPEP, SSA, RTE ইত্যাদিসমূহ থকা সত্বেও, এতিয়াও ভাৰতৰ হাজাৰ হাজাৰ শিশু বিদ্যালয়ৰ শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত হৈ আছে, এতিয়াও হাজাৰ হাজাৰ শিক্ষক নিযুক্তি হোৱা নাই আৰু ২০১৫ বৰ্ষৰ আগত প্ৰায় দহ লাখ অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন আছে। সেয়েহে শিক্ষক শিক্ষা পাঠ্যক্ৰম, যেনে ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় শিক্ষা সংস্থান প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা দিনক দিনে বৃদ্ধি হৈছে।

আমি এই পাঠ্যক্ৰমৰ প্ৰথম পাঠ্যসূচীৰ আৰম্ভণি স্তৰত আছো। এইটো এই পাঠ্যক্ৰমৰ প্ৰথম গোট। এই গোটটোৱে আপোনালোকক প্ৰাচীন সময়ৰ পৰা স্বাধীনতাৰ সময়ছোৱালৈকে ভাৰতীয় শিক্ষাৰ ইতিহাসিক দৃষ্টিভংগীৰ এক চমু আভাষ দিব।

আপোনালোকে, ইতিহাস অধ্যয়ন কৰি জানে যে, ভাৰতীয় সংস্কৃতি হৈছে, পৃথিৱীৰ আটাইতকৈ পুৰণি সংস্কৃতি। যিকোনো জাতিৰ সংস্কৃতিক সভ্যতাৰ উদ্যম আৰু আদৰ্শ, সিহঁতৰ শিক্ষানুষ্ঠান আৰু শিক্ষানুষ্ঠানৰ কাৰ্য্যৰ দ্বাৰা প্ৰতিফলিত হয়। দৰাচলতে, আপোনালোকে জানে, এখন সভ্য সমাজৰ অনুষ্ঠান প্ৰতিষ্ঠান, বিদ্যালয় তথা শিক্ষা প্ৰক্ৰিয়া আদি সমাজ আৰু সামাজিক সংস্কৃতিৰ সৃষ্টি, বিকাশ আৰু ভৰণ-পোষণৰ উদ্দেশ্যে স্থাপন কৰা হয়। আৰু সেই একে ভাৰধাৰা আমাৰ দেশতো বৰ্তি আছে। ভাৰতীয় শিক্ষাপদ্ধতি ইয়াৰ প্ৰভাৱশালী সাংস্কৃতিক ঐতিহ্যৰে ভৰপূৰ। বিভিন্ন থকা সত্বেও ই ভাৰতীয়

সমাজৰ পুনঃগঠন আৰু বিকাশৰ একমাত্ৰ শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈ আহিছে।

আপোনালোকে জানিবলৈ খুব আগ্ৰহী হ'ব যে, প্ৰাচীন ভাৰতৰ শিক্ষা প্ৰক্ৰিয়াত কেনেদৰে শিক্ষক আৰু সেই ঐতিহাসিক সময়ছোৱাৰ শিক্ষানুষ্ঠানসমূহে শিক্ষাক মানুহৰ দৈনন্দিন জীৱনৰ অনবদ্য অংগ হিচাপে গঢ় দিবলৈ চেষ্টা কৰিছিল য'ত কোনো ছপা মাধ্যম আৰু তথ্য প্ৰযুক্তিবিদ্যাৰ সুবিধা নাছিল। আপোনালোকে ভাৰতীয় শিক্ষাৰ প্ৰাচীন ভেটিক বৰ্তমানৰ একৈশ শতিকাৰ গোলকীয় দৃষ্টিভংগীৰ প্ৰাসংগিকতাৰ লগত পৰীক্ষা কৰিব পাৰে।

এই গোটটোত আমি প্ৰাচীন ভাৰতৰ শৈক্ষিক ব্যৱস্থাৰ ওপৰত চমুকৈ পুনঃসমীক্ষা কৰিম। ইয়াৰ লগতে আমি গুৰু তথা শিক্ষকৰ পৰিৱৰ্তিত ভূমিকা আৰু দায়িত্ব সম্পৰ্কে আলোচনা কৰিম। ইয়াৰ লগতে আমি বৃটিছৰ শসনকালত ভাৰতীয় শিক্ষাৰ বিকাশৰ বাবে বিভিন্ন কমিচন বা কমিটীয়ে আগবঢ়োৱা মুখ্য পৰামৰ্শসমূহৰ পুনৰ্নিৰীক্ষণ আৰু মূল্যায়ন কৰিম। লগতে ইয়াকো লক্ষ্য কৰিম যে ১৯৪৭ চনলৈ আমি মুক্ত বা স্বাধীন হোৱাৰ সময়লৈ কেনেকৈ আমাৰ দেশত শিক্ষা, বিশেষকৈ প্ৰাথমিক শিক্ষাই অগ্ৰগতি লাভ কৰিছিল।

### ১.১ শিক্ষণীয় উদ্দেশ্যসমূহ ঃ

এই গোটটোৰ পৰা আপোনালোকে শিকিব যে ঃ

- প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা;
- প্ৰাচীন ভাৰতীয় সংস্কৃতিত গুৰুৰ স্থান আৰু ভূমিকা সম্পৰ্কে মূল্যায়ন;
- ঐতিহাসিক সময়ছোৱাত শিক্ষাই মুখামুখি হোৱা বিভিন্ন বিষয় আৰু প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰা।
- বৰ্তমানৰ প্ৰাথমিক শিক্ষাৰ অৱস্থাত উপনীত হোৱাত সহায় কৰা বিভিন্ন ঐতিহাসিক ঘটনাসমূহৰ বিশ্লেষণ কৰা।
- প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা বিভিন্ন কমিচন তথা কমিটীৰ পৰামৰ্শসমূহৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

### ১.২ প্ৰাচীন ভাৰতীয় শিক্ষা - এক চমু আভাষ ঃ

শোতৰশ শতিকালৈ প্ৰাচীন ভাৰতীয় শিক্ষাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক জ্ঞান সমন্বিত, কিতাপ-পত্ৰ বেছি উভৈনদী নাই যদিও সেই সময়ত দীৰ্ঘ সময়ছোৱা ধৰি ইয়াৰ প্ৰচলন আছিল। ইয়াৰ পৰিৱৰ্তে মাধ্যমিক আৰু উচ্চ শিক্ষা সম্পৰ্কে কিছু কংকলীয় বিৱৰণ, সূত্ৰ তথা স্মৃতি (Smritis) হিচাপে প্ৰাচীন ধৰ্মশাস্ত্ৰত (Scriptures) পোৱা যায়। কিন্তু আপোনালোকে প্ৰাথমিক শিক্ষা সম্পৰ্কে পৃথক বিৱৰণ নাপায়। যদিও প্ৰাথমিক শিক্ষাক প্ৰাচীন সময়ত জন্মৰ পৰা মৃত্যুলৈ চলি থকা এক আত্ম-বিকাশৰ প্ৰক্ৰিয়া হিচাপে বিবেচনা কৰা হৈছিল। প্ৰাথমিক স্তৰত শিক্ষা হৈছে জীয়াই থকা, আৰু দৈনন্দিন জীৱনৰ কাৰ্যাৱলীসমূহ সম্পন্ন কৰা শিক্ষণ লাভ কৰা। সেয়েহে ইয়াক আনুষ্ঠানিক শিক্ষাৰ এক পৃথক স্তৰ হিচাপে গণ্য কৰা অনুচিত আছিল। ইয়াক জীৱনৰ প্ৰাৰম্ভিক স্তৰ হিচাপে গণ্য কৰা হৈছিল।

আমাৰ দেশৰ প্ৰাচীন সাহিত্যত আপোনালোকে পাব যে, জীৱনৰ সকলো কাৰ্যৰ জ্ঞান দিয়ে *(১) আমাৰ পূৰ্বপুৰুষসকলে বিশ্বাস কৰিছিল যে কেৱল শিক্ষাৰ দ্বাৰাহে শুদ্ধ অন্তৰ্দৃষ্টি বিকাশ হয় আৰু বুদ্ধি বাঢ়ে, যাক শক্তি আৰু যোগ্যতা বুলি ধৰা হয়। *(২) জীৱনৰ সকলো দুখ-দুৰ্গতিৰ পৰা মুক্তি, সকলো দিশতে উন্নতি তথা শ্ৰীবৃদ্ধি হোৱাত শিক্ষাই অগ্ৰণী যোগায়। *(৩) শিক্ষাক মানৱ জীৱনৰ সকলো সুখ-সমৃদ্ধিৰ ঘাই শিপা বুলি ধৰা হৈছিল। লগতে ইয়াকো বিশ্বাস কৰিছিল যে শিক্ষাই আপোনাৰ যোগ্যতা বৃদ্ধি কৰি, সমৃদ্ধি, সন্মান তথা সম্পত্তি লাভ কৰাত অৰিহণা যোগায়। কাৰণ সম্পত্তিৰ পয়োভৰে কেৱল মাত্ৰ আমাক সুখী কৰাই নহয়, ই আমাক ধাৰ্মিক, পাৰিবাৰিক আৰু সামাজিক দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাত সহায় কৰে। ই অৱশেষত আমাক মুক্তিৰ পথত অগ্ৰসৰ হোৱাত সহায় কৰে। *(৪) নীতিশতকাৰ ভাৰত্ৰিহৰীয়ে কয় “শিক্ষা অবিহনে আমি জন্তু অথবা পশু”। *(৫) ইয়াকো বিশ্বাস কৰা হৈছিল যে, শিক্ষাই ব্যক্তিৰ লগতে সমাজৰ বিভিন্ন দিশত এক মহান পৰিৱৰ্তন সাধন কৰে।

*(১) ज्ञानं तृतीयं मनुजस्य नेत्रं! सुथाषितरत्नसंदीह (Subhashitaratnasandoha, পৃষ্ঠা ১১৪)

জ্ঞান হ’ল এজন ব্যক্তিৰ তৃতীয় চকু।

*(২) बुद्धिर्यस्य बलं तस्य! (Budhiaryasya balam tasya!)

*(৩) सा विद्या या विमुक्तये! (Sa vidya ya vimuktaye!) শিক্ষাই বিনম্ৰতা আনে।

*(৪) विद्या दहाति विनयम विनयाद्याति पात्रताम!

*(৫) विद्याविहीन : पशु: (Bhartrihari : Nitishataka, 76) শিক্ষা অবিহনে, এজন মানুহ পশুতকৈ শ্ৰেষ্ঠ নহয়।

শিক্ষা উপনয়ন সংস্কাৰৰ সৈতে আৰম্ভ হৈছিল। ল’ৰা আৰু ছোৱালী উভয়ে শিক্ষাৰ অধিকাৰী আছিল। এই ক্ষেত্ৰত অনেক প্ৰসিদ্ধ বুদ্ধিমত্তাসম্পন্ন বিদগ্ধ মহিলাৰ উদাহৰণ আছে যেনে— গাৰ্গী, অত্ৰেয়ী, কৌশল্যা, তাৰা, দ্ৰৌপদী ইত্যাদি। নিম্নস্তৰৰ শিক্ষা এনে ধৰণৰ আছিল য’ত দৈনিক সাংসাৰিক কাৰ্য তথা সমাজৰ পাৰম্পৰিক ক্ৰিয়াসমূহৰ জ্ঞান দিয়া হৈছিল যাৰ দ্বাৰা একো একোজন ব্যক্তিক, তেওঁলোকৰ পৰিয়ালৰ বৃত্তিমূলক জৰুৰী চাহিদাসমূহ পূৰণ কৰাৰ উদ্দেশ্য প্ৰস্তুত কৰি তোলা হৈছিল। উচ্চ শিক্ষা আছিল কেৱল ব্যাকৰণ, ইতিহাস, পৌৰাণিক কথা, গণিত, বেদ, তৰ্কশাস্ত্ৰ, ৰাজ্যব্যৱস্থা, যুদ্ধ-বিগ্ৰহৰ বিজ্ঞান আৰু পূজা-পাত/ললিত কলা ইত্যাদিৰ বৃদ্ধিমূলক অধ্যয়ন।

শিক্ষা আছিল জীৱনৰ উন্নতি সাধনৰ অৰ্থে, ব্যৱহাৰিক কাৰ্যাৱলীৰ ওপৰত দিয়া এক প্ৰশিক্ষণ, যাক অভ্যাসৰ সহায়তহে আয়ত্ব কৰিব পৰা যায়। জীৱনৰ চাৰিটা স্তৰত এজন পুত্ৰ, এজন স্বামী, আৰু এজন পিতৃ হিচাপে যোগ্যতাৰে কৰ্তব্য পালন সম্পৰ্কে শিক্ষা দিয়া হৈছিল। যেনে— ब्रह्मचर्याश्रम, ব্ৰহ্মচাৰ্য্যশ্ৰম (শিক্ষাৰ্থীসকলৰ অবিবাহিত জীৱন ধাৰণ), गृहस्थाश्रम, গাৰ্হস্থ্যশ্ৰম (বৈবাহিক জীৱন), वानपस्थाश्रम বানপ্ৰস্থশ্ৰম (অৱকাশপ্ৰাপ্ত জীৱন) আৰু सन्यासाश्रम সন্ন্যাসশ্ৰম (ত্যাগ)। এজন শিক্ষকৰ দ্বাৰা বুজোৱা হৈছিল যে সি তাৰ জাতিটোৰ সংস্কৃতিৰ সংস্কাৰক আৰু পথ-প্ৰদৰ্শক। তাক দীক্ষান্ত সমাৰোহৰ সময়ত আদেশ তথা শিক্ষা দিয়া হৈছিল যে তাৰ সমাজখনৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য আছে যিসমূহ সি সমাজৰ এক দায়িত্বশীল সদস্য হিচাপে পালন কৰি, এক সমৃদ্ধিশালী জীৱন অতিবাহিত

কৰিব পাৰে। (১, Altekar, ১৯৫১, পৃষ্ঠা ৩০১-৩০৩)

সেয়েহে, আধ্যাত্মিকতা, চৰিত্ৰ-গঠন, ব্যক্তিত্বৰ বিকাশ, শিষ্টাছাৰিতাবোধ যোগ্যতা বুদ্ধি, সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰ আদি শিক্ষাৰ নিৰ্ধাৰিত লক্ষ্য আৰু উদ্দেশ্য আছিল। এইসমূহ উদ্দেশ্যপ্ৰাপ্তিৰ বাবে বিভিন্ন নিৰ্ধাৰিত উপায় আগবঢ়োৱা হৈছিল। যেনে— বিভিন্ন ধৰ্মীয় ৰীতি-নীতি আৰু ব্ৰত পালন, প্ৰাৰ্থনা, উৎসৱ পালন, নৈতিক আচৰণৰ প্ৰদৰ্শন, মন, চিন্তা-ভাৱনাৰ আৰু অভ্যাসৰ স্বচ্ছতা, প্ৰবৃত্তি দমন, বয়োজ্যেষ্ঠ, সমবয়সীয়া আৰু কণিষ্ঠজনৰ প্ৰতি মৰম-স্নেহ ব্যৱহাৰ আৰু শিষ্টাচাৰ সম্পৰ্কীয় নীতি, শিকণ-শিক্ষণ অভ্যাস ইত্যাদি। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ইচ্ছা-অনুযায়ী বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছিল। সহজ-সৰলতা আৰু আত্ম-অনুশাসন ছাত্ৰ-জীৱনৰ আশা আছিল। আত্মবিশ্বাস আৰু আত্ম-সংযম, প্ৰাচীন ভাৰতীয় শিক্ষাৰ প্ৰধান দিশ আছিল। বিবেক আৰু নিৰ্ণয় আৰু ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বিভিন্ন দিশসমূহ, বিভিন্ন বিষয়ৰ অধ্যয়নৰ দ্বাৰা দিয়া হৈছিল। যেনে— তৰ্কশাস্ত্ৰ, দৰ্শন, আইন-শিক্ষা, সাহিত্য ইত্যাদি। এজন ছাত্ৰক যিকোনো এটা বিষয়ৰ দুয়োটা দিশ সম্পৰ্কে বোধ প্ৰশিক্ষণ দিয়া হৈছিল, যাতে সি বুদ্ধিমত্তাপূৰ্ণ তৰ্ক তথা যুক্তি প্ৰদৰ্শনত নিজৰ স্থান ৰক্ষা কৰিব পাৰে। ই গণতান্ত্ৰিক মূল্যবোধ তথা আনৰ মতামতক সন্মান জনোৱা এজন উচিত ব্যক্তিৰ গঢ় দিয়াত সহায় কৰিছিল।

শিক্ষা, মুখস্থবিদ্যাৰ য়ান্ত্ৰিক প্ৰশিক্ষণ হৈ পৰিছিল কেৱল সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে যিয়ে বেদশাস্ত্ৰ অধ্যয়ন কৰিছিল। তেওঁলোকে বছৰ বছৰ ধৰি এই বেদশাস্ত্ৰৰ সমগ্ৰ সাহিত্য, সাংস্কৃতিক আৰু বৃত্তিগত ঐতিহ্যৰ পৱিত্ৰতা আৰু শুদ্ধ ৰূপক মুখস্থ কৰি প্ৰত্যেক প্ৰজন্মৰ বাবে সংৰক্ষিত আৰু সঞ্চাৰিত কৰিব লাগিছিল। কাৰণ তাৰ বাহিৰে জ্ঞান-সংৰক্ষণৰ বাবে কোনো কাগজ বা ছপা মাধ্যম নাছিল।

মুঠতে, আপোনালোকে জানিব যে সেই সময়ত শিক্ষাক আজীৱন চলি থকা এক নিৰন্তৰ প্ৰক্ৰিয়া হিচাপে গণ্য কৰা হৈছিল, যিয়ে ছাত্ৰসকলক এজন সু-নাগৰিক তথা ভৱিষ্যত জীৱনৰ উন্নতিৰ বাবে, আত্মবিকাশ, দৈহিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিকতাৰ সামাঞ্জস্যপূৰ্ণ বিকাশৰ উৎস যোগান ধৰিছিল।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ১**

(ক) প্ৰাচীন ভাৰতৰ শিক্ষাৰ প্ৰধান লক্ষ্য কি আছিল?

(খ) ছপামাধ্যমৰ অনুপস্থিতিত, জ্ঞান সংৰক্ষণৰ উপায় কি আছিল?

### ১.২.১ অতীজৰ গুৰু সম্পৰ্কে ধাৰণা ঃ

প্ৰাচীন ভাৰতৰ গুৰুকুল পদ্ধতিৰ ব্যৱস্থা আছিল। ছাত্ৰসকলে অধ্যয়নৰ বাবে এক নিৰ্ধাৰিত সময়ছোৱা গুৰুৰ সৈতে থাকি অতিবাহিত কৰিব লাগিছিল। গুৰুৰ আশ্ৰমসমূহ একপ্ৰকাৰৰ আৱাসীয় বিদ্যালয় আছিল। আঢ্যৱন্ত অথবা উচ্চস্থানীয় নিৰ্বিশেষে প্ৰত্যেকে একেলগে থাকিব লাগিছিল আৰু যদিও কোনো এজন ৰাজকুমাৰ, এজন দুখীয়া ছাত্ৰৰ সৈতে থাকিবলগীয়া হৈছিল তথাপিও দুয়োজনকে গুৰুকুলত সমান অগ্ৰাধিকাৰ দিয়া হৈছিল। গুৰুকুলত শিক্ষা সম্পূৰ্ণ বিনামূলীয়া আছিল। কিন্তু

গুৰুকুলক সহায় তথা সমৰ্থন কৰিবলৈ প্ৰত্যেকেই দান বা ভীক্ষা মাগিব লাগিছিল, যাৰদ্বাৰা তেওঁলোকে সমাজৰ প্ৰতি বিনম্ৰতা আৰু ঋণগ্ৰস্ততা শিকিছিল। কাৰণ সমাজে তেওঁলোকক ছাত্ৰ হিচাপে সহায়-সহযোগ আগবঢ়াইছিল। ইয়াত সকলো ছাত্ৰকে সমান ব্যৱহাৰ কৰা হৈছিল আৰু জাতি অনুক্ৰম (caste hierarchy) হ্ৰাস কৰাৰ ক্ষেত্ৰত সহায়ক হৈছিল।

গুৰুজন গুৰুকুলৰ প্ৰধান আছিল, যি আৱাসীসকলৰ বাবে পিতৃ, পিতৃ-মাতৃ আৰু অভিভাৱক স্বৰূপ ব্যক্তি আছিল। তেওঁ ছাত্ৰসকলক মাচুল অবিহনে শিক্ষাদান কৰিছিল। গুৰুৰ বাবে মাচুল সংগ্ৰহ একপ্ৰকাৰ নিষেধ আছিল। তেওঁৰ মতে বিদ্যাদান এক মহৎ দান আৰু জ্ঞানৰ বিক্ৰী এক ঘোৰ অপৰাধ। গুৰুকুলসমূহে ৰজাঘৰীয়াৰ দান, পৰোপকাৰী বা জনহিতৈষী আৰু সমাজৰ আঢ্যৱন্ত ব্যক্তি আৰু গুৰু-দক্ষিণাৰ (অধ্যয়নৰ শেষত ছাত্ৰসকলে গুৰুকুললৈ আগবঢ়োৱা এক আংশিক উপহাৰ) সহায়-সহযোগিতাৰ সমৰ্থন লাভ কৰিছিল। এইসমূহৰ পয়োভৰ আশ্ৰমৰ বাবে যথেষ্ট আছিল। কাৰণ তাত ছাত্ৰসকলৰ বাবে ধন সঞ্চয়ৰ কোনো অনুমতি নাছিল, তেওঁলোক কেৱল তপস্যা সাধনত ব্ৰতী আছিল।

কেৱল এজন প্ৰকৃত পণ্ডিত, সিদ্ধগুৰু, আধ্যত্মিকভাৱে সুশিক্ষিত ব্যক্তিকহে গুৰু হিচাপে গ্ৰাহ্য, নিযুক্তি প্ৰদান তথা সন্মান কৰা হৈছিল। আপোনালোকে জানে যে, ভাৰতত এক বহু পুৰণি গুৰু-শিষ্য পৰম্পৰা আছে। শিক্ষক তথা গুৰুৰ নিঃস্বাৰ্থ সেৱাৰ বাবে সমাজত এক উচ্চ আদৰ লাভ কৰিছিল। আনকি তেওঁক ৰজাসকলেও অতি সন্মান জনাইছিল। তেওঁ, পিতৃ-মাতৃতকৈও অধিক শ্ৰদ্ধাৰ পাত্ৰ আছিল আৰু তেওঁ এক অদ্বিতীয় স্থান উপভোগ কৰিছিল, যি ভগৱানতকৈও ওপৰত আছিল।

গুৰ্স্বহ্মা গুৰুৰ্বিষ্ণু : গুৰুৰ্দেবো মহেশ্বৰ

গুৰু সাক্ষাত পৰবহ্ম তস্মৈ শ্ৰী গুৰুবে নম:

Gurur Brahma Gurur Vishnu Gururdevo Maheshwara!

Guru Sakshat Parambrahma Tasmai Shree Guruve Namah!

গুৰু আছিল শিৰ, হৃদয় আৰু হাত, আধ্যাত্মিক, জ্ঞান বৃত্তি আৰু পাণ্ডিত্যৰে সমন্বিত সুগুণৰ প্ৰতীক। এজন প্ৰকৃত শিক্ষকে সদায় তেওঁৰ জীৱনৰ অন্তিম দিনলৈ নিজকে ছাত্ৰ হিচাপেই গণ্য কৰে। ই আমাৰ $L_3$ (Life longh carner, আজীৱন শিক্ষাৰ্থী) শিক্ষকৰ ধাৰণাৰ সৈতে একে। তেওঁ "Guide by the side" (কাষতে থকা পথ প্ৰধৰ্শক), তেওঁ "sage on the stage" (মঞ্চৰ সাধু) নহয়।

গুৰুসকল আছিল নিজেই একো একোটা অনুষ্ঠানসম, য'ত তেওঁলোক নিজৰ বৃত্তি আৰু ত্যাগৰ বাবে বিখ্যাত আছিল। সমগ্ৰ পৃথিৱীৰ ছাত্ৰসকল ভাৰতৰ স্বনামধন্য গুৰুসকলৰ প্ৰতি আকৰ্ষিত আছিল। যেতিয়া ছাত্ৰৰ সংমতা বৃদ্ধি হয়, তেতিয়া গুৰুসকলে, সকলোতকৈ জ্যেষ্ঠ তথা বুদ্ধিসম্পন্ন ছাত্ৰসকলক, শিকন শিক্ষণ প্ৰক্ৰিয়া সুচাৰুৰূপে পালন কৰিবলৈ, এই প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰে। এই অন্তৰ্ভুক্তি প্ৰক্ৰিয়াই গুৰুজনক তেওঁৰ কামত বাৰুকৈয়ে সহায় কৰে। ইয়াৰ দ্বাৰা ভাবী শিক্ষকসকলে গুৰুৰ প্ৰত্যক্ষ তত্বাৱধানত থাকি এক প্ৰকাৰৰ শিক্ষক প্ৰশিক্ষণ তথা শিকণ সম্বন্ধীয় কলা শিক্ষাৰ সুযোগ লাভ কৰে।

এনে ধৰণৰ উপদেশমূলক পদ্ধতি, প্ৰাচীন ভাৰতীয় শিক্ষা পদ্ধতিৰ এক অৱদান আছিল, য'ত ছাত্ৰসকল বা শিক্ষকজনৰ পুত্ৰ অথবা জ্যেষ্ঠ ছাত্ৰসকলে নিজকে শিক্ষক হিচাপে প্ৰতিষ্ঠাপিত কৰিব

পাৰিছিল। পিছলৈ, যেতিয়া মনুৰ (Manu's) সময়ছোৱাত, চতুৰ্বৰ্ণ (chaturvarnya) সমাজ ব্যৱস্থা হ'ল তেতিয়া যিকোনো জন্মগত ব্ৰাহ্মণেই গুৰু হ'ব পাৰিছিল, সি পণ্ডিত হওঁক বা নহওঁক। এই ব্যৱস্থাত পিতৃয়ে পুত্ৰক শিক্ষক হিচাপে প্ৰশিক্ষণ দিব। এনেদৰে, শিক্ষা/শিক্ষণ কেৱল ব্ৰাহ্মণসকলৰ বাবে এক পাৰিবাৰিক বৃত্তি বা ব্যৱসায় হৈ পৰিছিল।

**১.২.২ গুৰুৰ ভূমিকা আৰু দায়িত্ব ঃ**

সেই সময়ত এজন গুৰুৱে ছাত্ৰসকলৰ বাবে বিভিন্ন ভূমিকা পালন কৰিব লাগিছিল। যেনে— পিতৃ-মাতৃ, শিক্ষক, পণ্ডিত, ধৰ্মপ্ৰচাৰক, এজন বন্ধু-দাৰ্শনিক আৰু পথ প্ৰদৰ্শক। তেওঁ ছাত্ৰসকলৰ ইচ্ছা-আকাংক্ষাক ব্যক্তিগতভাৱে মনোযোগ দিব লাগিছিল। গুৰুসকলৰ দায়িত্ব আছিল যে তেওঁলোকে ছাত্ৰসকলৰ বিকাশ আৰু প্ৰগতিত সম্পূৰ্ণ মনোনিৱেশ কৰিব লাগিছিল যাৰদ্বাৰা ছাত্ৰ তথা গুৰু দুয়োজনে সন্তুষ্টি লাভ কৰে। ছাত্ৰ আৰু শিক্ষকৰ মাজত পিতা-পুত্ৰৰ দৰে এক নিবিড় সম্পৰ্ক আছিল।

শিক্ষণ (Teaching) পদ্ধতি, মৌখিক ক্ৰিয়াৰ দ্বাৰা সম্পন্ন হৈছিল, যেনে— শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ কথোপকথন (Dialogue), ব্যাখ্যা/বক্তৃতা, প্ৰবচন, তৰ্ক আৰু আলোচনা, আবৃত্তি আৰু পুনঃবৰ্ণনা আদিসমূহ ছাত্ৰসকলৰ দৈনন্দিন জীৱনৰ অংশ আছিল। মূল্যায়ণ ব্যৱস্থা অবিৰত আৰু ব্যাপক আছিল; যি গুৰুৱে আভ্যন্তৰীণভাৱে নিজে সম্পাদন কৰিছিল। তাত কোনো অন্তিম পৰীক্ষা নাছিল বা কোনো ডিগ্ৰী-চাৰ্টিফিকেটৰ ব্যৱস্থা নাছিল। কেৱল গুৰুৱে দীক্ষান্ত সমাৰোহত ঘোষণা কৰিছিল যে নিৰ্ধাৰিত পাঠ্যক্ৰম সম্পূৰ্ণ হোৱাৰ পিছত, ছাত্ৰজন স্নাতক হ'ল। গুৰুৱে সেই ছাত্ৰজনক, কিছুমান বিজ্ঞ ব্যক্তিৰ সন্মুখত উপস্থাপন কৰে; যিসকলে তাক প্ৰশ্ন সুধিব পাৰে অথবা তাক নিজকে যোগ্য প্ৰতিপন্ন কৰিবলৈ তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ উদ্‌গনি যোগায়। আৰু তাৰ পিছতহে ছাত্ৰজনক বিভিন্ন বিষয়ৰ ওপৰত প্ৰভুত্ব থকা আৰু বিজ্ঞ পণ্ডিত হিচাপে গ্ৰহণ কৰা হয়।

শিক্ষাৰ্থীৰ স্বায়ত্ব-অধিকাৰক সন্মান জনোৱা হৈছিল। ছাত্ৰসকলক তেওঁলোকৰ গুৰু আৰু অধ্যয়ন কৰিব বিচৰা বিষয় নিৰ্বাচন কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছিল। আৰু একে সময়ত সেই গুৰু বা শিক্ষকজন সেই ছাত্ৰজনক শিষ্য হিচাপে গ্ৰহণ কৰিব নে নকৰে, তাৰ ক্ষেত্ৰত এক পৰম অধিকাৰ দিয়া হৈছিল।

আপোনালোকে জানিব যে বৌদ্ধ যুগত শিক্ষা অনুষ্ঠানসমূহ আনুষ্ঠানিকভাৱে, মঠ-মন্দিৰসমূহ উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠাপন কৰা হৈছিল। এই ঠাইসমূহ ৰজা অশোকৰ দিনত হিন্দু গুৰুকুলৰ সমকক্ষ হিচাপে এক বৃহৎ প্ৰতিষ্ঠাপনৰূপে বিকাশ লাভ কৰিছিল। আৰু এইসমূহ শেষলৈ আৱাসিক বিশ্ববিদ্যালয় হৈছিল; য'ত শিক্ষক/গুৰুপুঞ্জ আৰু ছাত্ৰসকল, জ্ঞান লাভৰ বাবে একেলগে থাকি কাম কৰিছিল। তেওঁলোকে নিজকে জ্ঞানৰ সৃষ্টি, সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে নিয়োজিত কৰি ৰাখিছিল; যিসমূহ বৰ্তমানৰ আধুনিক বিশ্ববিদ্যালয়ৰ তিনিটা প্ৰধান কাৰ্যক সূচায়— শিক্ষণ, গৱেষণা আৰু বিস্তাৰ। উচ্চ শিক্ষাৰ বিশ্ববিখ্যাত অনুষ্ঠানসমূহত যেনে তক্ষশীলা, নালন্দা, বিক্ৰমশীলা, বল্লভি, নদীয়া, কাশী, বাৰাণসী ইত্যাদিত প্ৰৱেশ (Admission) প্ৰক্ৰিয়া প্ৰৱেশ পৰীক্ষাৰ দ্বাৰা হৈছিল। যি খুব কঠিন আছিল. এই কেন্দ্ৰসমহে সমগ্ৰ ভাৰতৰ লগতে, বিদেশৰ ছাত্ৰসকলৰো মনোযোগ আকৰ্ষণ কৰিছিল।

গুৰুকুলে অনুষ্ঠান হিচাপে নহয় বৰং ব্যক্তিৰ যোগ্যতা অনুসাৰে অবিৰত নির্দেশনা দিছিল। যেনে— পাঠশালা তথা মধ্যযুগীয়া নিম্নশিক্ষাৰ মক্তাব, আৰু উচ্চ শিক্ষাৰ বাবে মাদ্রাছা আদি সমূহ ইছলাম ধর্মীয় শিক্ষাৰ বাবে মছজিদত পতা হৈছিল। ই পৱিত্ৰ কোৰাণৰ অংশ আছিল য'ত মুছলমান শিশুক মৌলা আৰু মৌলবীৰ দ্বাৰা শিক্ষা দিয়া হৈছিল। আৰু এই ব্যৱস্থা, ইষ্ট-ইণ্ডিয়া কোম্পানী ভাৰতত প্ৰৱেশ কৰালৈকে অবিৰতভাৱে চলি আছিল আৰু নিজকে শাসনীয় প্ৰাধিকাৰী হিচাপে বহুতো অঞ্চলত প্রতিষ্ঠাপিত কৰিছিল।

**১.২.৩ বর্তমানৰ বৃত্তিগত শিক্ষক ঃ**

যদিও প্ৰাচীন ভাৰতীয় শিক্ষাৰ বিভিন্ন দিশ আছে যিসমূহ বর্তমান আধুনিক যুগৰ শিক্ষাত গ্ৰহণ কৰিব পাৰি তথাপিও, যদি আপোনালোক বর্তমানৰ বৃত্তিগত শিক্ষক হ'ব খোজে, তেতিয়া হ'লে আপোনালোকে বিভিন্ন কৌশল আৰু বিভিন্ন গুণৰ অধিকাৰী হোৱাৰ শিক্ষা লাভ কৰিব লাগিব আৰু সেইসমূহ আনৰ সৈতে হোৱা কথোপকথনত ফুটাই তুলিব লাগিব। তলত কিছুসংখ্যক বৈশিষ্ট্য দিয়া হৈছে, যিসমূহ আজিৰ শিক্ষকে অৰ্জন কৰা বিকাশ কৰা খুবেই প্রয়োজনীয় ঃ

- মুক্ত আৰু সকাৰাত্মক—ধনাত্মক চিন্তাধাৰা- আনকো ধনাত্মক হোৱাত উদ্‌গনি জনোৱা।
- মিলনসাৰ— আনৰ সৈতে ভাব আদান-প্রদান কৰা আৰু প্ৰভাৱশালী সঞ্চাৰৰ বাবে উদগনি জনোৱা।
- শ্ৰোতা— ছাত্ৰ-ছাত্ৰীসকলে সহানুভূতিৰে শুনা।
- নির্ভৰযোগ্য— আনৰ সৈতে কাম কৰোতে সাধু, মুক্ত অথবা বিশ্বাসনীয় হোৱা।
- সুশ্ৰী— ব্যক্তিগত অংশীদাৰীৰ সহায়ত বিশ্বাস গঢ়ি তুলিবলৈ, এক ধনাত্মক পাৰস্পৰিক কৰ্ম-সম্বন্ধ স্থাপন কৰা আৰু মানি চলা।
- সংগঠিত— ব্যৱস্থিত, পৰিকল্পনা ব্যৱস্থাৰ কাম কৰা।
- আত্মবিশ্বাস আৰু ভাৰসাম্যতা— ছাত্ৰ-ছাত্ৰীসকলক ধনাত্মক আত্মধাৰণা বিকাশৰ বাবে উৎসাহ জনোৱা।
- প্ৰেৰিত— আশা আৰু মান্যতাৰ সৈতে উৎসাহী হোৱা।
- গঠনাত্মক— চিন্তাশীল ক্রিয়াৰ ক্ষেত্ৰত।
- দয়ালু— যত্নশীল, সহানুভূতিশীল আৰু মানুহৰ অনুভূতিক প্রতিক্রিয়া জনোৱা। ব্যক্তিগতভাৱ আৰু অনুভূতিৰ মুক্ত প্ৰচাৰণ আৰু আনকো তেনে হোৱাত উৎসাহ জনোৱা।
- ব্যক্তিগতৰূপৰ প্রতি অনুভৱী— প্রত্যেক ছাত্রকে এজন অদ্বিতীয় আৰু মুল্যাৱান ব্যক্তি হিচাপে চোৱা।
- মূল্যভিত্তিক— মানুহৰ মূল্য আৰু গৰিমাক গুৰুত্ব দিয়া।

- সাম্প্ৰদায়িক মূল্যসমূহৰ প্ৰতি সংবেদনসীল হোৱা।
- জ্ঞানী— জ্ঞান আহৰণৰ প্ৰতি অবিৰত উৎসুকতা।
- সৃষ্টিশীল— বহুমুখী, আৱিষ্কাৰক আৰু নতুন ধাৰণাৰ প্ৰতি মুক্ত মনৰ অধিকাৰী।
- ধৈৰ্য— নিৰপেক্ষ হোৱাৰ প্ৰয়াস কৰা, উদ্দেশ্যবাদী।
- প্ৰতিবদ্ধ— ছাত্ৰ আৰু বৃত্তিৰ প্ৰতি।

এজন বৃত্তিগত শিক্ষক অভিমান অবিহনে আত্মবিশ্বাসী হোৱাতো নিত্যান্ত প্ৰয়োজন। দলসমূহৰ লগত পাৰস্পৰিক ভাব বিনিময় কৰাৰ ক্ষেত্ৰত, ব্যৱহাৰৰ বৃত্তিগত মান্যতা থকাটো জৰুৰী যেনে— ভদ্ৰতা, দৃঢ়তা আৰু নিৰপেক্ষতা। সঠিক উপস্থাপন, বৃত্তিগতবাদৰ আন এক মহত্বপূৰ্ণ আৱশ্যকতা। আপুনি যেতিয়া শ্ৰেণীকোঠাত প্ৰৱেশ কৰে আপোনাৰ লগত সকলো আৱশ্যকীয় সামগ্ৰী আৰু পাঠ আঁচনি সাজু থাকিব লাগে।

**১.২.৪ আজিৰ সমাজৰ পৰিৱৰ্তনশীল বৈশিষ্ট্য আৰু শিক্ষকৰ অনুৰূপ ভূমিকা আৰু দায়িত্ব ঃ**

**আজিৰ সমাজৰ পৰিৱৰ্তনশীল বৈশিষ্ট্য ঃ**

- আপোনালোকে অনুভৱ কৰিব যে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ উদ্‌ঘাটনে আজিৰ সমাজৰ ভয়াৱক ৰূপান্তৰ সাধন কৰিছে। তথ্য আৰু প্ৰযুক্তিবিদ্যাই আমাৰ জীৱনৰ সকলো খোজতে প্ৰভাৱ পেলাইছে। যোৱা কিছু দশকৰ পৰা, এক সমগ্ৰ নতুন সামাজিক ব্যৱস্থাৰ সৃষ্টি হৈছে। এই পৰিৱৰ্তনৰ কোনো প্ৰাধান্যতা নাই। এই প্ৰযুক্তিবিদ্যাৰ বিকাশ আৰু অগ্ৰগতি আজিৰ সমাজত ইমানেই দ্ৰুত যে, আজিৰ পৰা এশ বছৰ পিছত মানুহৰ জীৱন কেনেকুৱা হ'ব, এই বিষয়ে অনুমান কৰিব পৰাটো অসম্ভৱ। কিন্তু, মানুহে জীৱনটো দহ-বিশ বছৰ পিছত কেনেকুৱা হ'ব তাক সহজেই উমান কৰিব পাৰে। আমি চাই থকা কালিৰ সমাজখনৰ ৰূপ/গঠন কেনেকুৱা হ'ব? আজিৰ এই পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ বাবে, শিক্ষাৰ উদ্দেশ্য আৰু ধাৰণাগত গঠনৰ কি কি পৰিৱৰ্তন সাধন হৈ আছে? কেনেকৈ বিতৰণ প্ৰণালীৰ সলনি হৈ আছে? আজিৰ শিক্ষাৰ, কালিৰ লগত প্ৰাসংগিকতা আছেনে? নে আমি কিছুমান অনুপযুক্ত ব্যক্তিৰ উৎপাদন কৰি অআছো? এই পৰিৱৰ্তিত সমাজত, শিক্ষাৰ বাবে এখন জৰুৰী কাৰ্য-আঁচনি (Plan of Action) নিত্যান্তই প্ৰয়োজনীয়, যাতে সমাজৰ নতুন সাংগঠনিক ৰূপ আৰু অভূতপূৰ্ব জৰুৰী অৱস্থাৰ লগত সামঞ্জস্যতা বজাই ৰাখিব পাৰি।
- **সংযুক্ত আৰু জ্ঞানভিত্তিক সমাজ ঃ** তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ এক হতচকিত কৰা কাৰ্য যিয়ে বিশেষকৈ যোৱা দুটা দশকযুৰি পৃথিৱীৰ ৰূপ সম্পূৰ্ণৰূপে সলনি কৰি দিছে। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ সকলো সৰ্বব্যাপী আহিলা আৰু কৌশলসমূহ মানুহৰ সমগ্ৰ জীৱনৰ লগতে শিক্ষাৰ ক্ষেত্ৰতো এক নৱজাগৰণ আনিছে। মানুহে চমৎকাৰ যেনে— মোবাইল ফোন, দূৰদৰ্শন, কম্পিউটাৰ ইত্যাদিৰে কি কৰিব পাৰে, সেয়া এক অবিশ্বাসনীয় কথা অকল্পনীয় কথা। আনহাতে, এই চমৎকাৰসমূহৰ প্ৰয়োগৰ হাৰ দ্ৰুতগতি বৃদ্ধি হৈছে তথা ই নতুন নতুন ঠাইলৈ সম্প্ৰসাৰিত হৈছে। আনহাতেদি এইসমূহ লাহে লাহে সস্তীয়া হৈ পৰিছে আৰু তিনি সমাজৰ বঞ্চিত শ্ৰেণীৰ বাবেও

সহজলভ্য আৰু দৈনিক জীৱনৰ ব্যৱহাৰ সামগ্ৰী হৈ পৰিছে। আজিৰ ভাৰতৰ বৃহৎ জনসংখ্যাৰ, কোটিজন মানুহ, মোবাইল ফোন, টেলিফোন, ইণ্টাৰনেট আৰু কম্পিউটাৰৰ সামাজিক জালক্ৰমৰ (Social Network) সৈতে জড়িত আৰু ইয়াৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হৈ আছে। TRAIৰ ওৱেব চাইট (Web site)ৰ পৰা ০৭-১০-২০১১ৰ পৰিসংখ্যাৰ তথ্য প্ৰাপ্তি মতে, ভাৰতত ১০০ মিলিয়নতকৈও অধিক ইণ্টাৰনেট সেৱা উপভোগকাৰী আছে (যাৰ ভিতৰত ৪০ মিলিয়নে ইণ্টাৰনেট কেৱল মোবাইল ফোনৰ দ্বাৰা ব্যৱহাৰ কৰে), ডিচেম্বৰ ২০১০। তাৰোপৰি ভাৰতত ৮৫১.৭০ মিলিয়ন মোবাইল ফোনৰ গ্ৰাহক আৰু ৮৮৫.৯৯ মিলিয়ন টেলিফোন সংযোজন আছে, জুন ২০১১। এটা মাহত মোবাইল সেৱাৰ গ্ৰাহকৰ বৃদ্ধিৰ হাৰ হৈছে ১১.৪১ মিলিয়ন।

সমগ্ৰ বিশ্বৰ অৰ্থনীতিত যেতিয়া সকলো বস্তুৰ দাম বৃদ্ধি হৈ আছে তেতিয়া দিনক দিনে আটাইতকৈ সস্তীয়া হোৱা বস্তুবিধ হৈছে তথ্য আৰু প্ৰযুক্তিবিদ্যা। য'ত ইয়াৰ সুগমতা, উপকাৰিতা, গুণ, সামৰ্থতা আৰু অতিক্ৰমতা, প্ৰতি চেকেণ্ডত বৃদ্ধি হৈ আছে। তথাপিও শিক্ষাৰ ক্ষেত্ৰত ইণ্টাৰনেট সেৱাৰ সৈতে কম্পিউটাৰ ব্যৱহাৰ এক সংগী তথা মূল অৱদানকাৰী হিচাপে খুব লেহেমীয়া পৰিগণিত হৈছে। যেতিয়া সমগ্ৰ বিশ্ব সংযোজিত হৈ আছে, আমি এতিয়াও সিহঁতক অসংযোজিত হৈ শিক্ষাদান কৰি আছো কেৱলমাত্ৰ পাঠ্যসূচীৰ দ্বাৰা, অকলশৰীয়া অনুশালন, কোনো সামগ্ৰিকতা নাই তথা জীৱনৰ লগত কোনো সংগতি নাই।

- শিক্ষা প্ৰক্ৰিয়াত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ ঃ আজিৰ শিক্ষা এতিয়াও তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ দ্বাৰা প্ৰভাৱান্বিত। আমি দেখো যে তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভিন্ন ক্ষেত্ৰত উপযোগী হ'ব পাৰে যেনে ঃ পাঠ্যক্ৰম বিকাশৰ ক্ষেত্ৰত আৰু বিতৰণ ব্যৱস্থাৰ ক্ষেত্ৰত, শিক্ষণীয় প্ৰক্ৰিয়াত, মান নিৰূপণ আৰু মূল্যায়ন যেনে— অনলাইন-পৰীক্ষা (বৃহৎ সংখ্যাৰ ক্ষেত্ৰত), চাহিদা ভিত্তিক (ondemand) পৰীক্ষা (ব্যক্তিগত), পাঠ্যক্ৰমৰ আদান-প্ৰদান আৰু নতুন শিক্ষণীয় প্ৰক্ৰিয়া যেনে— সহযোগাত্মক কাৰ্য, শিক্ষণ আৰু বিকাশ, আত্মঅধ্যয়ন (স্ব-অধ্যয়ন, মুক্ত শিক্ষা সম্পদসমূহৰ ক্ষেত্ৰত, $L_3$ দল, অনলাইন-শিক্ষক ইত্যাদি।

আজিৰ শিক্ষকে এই নতুন শিক্ষণীয় প্ৰক্ৰিয়া আৰু নতুন শিক্ষণীয় পৰিৱেশৰ লগত সংগতি থকা বিষয়বস্তু সমূহক সম্বোধন কৰিব লাগে। তেওঁলোকে শিক্ষণীয় সুবিধা প্ৰদান আৰু এই পৰিৱৰ্তিত প্ৰক্ৰিয়াক কেনেকৈ দ্ৰুতগতিত বৃদ্ধি কৰিব পাৰি, তাৰ বিষয়ে চিন্তা কৰিব লাগে। আজিৰ ছাত্ৰসমাজে এই সংযোজিত সমাজত আৰু অৰ্ধশতক জুৰি সক্ৰিয় জীৱন অতিবাহিত কৰিব লাগিব। তাৰ কাৰণে তেওঁলোকক নতুন দক্ষতা, শক্তি, যোগ্য হোৱাৰ কৌশল আৰু বিশ্বসমাজৰ যোগ্য নাগৰিক হোৱাৰ দক্ষতাৰ প্ৰয়োজন। এই উদ্ভূত সমাজৰ স্বাৰ্থ পূৰণৰ বাবে শিক্ষা হৈছে সমাজ পৰিৱৰ্তনৰ এক আহিলা। শিক্ষা এই জ্ঞানভিত্তিক সমাজত পাঠ্যক্ৰম ভিত্তিক শিক্ষক কেন্দ্ৰিক শিক্ষা (3Rs Reading/Writing/Arithmethic) নহয় ইয়াৰ পৰিৱৰ্তে, শিক্ষা হৈছে শিক্ষাৰ্থীকেন্দ্ৰিক, কৰ্মভিত্তিক কম্পিউটাৰ শিক্ষা আৰু শিক্ষণীয় সুবিধা প্ৰদান কৰা যোগ্যকাৰী মাধ্যম যিয়ে কেৱল আমাৰ সংস্কৃতিকেই মূল্য দিয়াই নহয় সমগ্ৰ বিশ্বৰ মূল্যসমূহৰ শিক্ষা দিয়ে।

পাঠ্যক্ৰমিক কৰ্যসূচীৰ বিতৰণ কেৱল শিক্ষক-শিক্ষাৰ্থীৰ মাজত পৰম্পৰাগত শ্ৰেণীকোঠাত মুখামুখী আদান-প্ৰদানৰ মাজতেই সীমাবদ্ধ নহয় ইয়াক স্ব-অধ্যয়ন, চচিয়েল নেট ওৱৰ্কিঙৰ

মাধ্যমেৰে শ্ৰেণী বিতৰণ যেনে— চ্যাট (chat), ফেচবুক, টুইটাৰ, দলীয় আলোচনা $L_3$ দল ইত্যাদিৰেও প্ৰদান কৰা হয় (www.add this.com/bookmark)।

ই কেৱল পৰম্পৰাগত শিকন শিক্ষন নহয়, ইয়াৰোপৰিও বিভিন্ন নতুন হস্তক্ষেপমূলক আৱিষ্কাৰী ব্যৱস্থাৰ অদ্ভূত হৈছে, যেনে— স্বশিক্ষা, দলীয় সহযোগাত্মক কাৰ্য, উপদেশকাৰীৰ (Mentors) দ্বাৰা শিক্ষণক সুবিধা প্ৰদান আৰু দলীয় কাৰ্যত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ।

- **শিক্ষাৰ্থীৰ স্বায়ত্বতা ঃ** শিক্ষাৰ্থীৰ স্বায়ত্বতাৰ সন্মানৰ অৰ্থে বৰ্তমানৰ নিৰ্দেশনামূলক প্ৰক্ৰিয়াৰ সলনি হৈছে। শিক্ষাৰ্থীজন সকলোতকৈ উৰ্ধত (supreme) আৰু তাৰ শিক্ষণীয় ৰণনীতি নিৰ্বাচনৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা আছে। ভাবৰ আদান-প্ৰদান, অভিজ্ঞতা, আলোচনা আৰু শিক্ষণৰ বাবে নতুন শিক্ষণীয় প্ৰক্ৰিয়াৰ ব্যৱস্থাৰ দিনক দিনে বৃদ্ধি হৈ আছে যেনে ঃ স্ব-শিক্ষা, দলীয় শিক্ষণ-কাৰ্য্য— সমবিকাশ, ই-শিক্ষা, মিশ্ৰিত শিক্ষা শিক্ষক/শিক্ষাৰ্থীৰ $L_3$ দল, চচিয়েল নেটৱৰ্কিং যেনে— Blogs/facebook/twitter/web পেজ ইত্যাদি। পৰম্পৰাগত শিক্ষণীয় শৈলী, যেনে— গঠনমূলক শিক্ষণীয় শৈলী, OERৰ ব্যৱহাৰ আৰু বিকাশ, পাঠক্ৰমৰ বিকাশ আৰু বিতৰণৰ বাবে কৌশল আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ দিনক দিনে বৃদ্ধি হৈছে।

- **পৰিৱৰ্তিত সমাজত শিক্ষকৰ ভূমিকা ঃ** প্ৰযুক্তিবিদ্যাৰ প্ৰত্যাহ্বানে শিক্ষকৰ ভূমিকাৰ ক্ষেত্ৰত এক নতুন ভূমিকাৰ সৃষ্টি ঘটাইছে। Lorillardৰ Conversation Modelএ শিক্ষকৰ চাৰি প্ৰকাৰৰ ভূমিকাৰ বিষয়ে বৰ্ণনা দিছে, যেনে— শিক্ষকৰ অসম্বন্ধ Discursive, অনুকলক (Adaptive), পাৰস্পৰিক (Interactive) আৰু চিন্তনশীল ভূমিকা।

  আজিৰ নতুন পৃথিৱীত শিক্ষকে বিভিন্ন ভূমিকা পালন কৰিবলগীয়া হয়। তাৰ ভিতৰত মুখ্যভূমিকাসমূহ হ'ল যে—

- বিকাশক আৰু e-সংস্কৃতিৰ পালক।
- নেটৱৰ্কাৰ (সংযোজক) আৰু পৰিৱৰ্তনকাৰী এজেণ্ট।
- শিক্ষণীয় ব্যৱসায়ী আৰু সূত্ৰধাৰ।
- শিক্ষণীয় সমলৰ বিকাশক।
- প্ৰযুক্তি- শিক্ষাবিশাৰদ (Techno-Pedagogue)
- মূল্যায়নকৰ্তা।
- কাৰ্যবাহী গৱেষক/ক্ৰিয়াত্মক গৱেষক (/Action Researcher)
- আচৰণবাদী বৈজ্ঞানিক।
- পাঠ্যক্ৰম প্ৰস্তুতকৰ্তা আৰু বিনিময়কাৰী নাইবা
- নিৰ্দেশণাত্মক পদ্ধতি প্ৰস্তুতকাৰী।

কিন্তু আমাৰ শিক্ষাব্যৱস্থাই জানো এনেকুৱা শিক্ষক প্ৰস্তুত কৰে? অতীজৰ গুৰু আৰু একৈশ শতিকাৰ বৃত্তিগত শিক্ষকৰ মাজত বহুতো সাদৃশ্যতা আছে। কিন্তু অৱস্থা সম্পূৰ্ণৰূপে পৃথক। সেয়েহে দুয়োটাক তুলনা কৰাৰ আগতে এইটো চাব লাগিব যে, কি কি পৰিস্থিতি আৰু অৱস্থাৰ মাজেৰে শিক্ষা ব্যৱস্থা পাৰ হৈছিল, কেনেকৈ আধুনিক শিক্ষা ব্যৱস্থা সৃষ্টি হৈছিল আৰু শিক্ষকৰ ভূমিকাসম্পৰ্কীয় ধাৰণা কেনেদৰে সলনি হৈছিল। সেইসমূহ পিছৰ গোটত আলোচনা কৰা হৈছে।

### আজিৰ ভাৰতীয় শিক্ষাৰ উৎপত্তি ঃ প্ৰাক-স্বাধীনতাৰ কালছোৱা

বৈদিক যুগৰ শেষত আৰু মধ্যযুগৰ সময়ছোৱাত মিছনাৰীসকলে আৰু বিভিন্ন ধৰ্মীয় দলসমূহে ভাৰতলৈ কিছুমান বুনিয়াদী শিক্ষা আনিছিল, যিসমূহ বৃটিছ সংসদ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিষ্ঠা হোৱাৰ সময়লৈকে বিভিন্ন সমসাময়িক শাসক আৰু ধনী সমাজৰ দান-বৰঙণিৰ দ্বাৰা কিছুসংখ্যক শিশুৰ শিক্ষাৰ চাহিদা পূৰণ কৰিবৰ বাবে বিভিন্ন মাধ্যমেৰে প্ৰদান কৰা হৈছিল। যেনে— গীৰ্জাঘৰত ইংৰাজী মাধ্যমৰ দ্বাৰা, দেশীয় মন্দিৰ আৰু বিদ্যালয়ত সংস্কৃতৰ দ্বাৰা আৰু মাদ্ৰাছাসমূহত পাৰ্চী আৰু আৰবী ভাষাৰ ব্যৱহাৰৰ দ্বাৰা। যিকি নহওঁক, এই দেশত বৰ্তমানৰ শিক্ষা পদ্ধতিৰ উৎপত্তিৰ ভেটি ১১শ শতিকাৰ আৰম্ভণিৰ সময়ছোৱা হিচাপে ধৰিব পাৰি।

ভাৰতীয় ইতিহাসত চাৰ্টাৰ আইনৰ (Charter Act) মাধ্যমেৰে ৰাজ্যিক শিক্ষা ব্যৱস্থাৰ চৰকাৰীভাৱে আৰম্ভণি কৰা হৈছিল। ইষ্টি ইণ্ডিয়া কোম্পানীৰ এই চাৰ্টাৰ/চনদৰ প্ৰতি বিশ বছৰৰ পিছত বৃটিছ সংসদৰ দ্বাৰা নৱীকৰণ কৰিবলগীয়া হৈছিল। যেতিয়া ১৮১৩ চনত পুনৰ চাৰ্টাৰ/চনদ নৱীকৰণ কৰিবলগীয়া হৈছিল তেতিয়া বৃটিছ সংসদে ইষ্ট ইণ্ডিয়া কোম্পানীক প্ৰতি বছৰে এক লাখ টকা ধাৰ্য কৰাৰ নিৰ্দেশ দিছিল; যাতে ইয়াৰ দ্বাৰা সাহিত্যৰ পুনঃপ্ৰৱৰ্তন আৰু সংবৰ্ধন আৰু শিক্ষিত ভাৰতীয় বা ভাৰতীয় দেশীয় বিদ্যাৱানসকলক উৎসাহ আৰু বৃটিছ ক্ষেত্ৰৰ মাজত থকা আৱাসীসকলৰ বাবে বিজ্ঞানৰ জ্ঞানৰ আৰম্ভণি আৰু বিকাশ কৰিব পৰা যায়। এনেদৰেই দেশীয় লোকসকলৰ শিক্ষাৰ বাবে, পোনপ্ৰথমবাৰ ৰাণী (Queen) আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চৰকাৰীভাৱে বৃত্তীয় ব্যৱস্থাৰ আয়োজন কৰিছিল।

#### ১.৩.১ মেক'লেৰ প্ৰতিবেদন (Macaulay's Minutes) ঃ

লৰ্ড মেক'লে (Thomar Babington Macaulay) পোনপ্ৰথম বাৰ ভাৰতলৈ (মাদ্ৰাজ) ১০ জুন ১৮৩৪ চনত ভাৰতৰ চুপ্ৰিম কাউঞ্চিলৰ সদস্য হিচাপে আহিছিল। William Bentinck সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল আছিল। তেওঁ পুনৰ ইংলেণ্ডলৈ ১৮৩৮ চনৰ আগভাগত উভতি গৈছিল আৰু তাতেই তেওঁৰ লিখনি জীৱনৰ পুনৰ আৰম্ভণি কৰিছিল। সেয়েহে মেক'লে কেৱল প্ৰায় চাৰি বছৰৰ বাবেহে ভাৰতত আছিল কিন্তু, মিলিয়ন সংখ্যক ভাৰতীয় জীৱনৰ ওপৰত চিৰকাললৈ প্ৰভাৱ বিস্তাৰ কৰি থৈ গৈছিল।

ইংৰাজী ভাষাৰ প্ৰভুত্ব ঃ ১৮৩৫ চনৰ জানুৱাৰী মাহত যুক্তি প্ৰদান কৰি জেনেৰেল কমিটী অব্ পাব্লিক ইনষ্ট্ৰাকচনৰ চেয়াৰমেন লৰ্ড মেক'লে এখন জ্ঞাপন প্ৰস্তুত কৰি পৰিচালিত কৰিছিল। তেওঁ ভাৰতীয় দেশীয় শিক্ষা আৰু সংস্কৃতিৰ, দেশীয় জ্ঞান আৰু ভাষা যেনে— সংস্কৃতি আৰবী আৰু পাৰ্চীৰ

বিপৰীতে ইংৰাজী ভাষাৰ দ্বাৰা পশ্চিমীয়া বিজ্ঞান শিক্ষাৰ, এক দৃঢ়তামূলক নিৰ্ণয়াত্মক সিদ্ধান্ত লৈছিল। তেওঁৰ দৰ্শন ভাৰতীয় শিক্ষাৰ ইতিহাসত মেক'লেৰ প্ৰতিবেদন(২) হিচাপে বিখ্যাত হৈ পৰিছিল। আৰু আমি চাব পাৰো যে তেওঁ কিমান প্ৰভাৱশালী আছিল, যাৰ বাবে মহাত্মা গান্ধীয়ে ১৯৩৭ চনত ৰাৰ্ধাত আগবঢ়োৱা বুনিয়াদী শিক্ষা যিটো এক স্বদেশী শিক্ষা পদ্ধতি আছিল, তাক অনুমান কৰিবলৈ ১০০ বছৰৰ প্ৰয়োজন হৈছিল। আনকি আজিও প্ৰায় মেক'লেৰ দুশ বছৰ পিছতো, বৰ্তমান শিক্ষা পদ্ধতিৰ বিভিন্ন দিশত মেক'লেৰ ভূতৰ প্ৰভাৱ দেখা যায়; যেনে— ভাৰতত পিতৃ-মাতৃৰ তেওঁলোকৰ শিশুসকলৰ অধ্যয়নৰ বাবে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ নিৰ্বাচন সম্পৰ্কীয় প্ৰভাৱ।

মেক'লে ইংৰাজী ভাষাৰ বিপৰীতে আৰবী আৰু সংস্কৃতি দুয়োটা দেশীয় ভাষাকে, অস্বীকৃতি প্ৰদান কৰিছিল কাৰণ তেওঁৰ মতে ইংৰাজী ভাষা এই দুয়োটা ভাষাৰ বহুগুণে ওপৰত। তেওঁ দৃঢ় প্ৰতিজ্ঞ আছিল যে তেওঁৰ মতে এই দুয়োটা ভাষাত লিখা সকলো কিতাপৰ মূল্য ইউৰোপীয় এটা ভাল পুথিভঁৰালৰ এঠাক কিতাপৰ সমান প্ৰকৃততে প্ৰাশ্চাত্য সাহিত্যৰ স্বাভাৱিক শ্ৰেষ্ঠতা বাৰুকৈয়ে গণ্য কৰা হৈছিল। ("a single self of a good European library was worth the whole native literature of India and Arabia. The intrinsic superiority of the Western literature is indeed fully admitted.....")(৩) পিছলৈ তেওঁ পৰ্যাবেক্ষণ কৰিছিল ভাৰতত "ইংৰাজী হৈছে শাসক গোষ্ঠীৰ ভাষা। ই কেৱল চৰকাৰ উচ্চ শ্ৰেণীৰ দেশীয় লোকৰ ভাষা"(৪) তেওঁৰ বাবে "আমি যিবোৰ আৰবী আৰু সংস্কৃত মহাবিদ্যালয়ত খৰচ কৰো সেইবোৰ প্ৰকৃততে এটা মহান লোকচান। সেইসমূহ এজন ভুল চেম্পিয়নক দিয়া অৰ্থৰ উপহাৰৰ লেখীয়া" ("What we spend on the Arabic and sanskrit colleges is not merely a deadloss to the cause of truth. It is bounty- money paid to rise up shampions of error.")(৫)

তেওঁ পিছলৈ কৈছিল যে "আমাৰ পক্ষে এক সীমিত ক্ষেত্ৰৰ মাজত সকলোকে শিক্ষিত কৰাটো অসম্ভৱ।" শিক্ষা বিস্তাৰৰ পদ্ধতি সম্পৰ্কত মেক'লেৰ মত হ'ল— ভাৰতবৰ্ষত এনে এচাম লোকৰ সৃষ্টি কৰিব লাগিব যিসকল বৃটিছ শাসক আৰু কোটি কোটি প্ৰজাৰ মধ্যস্থতাকাৰীৰূপে অৱতীৰ্ণ হ'ব। এইসকল ভাৰতীয় তেজ-মঙহৰ হ'ব কিন্তু তেওঁলোকৰ ৰুচি, মতামত নৈতিকতা আৰু বৌদ্ধিক ক্ষেত্ৰত ইংৰাজৰ লেখিয়া হ'ব। সেই শ্ৰেণীৰ বাবে আমি দেশৰ পৰম্পৰাগত মাতৃভাষাৰ উপভাষাসমূহক পৰিশ্ৰাৱণ কৰি সেইসমূহক চহকী কৰি পশ্চিমীয়া শব্দাৱলীৰ দ্বাৰা বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত, এক বৃহৎ জনগণক জ্ঞান দিয়াৰ অৰ্থে ব্যৱহাৰ কৰা হ'ব।"(৭)

বৃটিছ শাসকৰ হৈ মেক'লেৰ প্ৰতিবেদন আৰু "নিম্নমুখী পৰিশ্ৰাৱণ নীতি (Down Ward Filtration Theory) লৰ্ড বেণ্টিঙ্কে (Lord Bentick) গ্ৰহণ কৰিছিল আৰু এক নিৰ্দেশনামা জাৰি কৰিছিল যে ভাৰতীয় শিক্ষা ব্যৱস্থাত শিক্ষাদানৰ মাধ্যম হিচাপে ইংৰাজী ভাষাক গ্ৰহণ কৰা। তেতিয়াৰ পৰাই কিছু শতক জুৰি মেক'লেৰ প্ৰতিবেদনে ভাৰতীয় শিক্ষাৰ ভেটি গঢ়িছিল। আৰু আজিও স্বাধীনতাৰ পিছতো মেক'লেৰ সেই মতামতৰ প্ৰভাৱ ভাৰতীয় শিক্ষাত দেখা যায় আৰু আমি ইংৰাজী ভাষাক শিক্ষাদানৰ মাধ্যম হিচাপে নিৰন্তৰভাৱে মানি আছোঁ।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ২

(ক) “নিম্নমুখী পৰিশ্ৰাৱণ নীতি”ৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

(খ) কিয় মেক’লে পূৰ্বী-সাহিত্যৰ বিপৰীতে ইংৰাজী ভাষাৰ উন্নতিৰ বাবে চৰকাৰী নিধী ব্যয় কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল।

### ১.৩.২ উদৰ ঘোষণাপত্ৰ ঃ

**ব্যাপক শিক্ষা পদ্ধতি ব্যৱস্থা আৰু সংগঠনাত্মক ধাৰণা ঃ**

আপোনালোকে লক্ষ্য কৰিলে যে কেনেকৈ মেক’লেৰ প্ৰতিবেদনে লৰ্ড উইলিয়াম বেণ্টিঙ্কৰ শৈক্ষিক নীতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। যি প্ৰায় চল্লিশ বছৰ ধৰি বৰ্তি আছিল। ১৮৫৩ চনত যেতিয়া পুনৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাৰ্টাৰ/চনদ নৱীকৰণৰ সময় আহিছিল তেতিয়া বৃটিছ সংসদে ভাৰতীয় শিক্ষাৰ অগ্ৰগতিৰ পুনঃনিৰীক্ষণ কৰিছিল। এই পৰ্যবেক্ষণ আৰু পৰামৰ্শমূলক শুধৰণিসমূহক শিক্ষাৰ চাৰ্টাৰ হিচাপে প্ৰকাশিত হৈছিল যাক উদৰ ঘোষণাপত্ৰ (১৮৫৪)(৮) হিচাপে জনা যায়। উদৰ ঘোষণাপত্ৰক ভাৰতীয় শিক্ষাৰ মেগনাকাৰ্টা হিচাপে গণ্য কৰা হয়।

এই ঘোষণাপত্ৰ এক ব্যাপক প্ৰয়োজনীয় শৈক্ষিক দস্তাৱেজ, যি ভাৰতীয়ৰ শিক্ষাৰ ইতিহাসত অদ্বিতীয় স্থান অধিকাৰ কৰি আছে। ই ভাৰতীয় জনগণৰ শিক্ষাৰ সম্পূৰ্ণ দায়িত্ব কোম্পানীৰ ওপৰত ন্যস্ত কৰিছিল আৰু ইয়াক অৱহেলা নকৰিবলৈ নিৰ্দেশ দিছিল। এই ঘোষণা পত্ৰই ভাৰতীয় শিক্ষাক এক নতুন দিশ প্ৰদৰ্শন কৰিছিল আৰু যাৰ প্ৰভাৱ আজিও দেশৰ শিক্ষা ব্যৱস্থাত পৰিলক্ষিত হয়।

শিক্ষাৰ লক্ষ্য এইটোৱে আছিল যে ইংৰাজী মাধ্যমেৰে ইউৰোপীয় কলা, বিজ্ঞান, দৰ্শন আৰু সাহিত্যৰ সম্প্ৰসাৰণ কৰা। ইয়াৰ লগতে ভাৰতীয় ভাষাসমূহৰ সঞ্চাৰৰ ক্ষেত্ৰত উৎসাহ জনোৱা হৈছিল। “ৰাজহুৱা সেৱা প্ৰদানকাৰী শ্ৰেণী”ৰ সৃষ্টিয়ে আছিল মূল উদ্দেশ্য। আৰু এই লক্ষ্যৰ বাবে গণ/জনশিক্ষাৰ সম্প্ৰসাৰণক অধিক গুৰুত্ব দিয়া হৈছিল। উদৰ ঘোষণা পত্ৰই প্ৰথমবাৰৰ বাবে ৫ খন প্ৰদেশত ৰাজহুৱা নিৰ্দেশনা বিভাগৰ সৃষ্টি সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছিল, যেনে— বেংগল, বোম্বে, মাদ্ৰাজ, পাঞ্জাব, আৰু উত্তৰ পশ্চিম প্ৰদেশ। উচ্চ শিক্ষাৰ বাবে, সম্পূৰ্ণ সাংগঠনিক দিশেৰে বিশ্ববিদ্যালয় স্থাপনৰ আঁচনি হাতত লৈছিল। তেওঁলোকে বিভিন্ন পৰীক্ষা পৰিচালনা কৰিব আৰু বিভিন্ন বিষয় আৰু ভাষাৰ ওপৰত ডিগ্ৰী প্ৰদান কৰিব। আৰু ইয়াৰ ফলতে ১৮৫৭ চনত পোনপ্ৰথমবাৰৰ বাবে কলিকতা, বোম্বে আৰু মাদ্ৰাজত তিনিখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

এই ঘোষণাপত্ৰই শিক্ষাৰ বিভিন্ন দিশত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল, যেনে— সমগ্ৰ ভাৰতত ক্ৰমাগত শিক্ষাৰ জালিকৰ্ম প্ৰৱৰ্তন যে প্ৰাথমিক বিদ্যালয়, উচ্চ বিদ্যালয়, ইণ্টাৰমিডিয়েট, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় ইত্যাদি, বিদ্যালয়ক আৰ্থিক সমৰ্থনৰ বাবে সময়ক অনুদানৰ ব্যৱস্থা, মহিলা/স্ত্ৰীশিক্ষা ব্যৱস্থা, শিক্ষকৰ বৃত্তিগত বিকাশৰ প্ৰশিক্ষণ, মানুহৰ/জনগণৰ বৃত্তিমূলক যোগ্যতাৰ বিকাশৰ বাবে চিকিৎসা, অভিযান্ত্ৰিক, আইন আৰু আন আন অনুষ্ঠানৰ স্থাপন ইত্যাদি।

ভাৰতৰ ভৱিষ্যৎ শিক্ষাৰ বিকাশৰ বাবে উদৰ ঘোষণাপত্ৰই বহুতো প্ৰয়োজনীয়/মূল্যৱান আৰু মৌলিক পৰামৰ্শ আগবঢ়োৱা দেখা গৈছিল। ই বিভিন্ন দিশসমূহক নতুন পথ নিৰ্ণয় কৰি দিছিল যেনে— শিক্ষাৰ উন্নয়ন, শিক্ষাদানৰ মাধ্যম আৰু ভাৰতীয় শিক্ষাৰ বিকাশৰ বাবে ন ন আঁচনিৰ প্ৰস্তাৱ আগবঢ়াইছিল সিসমূহ সুদূৰ ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় আছিল।

এই ঘোষণাপত্ৰৰ মূল দস্তাবেজৰ প্ৰস্তাৱসমূহৰ এক মহান ঐতিহাসিক মূল্য আছিল। এই ঘোষণাপত্ৰই মাধ্যমিক শিক্ষাৰ লগতে কিছু পৰিমাণে প্ৰাথমিক শিক্ষাকো উৎসাহিত কৰিছিল। তথাপি এই ঘোষণাপত্ৰৰ কিছু সংখ্যক মূল পৰামৰ্শক বহু বছৰ ধৰি চলাই নিয়া হোৱা নাছিল আৰু প্ৰকৃতক স্বৰূপ এক বিকৃত ৰূপ দিয়া হৈছিল। এই ঘোষণাপত্ৰৰ প্ৰথম ত্ৰিশ বছৰ সময়ছোৱাত চৰকাৰী অনুষ্ঠানৰ সংখ্যা বৃদ্ধি হৈছিল, কিন্তু কেৱল খ্ৰীষ্টিয়ান মিছনাৰীসকলৰ বাহিৰে আন আন ব্যক্তিগত প্ৰচেষ্টাক উদগনি জনোৱা হোৱা নাছিল।

গণশিক্ষা বিস্তাৰৰ পৰিকল্পনা সিমান গুৰুত্ব দিয়া হোৱা নাছিল তথা কোনো মাতৃভাষা সম্বন্ধীয় উচ্চ বিদ্যালয় প্ৰতিষ্ঠা কৰা হোৱা নাছিল। ই নিষ্ঠাসহকাৰে সাৰ্বজনীন সাক্ষৰতাৰ প্ৰচাৰ কৰা নাছিল। এই ঘোষণাপত্ৰই আনকি এশ বছৰ পিছতো ভাৰতীয় আকাংক্ষাৰ উন্নতিৰ কল্পনা কৰিব পৰা নাছিল। আপোনালোকে জানে যে ১৮৫৭ৰ বিদ্ৰোহৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানী সম্পূৰ্ণভাৱে ভংগ হৈ গৈছিল আৰু চৰকাৰ সম্পূৰ্ণৰূপে বৃটিছৰ শাসনৰ অধীনত আহিছিল আৰু তাৰ ফলস্বৰূপে, সাম্ৰাজ্য বিস্তাৰক অধিক গুৰুত্ব দিয়া হৈছিল আৰু শিক্ষা ব্যৱস্থাক অৱহেলা কৰা হৈছিল।

> আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক - ৩
>
> (ক) উদৰ ঘোষণাপত্ৰৰ দুটা প্ৰধান পৰামৰ্শ উল্লেখ কৰা।
>
> (খ) বৰ্তমান শিক্ষা ব্যৱস্থাৰ কোনটো দিশ উদৰ ঘোষণাপত্ৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল।

**১.৩.৩ হাণ্টাৰ আয়োগ ঃ**

**শিক্ষাৰ বৃত্তিমূলক প্ৰক্ৰিয়া ঃ** উদৰ ঘোষণাপত্ৰৰ কাৰ্যকাৰিতা পৰীক্ষা কৰিবলৈ ১৮৮২ চনত হাণ্টাৰ আয়োগ নিযুক্তি দিয়া হয়, যিয়ে বিদ্যালয় শিক্ষাক দুটা শাখাত বিভক্ত কৰিছিল ঃ এটা বিশ্ববিদ্যালয় অভিমুখী আৰু আনটো বাণিজ্যিক, ব্যৱসায়িক আৰু কাৰিকৰী শিক্ষা(৯)। আৰু এইটোৱে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ বিবিধ ৰূপত সজোৱাৰ প্ৰথম প্ৰচেষ্টা, য'ত বৃত্তিমূলক শিক্ষাক অন্তৰ্ভুক্ত কৰা হৈছিল। সি যিকি নহওক, হাণ্টাৰ আয়োগৰ প্ৰধান বিশেষ পৰামৰ্শসমূহ বিশেষকৈ বাণিজ্যিক, বৃত্তিমূলক আৰু অসাক্ষৰতা শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল, তথাপিও ৰাইজ অথবা চৰকাৰে ইয়াৰ ব্যৱহাৰিক মূল্যৰ পৰামৰ্শসমূহক আদৰি লোৱা নাছিল। আৰু পৰামৰ্শসমূহ সম্পূৰ্ণভাৱে অৱহেলা কৰা হৈছিল। যোৱা ১৫০ বছৰত এই সম্পৰ্কত কোনো বিশেষ কাৰ্য হাতত লোৱা হোৱা নাছিল। আনকি স্বাধীন ভাৰততো একেই অৱস্থা আছিল।

### ১.৩.৪ বিশ্ববিদ্যালয় আয়োগ ঃ

**বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰণৰ অধীনত বিদ্যালয়সমূহ ঃ** বৃটিছৰ শাসন কালত স্থাপিত হোৱা বিশ্ববিদ্যালয়সমূহৰ অৱস্থা আৰু অগ্ৰগতিৰ খতিয়ান ল'বলৈ ১৯০২ চনত এখন নতুন কমিচন নিয়োগ কৰা হয়। এই আয়োগে/কমিচনে বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক দিশৰ পুনঃসংগঠনৰ বাবে পৰামৰ্শ আগবঢ়াইছিল; মহাবিদ্যালয়সমূহৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা কঠোৰ আৰু পদ্ধতিগত পৰ্যবেক্ষণ; অনুমোদনৰ ক্ষেত্ৰত কঠোৰতম নীতি আৰু পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সালসলনি। এই আয়োগৰ পৰামৰ্শ অনুযায়ী বিদ্যালয় শিক্ষাৰ গুৰুত্বতা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত, মাধ্যমিক বিদ্যালয়সমূহক বিশ্ববিদ্যালয় নিয়ন্ত্ৰনাধীন কৰা হৈছিল। ভাৰতীয় বিশ্ববিদ্যালয় এক্ট, ১৯০৪ মতে সকলো বিদ্যালয় বিশ্ববিদ্যালয়ৰ দ্বাৰা মান্যতাপ্ৰাপ্ত হ'ব লাগিব আৰু এই লক্ষ্যত উপনীত হোৱাৰ অৰ্থে নীতি-নিয়মসমূহ গঠন কৰা হ'ব।(১০)

### ১.৩.৫ ছেদলাৰ কমিচন/আয়োগ ঃ

**ইণ্টাৰমিডিয়েট কলেজ ঃ** ছেদলাৰ আয়োগৰ (১৯০৭) মতে দ্বিতীয় সকলোতকৈ জৰুৰী প্ৰয়োজন হৈছে বিশ্ববিদ্যালয় শিক্ষাৰ উন্নতিৰ বাবে মাধ্যমিক শিক্ষাৰ বিকাশ কৰা। মহাবিদ্যালয় পাঠ্যক্ৰমৰ বিভাজন এই আয়োগৰ আন এক চিন্তনীয় বিষয় আছিল। ছেদলাৰ আয়োগে পৰামৰ্শ দিছিল যে উচ্চশিক্ষা ইণ্টাৰমিডিয়েট পৰীক্ষাতে বিভাজিত হ'ব লাগে, মেট্ৰিক পৰীক্ষাত নহয়। আৰু ইয়াৰ লগতে ইণ্টাৰমিডিয়েট কলেজ সৃষ্টিৰ ক্ষেত্ৰতো পৰামৰ্শ আগবঢ়াইছিল যিসমূহে কলা, বিজ্ঞান, চিকিৎসাবিজ্ঞান, অভিযান্ত্ৰিক, শিক্ষণ ইত্যাদিৰ শিক্ষাদান কৰিব আৰু এইসমূহ স্বাধীন অনুষ্ঠান হ'ব অথবা নিৰ্দিষ্ট উচ্চ বিদ্যালয়সমূহৰ লগত সংলগ্ন হৈ থাকিব। এই আয়োগে মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট শিক্ষাৰ ব'ৰ্ড (Board) স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিল যি প্ৰশাসনীয় পৰিচালনা আৰু মাধ্যমিক শিক্ষাৰ নিয়ন্ত্ৰণৰ অৰ্থে সমৰ্পিত কৰা হৈছিল। দৰাচলতে +২ স্তৰৰ ধাৰণা আৰু জুনিয়ৰ কলেজৰ আজিৰ বীজ, ছেদলাৰ আয়োগে ৰোপণ কৰিছিল।

ছেদলাৰ আয়োগৰ ৰিপোৰ্ট এক ব্যাপক প্ৰস্তুতি আছিল আৰু ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ে ইয়াৰ পৰামৰ্শসমূহ মানি চলিছিল। আৰু পোন প্ৰথমবাৰৰ বাবে এখন আয়োগে উচ্চ বিদ্যালয়ৰ লগত ইণ্টাৰমিডিয়েট শ্ৰেণীৰ সংযোজন কৰা আৰু উচ্চবিদ্যালয় আৰু ইণ্টাৰমিডিয়েট শিক্ষাৰ নিয়ন্ত্ৰণৰ অৰ্থে শিক্ষাবোৰ্ডৰ স্থাপন কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।(১২)

### ১.৩.৬ হাৰ্টগ কমিটী ঃ

১৯২৯ চনত দেশৰ শিক্ষাৰ স্থান পুনঃনিৰীক্ষণৰ বাবে হাৰ্টগ কমিটী নিয়োগ কৰা হৈছিল আৰু তেতিয়ালৈকে সমগ্ৰ মাধ্যমিক পাঠ্যক্ৰমৰ মেট্ৰিক পদ্ধতি বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ আছিল। আৰু এই দোষ আঁতৰাবৰ বাবে এই কমিটীয়ে পৰামৰ্শ দিছিল যে যিসকল বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কিছুমান নিৰ্দিষ্ট বৃত্তি অনুসৰণ কৰে তেওঁলোকে মধ্য বিদ্যালয় স্তৰতে সমাপ্ত কৰিব লাগিব আৰু তাৰ বাবে বিদ্যালয়ত আৰু অধিক বিবিধ পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব। ছাত্ৰসকলৰ বেছিভাগকেই মধ্যস্তৰৰ শেষত উদ্যোগিক আৰু বাণিজ্যিক পেছাত নিয়োজিত কৰাৰ পৰামৰ্শও এই আয়োগে দিছিল, য'ত সিহঁতক কাৰিকৰী আৰু উদ্যোগিক বিদ্যালয়ত বিশেষ শিক্ষাৰ বাবে প্ৰস্তুত কৰা হ'ব। এই কমিটী শিক্ষক প্ৰশিক্ষণ

আৰু মাধ্যমিক শিক্ষকৰ বৃত্তিগত অৱস্থাৰ লগত সংলগ্ন অসুবিধাসমূহৰ ওপৰতো আলোকপাত কৰিছিল।

**১.৩.৭ চাপ্ৰু কমিটী ঃ**

**বিবিধ বৃত্তিমূলক পাঠ্যক্ৰম ঃ** উত্তৰ প্ৰদেশ চৰকাৰে ১৯৩৪ চনত চাপ্ৰু কমিটী নিয়োগ কৰিছিল কেৱল মাত্ৰ উত্তৰ প্ৰদেশৰ নিবনুৱা সমস্যাৰ কাৰণসমূহ বাছি উলিয়াবলৈ। আৰু ই এক নিষকৰ্ষত উপস্থিত হৈছিল যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ছাত্ৰসকলক কেৱল পৰীক্ষা আৰু ডিগ্ৰীৰ বাবেহে প্ৰস্তুত কৰে, জীৱনৰ কোনো বৃত্তিৰ বাবে নহয়। এই কমিটী মাধ্যমিক স্তৰত বিবিধ পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তাও অনুভৱ কৰিছিল। ইয়াৰ পৰামৰ্শ সমূহ আছিল যে (১) মাধ্যমিক স্তৰত বিবিধ পাঠ্যক্ৰমৰ আৰম্ভণি আৰু ইয়াৰ এটা বিশ্ববিদ্যালয় অভিমুখী হ'ব লাগে। (২) ইণ্টাৰমিডিয়েট স্তৰক বৰ্জন কৰি, মাধ্যমিক স্তৰ ১ বছৰলৈ বৃদ্ধি কৰিব লাগে। (৩) বৃত্তিমূলক প্ৰশিক্ষণ আৰু শিক্ষা নিম্ন মাধ্যমিক স্তৰৰ সমাপ্তিৰ পিছত আৰম্ভ হ'ব লাগে। (৪) বিশ্ববিদ্যালয় ডিগ্ৰী পাঠ্যক্ৰম তিনি বছৰলৈ বৃদ্ধি কৰিব লাগে।(১৩)

**১.৩.৮ এব'ট-উদৰ ৰিপোৰ্ট ঃ**

**পলিটেকনিক ঃ** ১৯৩৫ চনত চেণ্ট্ৰেল এডভাইজৰী বোৰ্ড অফ এডুকেশ্যনৰ প্ৰস্তাৱ অনুসৰি দুজন বিশেষজ্ঞ উপদেশকাৰী মেছাৰ্ছ এব'ট আৰু উদক, ১৯৩৬ চনত চৰকাৰক বিশেষকৈ বৃত্তিমূলক শিক্ষাৰ সমস্যাসমূহৰ বাবে উপদেশ দিবলৈ নিমন্ত্ৰণ কৰা হৈছিল। এব'ট-উদ ৰিপোৰ্ট, ১৯৩৭ চনত প্ৰস্তুত কৰা হৈছিল, যিয়ে সাধাৰণ শিক্ষাদান অনুষ্ঠানৰ সমান্তৰালকৈ এক সম্পূৰ্ণ অনুক্ৰমিক বৃত্তিগত অনুষ্ঠান স্থাপনৰ পৰামৰ্শ দিছিল। যাৰ পৰামৰ্শৰ ফলস্বৰূপে এক নতুন কাৰিকৰী অনুষ্ঠান, পলিটেকনিকৰ আৰম্ভণি হৈছিল। আৰু এই প্ৰদেশসমূহত কাৰিকৰী, বাণিজ্যিক আৰু কৃষি উচ্চ বিদ্যালয়ে অসাক্ষৰতা পাঠ্যক্ৰমৰ আৰম্ভণি কৰিছিল।(১৪)

**১.৩.৯ জাকিৰ হুছেইন কমিটীৰ ৰিপোৰ্ট ঃ**

**ৱাৰ্ধা আঁচনি ১৯৩৭ - বুনিয়াদী শিক্ষা ঃ** ১৯৩৭ চনত সাতখন প্ৰদেশত, প্ৰাদেশিক চৰকাৰৰ দেশীয় প্ৰতিনিধিৰ দ্বাৰা গঠন হৈছিল তেতিয়া তাৰ মুখ্য আকৰ্ষণ আছিল শিক্ষাৰ সংস্কাৰ। ১৯৩৭ চনৰ অক্টোবৰ মাহত ৱাৰ্ধাত All-India National Educational Conference অনুষ্ঠিত হৈছিল আৰু এই অধিৱেশনত মহাত্মা গান্ধীৰ, ৭ বছৰ বয়সলৈ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ প্ৰস্তাৱনাক গ্ৰাহ্য কৰা হৈছিল, যি মাতৃভাষাৰ দ্বাৰা সমগ্ৰ জাতিভিত্তিক শিক্ষা হ'ব। আৰু এই সময়ছোৱাত শিক্ষাৰ প্ৰক্ৰিয়া কৰ্মভিত্তিক আৰু উৎপাদনমুখী কাৰ্য কেন্দ্ৰিক হোৱাটো বাঞ্চনীয়। এই অধিৱেশনত এইটো আশা কৰা হৈছিল, শিশুৰ পৰিৱেশৰ ওপৰত ভিত্তি কৰি সকলো বিকাশ আৰু প্ৰশিক্ষণ তাৰ সামৰ্থতাৰ বৃদ্ধিৰ বাবে দিয়া হ'ব আৰু ই যিমান সম্ভৱ যৌথভাৱে নিৰ্বাচিত হস্তশিল্পৰ ওপৰত দিয়া হ'ব। এই প্ৰতিৱেশনত এইটোও আশা কৰা হৈছিল যে শিক্ষা ব্যৱস্থা আত্মনিৰ্ভৰশীল হ'ব আৰু ই লাহে লাহে শিক্ষকৰ পাৰিশ্ৰমিক ব্যৱস্থাও কৰা হ'ব।

অনুক্ৰমে, ড° জাকিৰ হুছেইনৰ অধ্যক্ষতাত এখন কমিটী নিয়োগ কৰা হৈছিল। আৰ এই কমিটীয়ে ২ ডিচেম্বৰ, ১৯৩৭ চনত এখন ব্যাপক ৰাষ্ট্ৰীয় শিক্ষা আঁচনিৰ ৰিপোৰ্ট প্ৰস্তুত কৰি দাখিল কৰে, যিখন

ৱাৰ্ধা আঁচনি বা বুনিয়াদী শিক্ষা (১৫) হিচাপে জনাজাত। এই আঁচনিৰ মুখ্য বৈশিষ্ট্যসমূহ হ'ল এনে ধৰণৰ ঃ

(ক) সমগ্ৰ শিক্ষা ব্যৱস্থাৰ মূল নিৰ্দেশনা কেন্দ্ৰ হ'ব লাগে বুনিয়াদী শিল্প যাক উদ্যোগ বা বৃত্তিৰ সহায়ত প্ৰদান কৰা হ'ব। ইয়াৰ ধাৰণা মুক্ত শিক্ষাৰ সৈতে শিল্প শিক্ষা দিয়া নহয় বৰং sumavayৰ সহায়ত যৌথ পদ্ধতিৰে, শিক্ষক হস্তশিল্পৰ লগত সমন্বিত কৰা। ই এক কৰ্ম-কেন্দ্ৰিক শিক্ষা।

(খ) শিক্ষা, শিক্ষকৰ দৰমহা সম্বন্ধিত আত্ম নিৰ্ভৰশীল ধৰণৰ হ'ব লাগে আৰু লগতে ইয়াৰ লক্ষ্য এইটো হ'ব লাগে যে, এই পাঠ্যক্ৰম সমাপ্তিৰ পিছত ছাত্ৰসকলে যাতে আত্মনিৰ্ভৰশীল হ'ব পাৰে।

(গ) প্ৰত্যেক ব্যক্তিয়ে হাতৰ কামৰ দ্বাৰা উপাৰ্জন কৰি নিজৰ জীৱন অতিবাহিত কৰা থাকিব লাগিব। এনেদৰে "শাৰীৰিক শ্ৰমৰ দ্বাৰা শিক্ষক" সমৰ্থন কৰা হৈছিল। এই পদ্ধতিয়ে অহিংসাক সমৰ্থন কৰে সেয়েহে কোনো ব্যক্তিয়ে আন ব্যক্তিৰ জীৱিকা কাঢ়ি আনিব নালাগে।

(ঘ) শিক্ষণক সেয়েহে ঘৰ, সম্প্ৰদায় আৰু শিশুৰ জীৱন ভিত্তিক কাৰ্য্যৰ লগতে গ্ৰাম্য শিল্প আৰু বৃত্তিৰ সৈতে সমন্বয় ঘটাব লাগে।

এই দৰ্শনৰ শৈক্ষিক নীতি নিয়ম আৰু আঁচনি প্ৰস্তুতকৰণত এক বলিষ্ঠ প্ৰভাৱ আছে বিশেষকৈ স্বাধীন ভাৰতৰ সংবিধানত প্ৰাথমিক স্তৰ আৰু বিনামূলীয়া প্ৰাথমিক শিক্ষাই স্থান লাভ কৰাৰ ক্ষেত্ৰত।

**১.৩.১০ ছাৰ্জেণ্ট ৰিপোৰ্ট ঃ**

**প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ ঃ** Central Advisory Board of Education-এ বিশ্বযুদ্ধৰ পিছত শিক্ষাৰ বিকাশ সম্পৰ্কীয় এখন সামগ্ৰিক ৰিপোৰ্ট প্ৰস্তুত কৰিছিল যিখন ১৯৪৪ চনৰ ছাৰ্জেণ্ট ৰিপোৰ্ট নামে জনাজাত (১৬) ই, ৩ৰ পৰা ৬ বছৰ বয়সৰ শিশুৰ প্ৰাক-প্ৰাথমিক শিক্ষাৰ এখন শিক্ষা পদ্ধতি কল্পনা কৰিছিল, যিখন; সাৰ্বজনীন, বাধ্যতামূলক আৰু সকলো শিশুৰ বাবে বিনামূলীয়া প্ৰাথমিক বুনিয়াদী শিক্ষা হ'ব য'ত বয়স ৬-১১ (নিম্ন বুনিয়াদী) আৰু ১১-১৪ (উচ্চ বুনিয়াদী শিক্ষা হ'ব। আৰু এইখন ইতিমধ্যে ৱাৰ্ধা আঁচনিত পৰামৰ্শ আগবঢ়োৱা হৈছিল য'ত বেছিসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ বুনিয়াদী বা মধ্য বিদ্যালয়ে, ছাত্ৰ-ছাত্ৰীৰ অন্তিম স্তৰ হ'ব। এই ৰিপোৰ্টখনে ইয়াকো দৰ্শাইছিল যে, মধ্য বিদ্যালয় স্তৰত বিভিন্ন পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব লাগিব। এই পাঠ্যসমূহ এনেদৰে সজোৱা হৈছিল যাতে ছাত্ৰসকলক ঔদ্যোগিক আৰু বাণিজ্যিক বৃত্তি লগতে বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিব পৰাকৈ প্ৰস্তুত কৰিব পাৰি। আন এটা পৰামৰ্শ আছিল উচ্চ বিদ্যালয় পাঠ্যক্ৰম ৬ বছৰীয়া হ'ব লাগে। বিদ্যালয়ত নামভৰ্তিৰ সাধাৰণ বয়স ১১ বছৰ হ'ব লাগে। উচ্চ বিদ্যালয় প্ৰধানতঃ দুই প্ৰকাৰৰ হ'ব লাগে—

(ক) শৈক্ষিক (Academic)

(খ) কাৰিকৰী।

কিছুমান নিৰ্বাচিত ছাত্ৰৰ বাবে স্নাতক পাঠ্যক্ৰম তিনি বছৰীয়া হ'ব লাগে। দুয়োটাকে উদ্দেশ্য কেৱল ছাত্ৰসকলক এটা ভাল সমবিকাশৰ শিক্ষা দিয়াৰ লগতে যৌথভাৱে শেষৰ স্তৰত জীৱিকাৰ

প্ৰস্তুতিৰ শিক্ষা দিব লাগে, যিটো সিহঁতে বিদ্যালয় এৰাৰ পিছত আৰম্ভণি কৰিব। শিক্ষাদানৰ মাধ্যম মাতৃভাষা হ'ব লাগে যি সকল উচ্চ বিদ্যালয়ৰ বাবে প্ৰযোজ্য হ'ব।

বয়স্ক সাক্ষৰতাৰ পৰিসমাপন প্ৰায় ২০ বছৰীয়া, শিক্ষকৰ সঠিক প্ৰশিক্ষণৰ সম্পূৰ্ণ সুবিধা, শাৰীৰিকভাৱে আৰু মানসিকভাৱে অসক্ষম শিশুৰ সুবিধা, বাধ্যতামূলক শাৰীৰিক শিক্ষাৰ সংগঠন, সামাজিক আৰু আমোদজনক কাৰ্যৰ সুবিধা/ব্যৱস্থা, ৰাজ্য ৩শ কেন্দ্ৰত শিক্ষা বিভাগ খোলা, ইত্যাদিসমূহো ছাৰ্জেণ্ট ৰিপোৰ্টৰ প্ৰস্তাৱনা/পৰামৰ্শ আছিল।

ছাৰ্জেণ্ট ৰিপোৰ্টে হৈছে প্ৰথম বহলভিত্তিক ৰিপোৰ্ট য'ত শিক্ষাৰ সকলো দিশ আৰু স্তৰক সাঙুৰি লোৱা হৈছে— প্ৰাক-প্ৰাথমিক, প্ৰাথমিক, উচ্চ বিদ্যালয় আৰু বিশ্ববিদ্যালয় শিক্ষাৰ লগতে কাৰিকৰী, বৃত্তিমূলক আৰু পেছামূলক শিক্ষা। ই সকলো ছাত্ৰ-ছাত্ৰীকে সমান সুবিধা প্ৰদান কৰিছিল। শিক্ষকতা বৃত্তিক প্ৰধান গুৰুত্ব দিয়া হৈছিল। শিক্ষকৰ দৰমহাৰ নিৰীখ আৰু সেৱা ব্যৱস্থাৰ উন্নীতকৰণৰ বাবেও পৰামৰ্শ আগবঢ়োৱা হৈছিল। এই ৰিপোৰ্টে উৎপাদনমুখী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। ই দেশৰ নিবনুৱা সমস্যাৰ বিষয়ে চিন্তান্বিত হৈছিল আৰু ভাবিছিল যে শিক্ষাই ইয়াৰ সমাধান কৰিব। এই প্ৰস্তাৱনাই স্বাধীন ভাৰতত শিক্ষাৰ ক্ষেত্ৰত ভেটি সুদৃঢ় কৰি থৈ গৈছিল।

### ১.৪ সামৰিক/সাৰাংক্ষ ঃ

**এইটো এই পাঠ্যক্ৰমৰ প্ৰথম গোট ঃ** "ভাৰতত প্ৰাথমিক শিক্ষা ঃ এক সামাজিক-সাংস্কৃতিক দৃষ্টিভংগী যিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাক প্ৰাচীন ভাৰতৰ পৰা আৰম্ভ কৰি প্ৰাক-স্বাধীনতাৰ কালছোৱালৈকে বৰ্ণনা কৰিছে। এই গোটটোৱে ভাৰতত বৈদিক যুগত চলা শিক্ষা ব্যৱস্থাৰ এক চমু আভাষ দিছে। সেই সময়ৰ শিক্ষা ব্যৱস্থাক অধিক গুৰুত্ব দিয়া হৈছে আৰু জ্ঞানক তৃতীয় চকু সমশক্তি বুলি ধাৰ্য কৰিছে। নিঃসন্দেহে শিক্ষাৰ অন্তিম লক্ষ্য হৈছে নিজকে আন সকলো বাসনা আৰু তৃষ্ণাৰ বঞ্চনৰ পৰা মুক্তি দিয়া। ইয়াৰ বাহিৰেও ব্যক্তিৰ সকলো দিশতে যোগ্যতা বৃদ্ধি কৰি যাতে সাংসাৰিক কাৰ্য সুকলমে পালন কৰিব পাৰে। জ্ঞান, দক্ষতাৰ পৰা পাব পাৰি, আধ্যাত্মিকতা বোধৰ বাবে, চৰিত্ৰ গঠন, ব্যক্তিত্বৰ বিকাশ, সৃষ্টিশীল, সংৰক্ষণ আৰু সংস্কৃতিৰ প্ৰচাৰ, ইত্যাদি সমূহ আন আন লক্ষ্য আৰু উদ্দেশ্য আছিল, প্ৰাচীন ভাৰতীয় শিক্ষাৰ।

শিক্ষা, গুৰুকুল সমূহত দিয়া হৈছিল, যিসমূহ আবাসিক এলেকাৰ পৰা কিছু নিলগত আছিল। গুৰুৱে সকলো ছাত্ৰকে সিহঁতৰ সামাজিক স্বীকৃতি নিৰ্বিশেষে, সমান জ্ঞান কৰিছিল। গুৰুৰ স্থান, সমাজত সকলোতকৈ উচ্চ আছিল। গুৰুজনক, প্ৰত্যেক ছাত্ৰৰ শিক্ষাৰ সংৰক্ষক হিচাপে গণ্য কৰা হৈছিল। শিক্ষাদান প্ৰধানত, শিক্ষক আৰু ছাত্ৰৰ মাজত একপ্ৰকাৰৰ মৌখিক সংলাপ ধৰণৰ আছিল। ব্যাখ্যা, আলাচনা, তৰ্ক-বিতৰ্ক, আবৃত্তি আদিসমূহ ছাত্ৰজীৱনৰ অংশ আছিল। গুৰুকুল পদ্ধতি মধ্যযুগলৈ বৰ্তি আছিল। সমসাময়িকভাৱে মছজিদত মুছলমান ছাত্ৰসকলৰ বাবে মকতাব আৰু মাদ্ৰাছাসমূহ স্থাপন কৰা হৈছিল। ইছলাম ধৰ্মীয় শিক্ষা মৌলা আৰু মৌলবীসকলৰ দ্বাৰা দিয়া হৈছিল। মধ্যযুগৰ সময়ত মিছনাৰীসকলে আৰু বিভিন্ন ধৰ্মীয় দলসমূহে ভাৰতত বুনিয়াদী শিক্ষাৰ প্ৰৱৰ্তন কৰিছিল। গীৰ্জাঘৰত ইংৰাজীৰ দ্বাৰা, দেশীয় মন্দিৰ আৰু বিদ্যালয়ত সংস্কৃতৰ দ্বাৰা, মাছজিদত পাৰ্চী ভাষাৰ দ্বাৰা শিক্ষাদান চলিছিল কেৱল ইষ্টইণ্ডিয়া কোম্পানী আৰু বৃটিছ সংসদ স্থাপিত হোৱাৰ সময়লৈকে। যি কি নহওক,

বৰ্তমান ভাৰতৰ শিক্ষা ব্যৱস্থা, ১৯৩৫ চনৰ লৰ্ড মেক'লেৰ উৎপত্তি বুলি ক'ব পাৰি। মেক'লে ইংৰাজীৰ বিপৰীতে দেশীয় ভাষাসমূহক প্ৰত্যাখ্যান কৰিছিল। যদিও মেক'লে ভাৰতত ৪ বছৰৰ কাৰণেহে আছিল, তথাপিও তেওঁৰ কৰ্মৰাজিয়ে ভাৰতৰ মিলিয়ন জনগণৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰি গৈছিল।

এই গোটটোকে পিছলৈ উদৰ ঘোষণাপত্ৰৰ (১৯৫৩) বিষয়ে আলোচনা আগবঢ়াইছে যিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সাংগঠনিক দিশটো সুদৃঢ় কৰিছিল। উদৰ ঘোষণাপত্ৰ এখন ব্যাপক শৈক্ষিক দস্তাবেজ, যাৰ ভাৰতীয় ইতিহাসত এক অদ্বিতীয় স্থান আছে।

এই গোটৰ শেষৰফালে হাণ্টাৰ আয়োগৰ (১৯৮২) পৰামৰ্শসমূহ দিয়া হৈছে য'ত মুখ্যতঃ ভাৰতীয় শিক্ষাক বৃত্তিমূলক শিক্ষালৈ ৰূপান্তৰিত কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। ইয়াৰ পিছত বিশ্ববিদ্যালয় আয়োগ (১৯০২) সম্পৰ্কে চমু বিৱৰণী দিয়া হৈছে। যাৰ প্ৰধান লক্ষ্য আছিল মাধ্যমিক বিদ্যালয়সমূহক বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰণৰ অধীনত কৰা। এই গোটটোতে হাৰ্টগ কমিটীৰ পৰামৰ্শসমূহ, চাপ্ৰু কমিটী, এব'ট-উদ কমিটী, জাকিৰ হুছেইন কমিটী ৰিপোৰ্ট (১৯৩৭ৰ ৱাৰ্ধা আঁচনি) আৰু ছাৰ্জেণ্ট ৰিপোৰ্ট প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত) ইত্যাদি বহলাই আলোচনা কৰা হৈছে। এইটো আটাইতকৈ লক্ষ্যণীয় বিষয় যে ছাৰ্জেণ্ট ৰিপোৰ্টেই হৈছে এক সামগ্ৰিক আঁচনি যিয়ে শিক্ষাৰ সকলো দিশ আৰু স্তৰক সাঙুৰি লৈছিল। এই ৰিপোৰ্টখনেই স্বাধীন ভাৰতৰ শিক্ষাৰ ভেটি সুদৃঢ় কৰি থৈ গৈছিল।

**১.৫ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি ঃ**


১। Altekar A.S. (1951) Education in Ancient India, Nand Kishore & Bros. Educational Publishers (Fourth Edition), Banaras.

২। Govt. of India (1965) Minute by the Hon'ble T.B. Macaulay, dated the 2nd February 1835; Bureau of Education. Selections from Educational Records, Part I (1781-1839). Edited by H. Sharp. Calcutta : Superintendent, Government Printing, 1920 (Reprint) Delhi : National Archives of India, 1965 107-117.

৩। Macaulay's Minute, 1835, Ibid, (p.-10)

৪। Macaulay's Minute, 1835, Ibid, (p. 12)

৫। Macaulay's Minute, 1835, Ibid, (p. 24)

৬। Macaulay's Minute, 1835, Ibid, (p. 34)

৭। Education Commissions and Committees in Retrospect, httpi//www.education.nic.in/ed 50 years/g/w/16/ow 16031. htm (retreived on 15.08.2011

৮। Report of the University Education Commission, (Radhankrishnan Commission), 1948-49. vol. I, pp. 20-21. see also Report of the secondary Education Commission, (Mudaliyar Commission), 1952, p. 11.

৯। Report of the University Education Commission, vol. I, op, cit,, pp. 22-23 and Report of the secondary Education Commission, op. cit pp. 11-13 see also.

১০। Mukherji, S.N. (1966) : History of Education in India (pp. 167-68).

১১। Mukherji, op. cit, (pp. 187-189)

১২। Ibid. (pp. 13-14)

১৩। Report of the Secondary Education, Commission, Op. cit. (pp 14-15)

১৪। Nurullah syed and Naik J.P. (1951) : "A History of Education in India." Macmillian, Bombay.

১৫। Chaube, S.P., "History of Indian Education," Vinod Pustak Mandir, Agra, 2005.

১৬। Wardha Education Sheme, 1937. http :// www. education. nic. in/ed 50 years/g/ 52/40/524 UO101. htm.

১৭। The Sargent Report (1944) in RamNath Sharma, Rajendra Kumar Sharma (1996), History of Education in India, Atlantic Publishers & Distribution, ISBN 8171565999, http://books.google.com/zid=yqt AAgS3NSEC.

১৮। http://en.wikipedia.org/wiki/Magnacarta.

## ১.৬ গোট-সমাপ্তিৰ অনুশীলনী

১. এজন পেছাদাৰী শিক্ষক হিচাপে, প্ৰাচীন গুৰুসকলৰ কোনটো গুণক আপোনালোকে অভ্যাস/অনুসৰণ কৰিব? আৰু কিয়? তিনিটা গ্ৰহণযোগ্য কাৰণ দৰ্শাওক। আপুনি আপোনাৰ পেছাদাৰী জীৱনত, এজন শিক্ষক হ'বলৈ কি উপায় অৱলম্বন কৰিব?

২. এখন নতুন প্ৰাথমিক বিদ্যালয়ৰ প্ৰয়োজনীয়তা সম্পৰ্কত, আপুনি আপোনাৰ স্থানীয় ক্ষেত্ৰত এক জৰীপ কৰক। বেছি ভাগ পিতৃ মাতৃয়ে কেনো ধৰণৰ বিদ্যালয় বিচাৰে, তাক বাচি উলিয়াওঁক। তেওঁলোকৰ নিৰ্বাচনৰ কাৰণসমূহ বাচি উলিয়াওঁক আৰু এনে বিদ্যালয় স্থাপন কৰাৰ উদ্দেশ্য পৰামৰ্শ আগবঢ়াওক।

# গোট ২ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থা/পদ্ধতি-II

গঠন ঃ

২.০ পৰিচয়

২.১ শিক্ষণীয় উদ্দেশ্য

২.২ স্বাধীনোত্তৰ কালছোৱা শিক্ষা আয়োগ/কমিটীসমূহৰ পৰামৰ্শসমূহ

১.২.১ ৰাধাকৃষ্ণণৰ আয়োগ (১৯৪৮-৪৮)

১.২.২ মুদালিয়াৰ আয়োগ (১৯৫২)

১.২.৩ স্ত্রী-শিক্ষাৰ ওপৰত ৰাষ্ট্রীয় কমিটী, ১৯৫৮ ঃ দুৰ্গাবাঈ দেশমুখ কমিটী।

১.২.৪ কোঠাৰী আয়োগ (১৯৬৪-৬৬)

১.২.৫ যশপাল কমিটী (১৯৯২)

২.৩ ৰাষ্ট্রীয় শিক্ষা নীতি (NPEs)

২.৩.১ ৰাষ্ট্রীয় শিক্ষানীতি (১৯৬৮)

২.৩.২ ৰাষ্ট্রীয় শিক্ষানীতি ১৯৮৬

২.৩.৩ প্ৰাথমিক শিক্ষাৰ চিন্তনীয় বিষয়সমূহ

২.৪ ৮ বছৰীয়া প্ৰাথমিক শিক্ষাৰ গাঁথনি

২.৫ বিদ্যালয় পাঠ্যক্ৰমৰ ৰূপৰেখা

২.৫.১ ৰাষ্ট্রীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫

২.৫.২ প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ ওপৰত প্ৰভাৱ

২.৬ সামৰণি/সাৰাংশ

২.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি

২.৮ গোট-সমাপ্তিৰ অনুশীলনী

# ভাৰতীয় শিক্ষা ব্যৱস্থা/পদ্ধতি-II

**২.০ পৰিচয় ঃ**

প্ৰথম গোটটোত আমি প্ৰাচীন ভাৰতীয় শিক্ষাৰ ধাৰণা আৰু ব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰিলো লগতে, গুৰু অথবা শিক্ষকৰ ধাৰণা, বৈশিষ্ট্য আৰু দায়িত্ব সম্পৰ্কে আলোচনা কৰিলো। ইয়াৰ লগতে প্ৰাক্-স্বাধীনতা কালছোৱাত শিক্ষাৰ উৎপত্তি সম্পৰ্কে অধ্যয়ন কৰিলো। স্বাধীনতাৰ পিছত, প্ৰধানত গুৰুত্ব কেৱল স্বাধীন জাতিক, স্বাধীন দেশত যাতে এখন উপযুক্ত শিক্ষা ব্যৱস্থা প্ৰস্তুত কৰি তুলিব পাৰি তাকেই প্ৰাধান্য দিয়া হৈছিল। ভাৰতৰ সংবিধান ২৬ জানুৱাৰী, ১৯৫০ চনত বলৱৎ হৈছিল যে “সংবিধান বলৱৎ হোৱাৰ ১০ বছৰৰ ভিতৰত সকলো শিশুৱে ১৪ বছৰ প্ৰাপ্ত হোৱালৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাটো ৰাজ্যৰ (চৰকাৰ) দায়িত্ব।”

এই গোটটোৰ দ্বাৰা আপোনালোকে ভাৰত চৰকাৰৰ দ্বাৰা নিয়োজিত বিভিন্ন দিশসমূহক সাঙুৰি লৈ, শিক্ষা ব্যৱস্থা উন্নীতকৰণৰ বাবে আৰু দেশত এখন প্ৰভাৱশালী শিক্ষা ব্যৱস্থা স্থাপনৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। তাৰ প্ৰধান দিশসমূহ তলত দিয়া চিত্ৰত দেখুওৱা হৈছে—




চিত্ৰ ২.১. স্বাধীনোত্তৰ কালত প্ৰাথমিক শিক্ষা-প্ৰসংগত মুখ্য ভাৰতীয় আয়োগসমূহ

আপোনালোকে জানিব যে এই কমিচন বা কমিটীসমূহৰ পৰামৰ্শসমূহৰ বৰ্তমান আধুনিক যুগৰ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আঁচনি, গঠন আৰু বিকাশত উল্লেখনীয় অৱদান আছে। ভাৰতীয় শিক্ষাৰ এই ক্ৰমবিকাশ বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত, এই গোটটোত আলোচনা কৰা হ'ব।

সময়ে সময়ে ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থা বিশেষকৈ প্ৰাথমিক শিক্ষাৰ অগ্ৰগতি (যেনে— ঃ ১৯৬৮ চনত ১৯৮৬ আৰু ১৯৯২ চনত () ২০০৫) আৰু নতুন আঁচনি প্ৰস্তুতকৰণত অধিক গুৰুত্ব আৰোপ কৰিছিল। এই আঁচনিসমূহৰ প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণ আৰু প্ৰচাৰৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত লাভদায়ক প্ৰভাৱ আছে। আমি এই গোটটোত সেই সমূহো আলোচনা কৰিম।

**২.১ শিক্ষণীয় উদ্দেশ্য ঃ**

এই গোটৰ শেষত আপোনালোকে জানিব যে ঃ

- ➢ বিভিন্ন শিক্ষা আয়োগৰ ঐতিহাসিক গুৰুত্বতাৰ ওপৰত বিশ্লেষণ,
- ➢ কোঠাৰী আয়োগৰ পৰামৰ্শসমূহৰ অদ্বিতীয় বৈশিষ্ট্যসমূহৰ বৰ্ণনা,
- ➢ বিভিন্ন আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহৰ কাৰ্যৰ প্ৰভাৱকাৰিতাৰ পৰীক্ষা/মূল্যয়ন,
- ➢ বৰ্তমানৰ শিক্ষা-নীতিৰ মূল বৈশিষ্ট্যসমূহৰ ব্যাখ্যা,
- ➢ বিভিন্ন নীতিৰ প্ৰাসংগিকতাৰ বাবে তেওঁলোকে আগবঢ়োৱা বিভিন্ন লক্ষ্যসমূহৰ পৰীক্ষা,
- ➢ ৰাষ্ট্ৰীয় শিক্ষা-নীতিৰ অৱদানৰ বৰ্ণনা তথা ইয়াৰ UEEৰ ওপৰত প্ৰভাৱ,
- ➢ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ৰ মূল্যায়ন,
- ➢ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ৰ নিহিত অৰ্থৰ ব্যাখ্যা আৰু কাৰ্য পৰিকল্পনা (Plan of Action)ৰ বাবে পৰামৰ্শ আগবঢ়োৱা আৰু
- ➢ প্ৰাথমিক শিক্ষাৰ ৮ বছৰীয়া গঠন সম্পৰ্কে সমালোচনাত্মক পৰীক্ষা (৫ বছৰীয়া প্ৰাথমিক আৰু ৩ বছৰীয়া উচ্চ প্ৰাথমিক)

**২.২.১ ৰাধাকৃষ্ণণন আয়োগ (১৯৪৮-১৯৪৯) ঃ**

ভাৰত চৰকাৰৰ দ্বাৰা বিশ্ববিদ্যালয় শিক্ষা আয়োগ ১৯৪৮ চনত ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ অধ্যক্ষতাত নিয়োগ কৰা হৈছিল, বিশেষকৈ বিশ্ববিদ্যালয় শিক্ষাৰ সমস্যাসমূহৰ পৰ্যবেক্ষণ কৰিবলৈ। বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় বিকাশৰ বাবে যুৱ নেতৃত্বতাৰ প্ৰয়োজন পূৰণ কৰিবলৈ ইয়াক নিয়োগ কৰা হৈছিল। আৰু ইয়াকো আশা কৰা হৈছিল যে এই নেতৃত্ব কেৱল শিক্ষিত যুৱ-প্ৰজন্মৰ পৰাহে আশা কৰিব পাৰি। ৰাধাকৃষ্ণনৰ আয়োগে বিশ্ববিদ্যালয় শিক্ষা আৰু গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ক্ষেত্ৰত, প্ৰয়োজনমূলক পৰিৱৰ্তনৰ সপক্ষে উল্লেখনীয় পৰামৰ্শ আগবঢ়াইছিল; সংবিধানত, নিয়ন্ত্ৰণ, কাৰ্য, বিশ্ববিদ্যালয়ৰ অধিকাৰীক ক্ষেত্ৰ ঃ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ লগত সিহঁতৰ সম্বন্ধ; অৰ্থব্যৱস্থা, নামভৰ্তিৰ উপযুক্ত ব্যৱস্থা, শিক্ষাদান, পৰীক্ষা, অধ্যয়নীয় বিষয়, পাঠ্যক্ৰমৰ সময়সূচী, অনুচিত বিভেদ, শিক্ষাদানৰ মাধ্যম, ভাৰতীয় সংস্কৃতি, ভূগোল, সাহিত্য, ভাষা, দৰ্শন আৰু ললিত কলা ইত্যাদিৰ উন্নত অধ্যয়নৰ সুবিধাৰ ব্যৱস্থা 'দেশত উচ্চ শিক্ষাৰ বিকাশৰ বাবে এই আয়োগে বিশ্ববিদ্যালয় অনুদান আয়োগ স্থাপিত কৰাৰ পৰামৰ্শ তাৎক্ষণিকভাৱে দিছিল। এই পৰামৰ্শসমূহ গ্ৰহণ কৰি কাৰ্যকৰী কৰা

হৈছিল যিয়ে দেশত উচ্চ শিক্ষাক এক নতুন দিশ প্ৰদৰ্শন কৰিছিল। যদিও এইসমূহৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰত্যক্ষ প্ৰভাৱ নাছিল তথাপিও এই পৰামৰ্শসমূহৰ, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ভেটি গঢ় দিয়া, প্ৰাথমিক শিক্ষাৰ দৰ্শন আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সম্পূৰ্ণ প্ৰভাৱ দেখা গৈছিল।

**২.২.২ মুদালিয়াৰ আয়োগ (১৯৫২-৫৩) ঃ**

ভাৰত চৰকাৰে ১৯৫২ চনত ড° এ. লক্ষ্মণস্বামী মুদালিয়াবৰ তত্ত্বাৱধানত মাধ্যমিক শিক্ষা আয়োগ গঠন কৰে। ইয়াৰ প্ৰধান লক্ষ্য আছিল দেশত চলি থকা মাধ্যমিক শিক্ষা ব্যৱস্থাৰ পৰীক্ষা কৰা, মাধ্যমিক শিক্ষাৰ বিষয়বস্তু, লক্ষ্য আৰু সংগঠনৰ প্ৰসংগত পুনঃগঠন আৰু উন্নীতকৰণৰ ক্ষেত্ৰত পৰামৰ্শমূলক উপায় আগবঢ়োৱা, আৰু মাধ্যমিক শিক্ষাৰ প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ লগত থকা সম্পৰ্ক আৰু বিভিন্ন ধৰণৰ মাধ্যমিক বিদ্যালয়ৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰা। মুদালিয়াৰ আয়োগে শিক্ষকৰ সমস্যা আৰু শিক্ষক প্ৰশিক্ষণৰ কাৰ্যসমূহৰ বিশ্লেষণ কৰিছিল। আৰু পৰামৰ্শ দিছিল যে তাত দুই ধৰণৰ শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান থাকিব লাগে।

(i) প্ৰাথমিক শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান, যি এখন পৃথক বোৰ্ডৰ নিয়ন্ত্ৰণত থাকিব লাগে— সেইসকলক প্ৰশিক্ষণ দিব যিসকলে বিদ্যালয় সমাপ্তি প্ৰমাণপত্ৰ অথবা দুবছৰীয়া মাধ্যমিক বিদ্যালয় সমাপ্তি প্ৰমাণ-পত্ৰ উত্তীৰ্ণ হৈছে।

(ii) মাধ্যমিক শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানসমূহ বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু অনুমোদিত হ'ব লাগিব— য'ত এটা শৈক্ষিক বছৰযোৰা প্ৰশিক্ষণ স্নাতকসকলক দিয়া হ'ব। যাক দুবছৰলৈ বৃদ্ধি কৰা পৰিকল্পনা কৰি থকা হৈছিল।

শিক্ষক প্ৰশিক্ষাৰ্থীৰ পৰা প্ৰশিক্ষণ লোৱাৰ ক্ষেত্ৰত এটা বা এটাতকৈ বেছি বিভিন্ন সহঃপাঠ্যক্ৰমিক কাৰ্যাৱলীৰ ওপৰত প্ৰশিক্ষণ লোৱাৰ আশা কৰা হৈছিল। প্ৰশিক্ষণ মহাবিদ্যালয়সমূহৰ পৰা সিহঁতৰ সাধাৰণ কাৰ্যৰ লগতে পূৰ্ণচৰ্চাৰ পাঠ্যক্ৰম, কিছুমান বিশেষ বিষয়ত চুটি-গ্ৰহণ পাঠ্যক্ৰম, ব্যৱহাৰিক প্ৰশিক্ষণ-কৰ্মশালাৰ জৰিয়তে দিয়া আৰু বৃত্তিমূলক সন্মিলন আদিৰ অনুষ্ঠিত কৰাৰ আশা কৰা হৈছিল।

ইয়াৰ লগতে প্ৰশিক্ষণ মহাবিদ্যালয়সমূহৰ পৰা ইয়াকো আশা কৰা হৈছিল যে তেওঁলোকে শিক্ষাদান শৈলীৰ (Pedagogy) বিভিন্ন দিশৰ ওপৰত বিভিন্ন প্ৰয়োজনীয় গৱেষণামূলক কাৰ্য সম্পন্ন কৰিব আৰু ইয়াৰ বাবে পৰীক্ষামূলক বিদ্যালয় থাকিব। আয়োগে বিনামূলীয়া প্ৰশিক্ষণ তথা আবাসিক সুবিধাৰ সমৰ্থনত পৰামৰ্শ আগবঢ়াইছিল।

এই পৰামৰ্শসমূহৰ শিক্ষণ প্ৰশিক্ষণৰ ক্ষেত্ৰত বিশেষকৈ কৰ্মকালীন শিক্ষকসকলক সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ আছে, যিসকলে প্ৰশিক্ষণ ল'বলৈ আহে।

**২.২.৩ স্ত্ৰী-শিক্ষাৰ ৰাষ্ট্ৰীয় আয়োগ কমিটী, ১৯৫৮ (দুৰ্গাবাঈ দেশমুখ কমিটী) ঃ**

ছোৱালী আৰু স্ত্ৰী-শিক্ষাৰ সমস্যাসমূহ, স্বাধীনতাৰ পিছত বিশেষ গুৰুত্ব লাভ কৰিছিল কাৰণ দেশখনৰ প্ৰায় অৰ্ধ শতাধিক জনগণ মহিলা আছিল। কিন্তু আপোনালোকে জানে যে পৰম্পৰাগতভাৱে ভাৰতীয় সমাজত স্ত্ৰী-শিক্ষা বিষয়টো অধিক গুৰুত্ব দিয়া হোৱা নাছিল। ১৯৫৭ চনৰ জুলাই মাহত পৰামৰ্শ দিছিল যে "প্ৰাথমিক, মাধ্যমিক আৰু প্ৰাপ্তবয়স্ক স্তৰত শিক্ষাৰ বৈশিষ্ট্যৰ বিভিন্ন দিশসমূহৰ

প্ৰসংগত উত্থাপিত হোৱা প্ৰশ্নসমূহৰ যথাযথ উত্তৰৰ বাবে এক উপযুক্ত কমিটী নিয়োগ কৰা হ'ব যিয়ে মহিলাসকলৰ বৰ্তমানৰ শিক্ষাব্যৱস্থাক পৰীক্ষা কৰি সেইসমূহ জীৱনক অধিক প্ৰয়োজনীয় সুখী কৰি তুলিব। ১৯৫৭ চনত হোৱা ৰাজ্যিক শিক্ষামন্ত্ৰীসকলৰ সন্মিলনতো এখন বিশেষ আয়োগ, স্ত্ৰী-শিক্ষাৰ লগত জড়িত সম্পৰ্ণ প্ৰশ্নসমূহৰ পৰীক্ষা কৰিবলৈ কৰিবলৈ নিয়োগ কৰা হৈছিল। সেই মতে, ভাৰত চৰকাৰে ১৯৫৮ চনত স্ত্ৰীমতী দুৰ্গাবাঈ দেশমুখৰ অধ্যক্ষতাত এখন স্ত্ৰী-শিক্ষাৰ ওপৰত ৰাষ্ট্ৰীয় কমিটী গঠন কৰি দিয়ে। এই কমিটীয়ে ইয়াৰ ১৯৫৯ ৰিপোৰ্টত পৰামৰ্শ দিয়ে যে আটাইতকৈ প্ৰধান গুৰুত্ব ল'ৰা-ছোৱালী শিক্ষাৰ সমানতাৰ ওপৰতহে দিব লাগে। আৰু কেন্দ্ৰৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা ইয়াৰ লগত জড়িত সমস্যাসমূহৰ মুখামুখী হ'বলৈ কঠোৰ বা যৎপৰোনাস্তি চেষ্টা কৰাটো প্ৰয়োজনীয়। ই সহঃশিক্ষাৰ মধ্যস্তৰলৈ পৰামৰ্শ দিছিল য'ত ছোৱালীসমূহৰ প্ৰয়োজনীয় বিবিধ পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব লাগিব। এই কমিটীয়ে বিচাৰিছিল যে মাতৃসকলৰ বাবে সম্পূৰ্ণ সুবিধা, ক্ৰেচ, মহিলা শিক্ষকৰ প্ৰশিক্ষণ আৰু প্ৰাপ্তবয়স্ক মহিলাসকলৰ বাবে নিয়োগ ব্যৱস্থাৰ সুবিধা প্ৰদান কৰা।

সেই মৰ্মে, ছোৱালী শিশুৰ শিক্ষা আৰু স্ত্ৰী-শিক্ষায়িত্ৰীৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত বিশেষকৈ প্ৰাথমিক স্তৰত এই কমিটীয়ে বিভিন্ন নীতি আৰু ব্যৱস্থাৰ সুবিধা প্ৰদান কৰিছিল।

**২.২.৪. কোঠাৰী আয়োগ (১৯৬৪-৬৬) ঃ**

অসংখ্য কমিটী আৰু কমিচনৰ পৰামৰ্শসমূহ থকা সত্বেও, শিক্ষাত পৰিৱৰ্তন অনাৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা চলি আছিল। দেশৰ শিক্ষাৰ অগ্ৰগতিত ভাৰত চৰকাৰ সন্তুষ্ট নাছিল এখন ব্যাপক শিক্ষানীতিৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰিছিল যিয়ে শিক্ষাৰ সকলো দিশকে সাঙুৰি ল'ব। আৰু সেইমৰ্মে ভাৰত চৰকাৰ ড° দৌলত সিং কোঠাৰীৰ নেতৃত্বত ১৯৬৪ চনৰ এখন শিক্ষা আয়োগ গঠন কৰে। যিয়ে চৰকাৰক শিক্ষাৰ ৰাষ্ট্ৰীয় ধাৰাৰ ওপৰত পৰামৰ্শ দিব আৰু শিক্ষাৰ সকলো দিশ আৰু স্তৰৰ বিকাশৰ বাবে সাধাৰণ নীতিৰ পৰামৰ্শ আগবঢ়াব।

এই আয়োগে শিক্ষাৰ পৃথক ক্ষেত্ৰত ১২ টা কাৰ্য দল গঠন কৰিছিল যেনে ঃ বিদ্যালয় শিক্ষা ইত্যাদি আৰু বহুতো বিশেষ সমস্যাৰ গভীৰ অধ্যয়নৰ বাবে আৰু ৰিপোৰ্ট কৰিবৰ বাবে ৭ টা কৰ্মী দল গঠন কৰিছিল। কাৰ্যদল (Task Force) আৰু কৰ্মী দলে (Working দল) আয়োগক কিছুমান দৰকাৰী বিষয়ৰ গভীৰ আৰু বিস্তাৰ ৰিপোৰ্ট আগবঢ়াইছিল। কমিচনে শিক্ষাক সামাজিক পুনঃগঠনৰ প্ৰধান আহিলা হিচাপে গণ্য কৰিছিল। আৰু সৰ্বসাধাৰণ ৰাইজক চৰকাৰক দেশ গঢ়াৰ আৰু বিকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ সজাগতাৰ সৃষ্টি কৰিছিল। এই আয়োগে বিচাৰিছিল যে সকলো মানুহে দেশৰ বিকাশত অংশগ্ৰহণ কৰিব লাগে আৰু এইটো কোঠাৰী আয়োগৰ ৰিপোৰ্টৰ ভেটি আছিল।

তলত দিয়াসমূহ আয়োগে পৰ্যবেক্ষণ কৰা শিক্ষাৰ প্ৰধান লক্ষ্য আৰু তাত উপনীত হোৱাৰ পৰামৰ্শঃ

**১। উৎপাদনশীল বৃদ্ধিৰ বাবে শিক্ষা ঃ**

(ক) বিজ্ঞানক শিক্ষা আৰু সংস্কৃতিৰ বুনিয়াদী উপাদান হিচাপে ৰূপায়ণ কৰা।

(খ) সাধাৰণ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ হিচাপে S.U.P.W.ক উপস্থাপন কৰা। (Socially

Useful Productive work) সামাজিকভাৱে উপযোগী উৎপাদনমুখী কৰ্ম।

(গ) কৃষি উদ্যোগৰ চাহিদা পুৰণৰ অৰ্থে শিক্ষাক বৃত্তিমুখী কৰি তোলা।

(ঘ) বিশ্ববিদ্যালয়ত বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণা আৰু শিক্ষাৰ বিকাশ।

**২। আধুনিকীকৰণ প্ৰক্ৰিয়া দৃঢ়তৰ কৰাৰ বাবে শিক্ষা ঃ**

(ক) শিক্ষাদানৰ নতুন পদ্ধতি অৱলম্বন কৰা।

(খ) আচৰণ/দৃষ্টিভংগী মূল্য আৰু প্ৰয়োজনীয় কৌশলৰ বিকাশ যেনে— স্ব-অধ্যয়ন।

(গ) সমাজৰ সকলো স্তৰৰ ব্যক্তিকে শিক্ষিত কৰা।

(ঘ) বৃত্তিমূলক বিষয় আৰু বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া।

(ঙ) দেশত উৎকৃষ্ট বিশ্ববিদ্যালয়ৰ স্থাপন।

**৩। সামাজিক আৰু জাতীয় ঐক্যতা প্ৰচাৰৰ বাবে শিক্ষা ঃ**

(ক) ৰাজহুৱা শিক্ষাৰ বাবে সাধাৰণ (common) বিদ্যালয় পদ্ধতিৰ আৰম্ভণি।

(খ) সকলো আধুনিক ভাৰতীয় ভাষাৰ বিকাশ।

(গ) যিমান সম্ভৱ সোনকালে হিন্দী ভাষাৰ সমৃদ্ধতা বৃদ্ধিৰ ওপৰত স্থিতি অৱলম্বন কৰা।

(ঘ) ছাত্ৰ-ছাত্ৰীসকলক সম্প্ৰদায়ৰ মাজত থাকিবলৈ উৎসাহ আৰু যোগ্যতা প্ৰদান কৰা।

**৪। জাতীয়/ৰাষ্ট্ৰীয় মূল্যবোধৰ আয়ত্বতাৰ বাবে শিক্ষা ঃ**

(ক) নৈতিক, সামাজিক আৰু আধ্যাত্মিক মূল্যবোধৰ পৰিচয়।

(খ) পৃথিৱীৰ বিভিন্ন ধৰ্মসমূহৰ তথ্য প্ৰদান বিষয়ক, বিষয়ৰ সুবিধা যোগান।

(গ) ছাত্ৰ-ছাত্ৰীসকলক দলীয়ভাৱে নিৰৱ ধ্যান কৰাৰ বাবে উৎসাহিত কৰা।

(ঘ) ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত সামাজিক ন্যায় আৰু সমাজ সেৱাৰ উচ্চ আদৰ্শসমূহ উপস্থাপন কৰা।

কোঠাৰী কমিচনৰ ৰিপোৰ্ট, ভাৰতীয় শিক্ষাৰ এটা শিক্ষিত সমালোচনা আৰু আনকি আজিও অৰ্ধ শতবছৰ পিছতো ইয়াক ভাৰতীয় ইতিহাসত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ গভীৰ অধ্যয়ন কৰা আয়োগ হিচাপে গণ্য কৰা হয়। এই আয়োগে এক Common School System (CSS)ৰ পৃষ্ঠপোষকতা কৰছিল যাৰদ্বাৰা জাতি বৰ্ণ আৰু অৱস্থাৰ বিভেদহীনভাৱে সকলোকে বিনামূলীয়া শিক্ষা দিয়া হ'ব। কোঠাৰী আয়োগে এই CSSৰ ফলপ্ৰসূতাৰ বাবে কিছুমান পৰামৰ্শমূলক উপায় আগবঢ়াইছিল, যিসমূহ এনেধৰণৰ ঃ

- প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ বাবে জাতীয়/ৰাষ্ট্ৰীয় ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰা, গুণগত শিক্ষাৰ সুবিধা দিয়া, আৰু এনেদৰে চৰকাৰী, স্থানীয় আৰু অনুষ্ঠানকৃত বিদ্যালয়সমূহক

বিদ্যালয়লৈ ৰূপান্তৰিত কৰা।

- প্ৰাথমিক স্তৰত সকলোৰে বাবে মাতৃভাষাত বিনামূলীয়া শিক্ষাদান, মাধ্যমিক স্তৰত আঞ্চলিক ভাষাত, আৰু মাতৃভাষা আৰু আঞ্চলিক ভাষা মাধ্যমত শিক্ষাদান নকৰা বিদ্যালয়সমূহৰ চৰকাৰী অনুদান/সাহায্যৰ পৰিমাণ বন্ধ কৰা।

- দহ বছৰীয়া সময়সীমাৰ ভিতৰত CSSৰ স্তৰীয় কাৰ্যকৰণ, ন্যূনতম প্ৰয়োজনীয় বিধান বিশেষকৈ প্ৰাক নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিভক্ত, টিউশন মাছুল, মানুহমুৰী মাছুল ইত্যাদি, গুণগত শিক্ষক শিক্ষা এই সমূহৰ জৰিয়তে যেনে ঃ

  — বুনিয়াদী ধাৰণাৰ স্পষ্টীকৰণৰ বাবে, বিষয়পাঠ্যক্ৰম,

  — সাধাৰণ/বৃত্তিমূলক শিক্ষাৰ এককৃত পাঠ্যক্ৰম,

  — বৃত্তিমূলক অধ্যয়নৰ পুনৰ্চৰ্চা আৰু গৱেষণাৰ পৰিচালনা,

  — শিক্ষাদান আৰু মূল্যায়ণৰ প্ৰভাৱশালী পদ্ধতি,

  — ইণ্টাৰ্ণশ্বিপ (Internship) প্ৰগ্ৰেমৰ অংশ হিচাপে শিকণৰ অনুশীলনী/অভ্যাস।

  — শিক্ষাৰ সকলো স্তৰতে শিক্ষক শিক্ষাৰ সংশোধন।

যোৱা পঞ্চাশ বছৰ ধৰি এই দেশখনে এখন আটাইতকৈ উত্তম শিক্ষ-ব্যৱস্থাৰ আৰ্হিৰ প্ৰস্তুতকৰণৰ চেষ্টা চলাই আছে যি কিছু সাৰ্থক হৈছে। কিন্তু এই প্ৰক্ৰিয়া খুব লেহেমীয়া হৈছে।

**২.২.৫. যশপাল কমিটী (১৯৯২) ঃ**

কিছু পিছলৈ প্ৰফেছাৰ যশপালৰ অধ্যক্ষতাত ১৯৯২ চনত ভাৰত চৰকাৰে National Advisory Committeeৰ গঠন কৰিছিল। য'ত বিদ্যালয়ৰ শিশুসকলৰ শৈক্ষিক বোজা কমাবলৈ বিভিন্ন উপায় সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছিল। পাঠ্যক্ৰমৰ বোজা সম্পৰ্কীয় সমস্যাসমূহৰ গভীৰ অধ্যয়ন কৰাৰ পিছত যশপাল কমিটীয়ে এই সিদ্ধান্তত উপনীত হৈছিল যে বিদ্যালয়ৰ শিশুৰ শিক্ষাৰ বোজাৰ সমস্যাটো কেৱল ভুল পাঠ্যক্ৰমৰ ৰূপৰেখা নাইবা অপ্ৰশিক্ষিত শিক্ষকৰ বাবে বা বিদ্যালয় প্ৰশাসনৰ বা পাঠ্যপুথিৰ বাবে নহয় বৰং কেৱল যোগ্যতাক অধিক গুৰুত্ব দিয়ে, আৰু প্ৰকৃত উপযোগী কাৰ্য কৰাৰ ক্ষমততাক কম গুৰুত্ব দিয়ে। এই তথ্যখিনি 'জ্ঞানৰ বিস্ফোৰণ' মতৰ লগত জড়িত আৰু গ্ৰাহ্য কৰাৰ লক্ষণৰ লগত জড়িত।

এই কমিটীয়ে অনুভৱ কৰিছিল যে পাঠ্যক্ৰমৰ ৰূপৰেখা আৰু পাঠ্যপুথি প্ৰস্তুতকৰণক বিকেন্দ্ৰীভূত কৰি শিক্ষক শিক্ষা প্ৰদানকাৰীক আৰু বিশেষজ্ঞক এই কামত সম্পূৰ্ণ স্বাধীনতা দিব লাগে। বিভিন্ন বিষয়ৰ বৈজ্ঞানিক আৰু বিশেষজ্ঞক, পাঠ্যপুথি প্ৰস্তুতকৰণত কিতাপৰ লিখক হিচাপে নলৈ পৰামৰ্শদাতা হিচাপে সংলগ্ন কৰাব লাগে।

এই কমিটীয়ে প্ৰতিযোগিতাক সমৰ্থন নকৰে। ব্যক্তিৰ কৃতকাৰ্যতাক পুৰস্কৃত কৰি, শিশুসকলৰ আনন্দপূৰ্ণ শিক্ষণক অৱহেলিত কৰাক এই কমিটীয়ে সমৰ্থন নকৰে। বৰং সহযোগিতাক আৰু দলীয় কাৰ্য্য তথা দলীয় কৃতকাৰ্যতাক উৎসাহ জনোৱাটো, বিদ্যালয়সমূহত সহযোগিতা শিক্ষণৰ এক প্ৰেৰক।

এই কমিটীয়ে শিশুৰ প্ৰাক্-শৈশৰ কাল অনুষ্ঠানসমূহত নামভৰ্তিৰ বাবে কোনো পৰীক্ষা বা সাক্ষাৎকাৰ বিচৰা নাছিল। এই কমিটীয়ে খুব দৃঢ়তাৰে অনুভৱ কৰিছিল যে শিশুসকলক প্ৰতিদিনে বিদ্যালয়লৈ এক গধূৰ কিতাপৰ বেগ বা বোজা কঢ়িওৱাৰ বাবে বাধ্য কৰাব নোৱাৰে। পাঠ্যপুথিসমূহ বিদ্যালয়ৰ সম্পদ হিচাপে গণ্য কৰিব লাগে আৰু এনেদৰে শিশুসকলে ব্যক্তিগতভাৱে সেই কিতাপসমূহ কিনাৰ কোনো প্ৰয়োজনীয়তা নাথাকে আৰু প্ৰতিদিনে সেইসমূহ ঘৰলৈ কঢ়িয়াইও নিব নালাগে। এই কমিটীয়ে এইটো মতামত আগবঢ়াইছিল যে প্ৰাথমিক শ্ৰেণীত শিশুসকলক ঘৰুৱা পৰিৱেশত আৱিষ্কাৰৰ জ্ঞানৰ বাহিৰে কোনো গৃহকাৰ্যৰ বোজা দিব নালগে। আৰু উচ্চ-প্ৰাথমিক আৰু মাধ্যমিক শ্ৰেণীত য'ত গৃহকাৰ্যৰ ব্যৱস্থা হ'ব লাগে। আৰু যেতিয়াই ঘৰত কাম কৰা প্ৰয়োজন, তেতিয়া সালসলনি ভিত্তিক (Rotation basis) ব্যৱস্থা কৰিব লাগে।

প্ৰাথমিক শ্ৰেণীত ধাৰণাভিত্তিক পাঠ্যক্ৰম আৰু সকলো বিষয়ৰে পাঠ্যপুথিৰ পৰামৰ্শ এই কমিটীয়ে দিছিল। এই কমিটীয়ে পাঠ্যক্ৰম আৰু সকলো বিষয়ৰ পাঠ্যপুথিৰ ক্ষেত্ৰত দৃষ্টিনিবন্ধ। পৰ্যবেক্ষণ কৰিছিল. এই কমিটীৰ মতে ভাষাৰ পাঠ্যপুথি সমূহে কঠনৰ বাক্যৰ ধাৰা যথোপযুক্তভাৱে প্ৰতিফলিত কৰাৰ দৰকাৰ। আৰু ইয়াৰ দ্বাৰা শিশুৰ জীৱনৰ অভিজ্ঞতাৰ সফল উপস্থাপন, কাল্পনিক সাধুকথা আৰু কবিতাৰ। সাধাৰণ মানুহৰ জীৱনৰ প্ৰতিফলন য'ত দেশৰ বিভিন্ন অংশৰ জীৱন চিত্ৰ প্ৰতিফলিত হয়। বিজ্ঞানে বাস্তৱ-জীৱনৰ অৱস্থিতিৰ ওপৰত কৰা পৰীক্ষামূলক আৰু বিশ্লেষণাত্মক প্ৰতিফলনৰ সুবিধা দিব লাগে। ইতিহাস আৰু ভূগোলৰ শিক্ষাদানৰ উপৰিও সমাজ বিজ্ঞান পাঠ্যক্ৰমে আমাৰ সামাজিক-ৰাজনৈতিক আৰু অৰ্থনৈতিক পদ্ধতিৰ দৰ্শন আৰু পদ্ধতিগত কাৰ্যৰ তথ্য যোগান ধৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে সামাজিক-অৰ্থনৈতিক বিকাশৰ সমস্যা আৰু প্ৰধান বিষয়সমূহৰ প্ৰতিফলনৰ বোধৰ বিশ্লেষণ কৰিব পাৰে। ক্লাছ VI-VIIIৰ ইতিহাস পাঠ্যক্ৰমতে স্বাধীনতা যুদ্ধৰ আৰু স্বাধীনোত্তৰ কালৰ বিকাশৰ বিৱৰণক প্ৰাধান্য দিব লাগে। নাগৰিক শাস্ত্ৰৰ (civics) বিষয়বস্তুৰ সলনি সমকালীন অধ্যয়নৰ বিষয়বস্তু অন্তৰ্ভুক্ত কৰিব লাগে। ভূগোল অধ্যয়নৰ সমসাময়িক বাস্তৱৰ লগত সম্পৰ্ক থাকিব লাগে।

যশপাল কমিটী ব্যক্তিগত বিদ্যালয়ৰ গুণগত মানদণ্ড উন্নত কৰাৰ বাবে স্বীকৃতপ্ৰদান কৰাৰ ক্ষেত্ৰত কঠোৰ নীতি-নিয়মৰ প্ৰয়োজনীয়তা বিচাৰিছিল। এই কমিটীয়ে ইয়াৰ অধিকাৰীক ক্ষেত্ৰৰ ভিতৰত থকা বিদ্যালয়সমূহৰ পৰিকল্পনা আৰু পৰ্যৱেক্ষণ কৰাৰ বাবে গাঁও, ব্লক (খণ্ড) আৰ জিলা স্তৰত শিক্ষা কমিটী স্থাপন কৰা ধাৰণাক আদৰণি জনাইছিল।

যশপাল কমিটী তলত দিয়া সমূহক, প্ৰাথমিক শিক্ষা গুণগত মানদণ্ড হিচাপে পৰামৰ্শ আগবঢ়াইছিল।

১) বিদ্যালয়ৰ শ্ৰেণীকৰণত পদ প্ৰাপ্তি।

২) সমাজৰ অংশগ্ৰহণ।

৩) উপস্থিতিৰ শতাংশ/পৰিমাণ।

৪) শিক্ষাৰ গুণগত মানদণ্ড দৃঢ় কৰাৰ বাবে তলত দিয়া মানদণ্ডভিত্তি সমূহ অন্তৰ্ভুক্তকৰণ ঃ

শিক্ষক প্ৰস্তুতি, শিক্ষাদান পদ্ধতি, শিক্ষণীয় সামগ্ৰীৰ ব্যৱহাৰ, ছাত্ৰৰ কাৰ্য আৰু অংশগ্ৰহণ,

বিদ্যালয় পৰীক্ষা, ছাত্ৰৰ কৃতকাৰ্যতা, শ্ৰেণী পৰিচালনা, শিক্ষাদানৰ কাৰ্যবাহী, কৰ্ম অভিজ্ঞতা আৰু শাৰীৰিক শিক্ষা, পৰিৱেশ অধ্যয়ন, চাৰিওকাষৰ অধ্যয়ন, ছাত্ৰ-ছাত্ৰীক বিভিন্ন আৰু সুবিধা প্ৰদান ইত্যাদিৰ অৰ্থে কাৰ্যাৱলী।

যশপাল কমিটী এখন কঠোৰ, সম্পূৰ্ণ আৰু গভীৰ ভাবমূলক শিক্ষক প্ৰস্তুতিকৰণ আঁচনি বিচাৰিছিল, যাতে বিদ্যালয়সমূহৰ পৰা এক ফলপ্ৰদক সন্তুষ্টিজনক গুণগত শিক্ষণ পাব পাৰি। আৰু যাতে শিক্ষক প্ৰশিক্ষাৰ্থীসকলক স্ব-অধ্যয়ন আৰু স্বাধীন চিন্তা-ধাৰাৰ গৰাকী কৰি তুলিব পাৰি। এই পাঠ্যক্ৰমৰ সময়সীমা স্নাতকৰ পিছত এবছৰীয়া আৰু উচ্চ-মাধ্যমিকৰ পিছত ৩ৰ পৰা ৪ বছৰীয়া কৰাৰ পৰামৰ্শ দিছিল। এই পাঠ্যক্ৰমৰ বিষয়বস্তু পুনৰ্গঠন কৰোতে এইটো চাব লাগিব যে ইয়াৰ পৰিৱৰ্তিত বিদ্যালয় শিক্ষাৰ চাহিদাৰ লগত প্ৰাসংগিকতা থাকে আৰু ইয়াক অধিক ব্যৱহাৰিক কেন্দ্ৰিক কৰি প্ৰস্তুত কৰা হওঁক। শিক্ষকসকলৰ অবিৰত শিক্ষা অনুষ্ঠানকৃত বা সামাজিকৃত হ'ব লাগে আৰু ইয়াক পদ্ধতিগত আৰ্হিত প্ৰস্তুত কৰি কৰ্মকালীন (in-soivice) পাঠ্যক্ৰম হিচাপে পৰিকল্পনা কৰিব লাগে।

এই পৰামৰ্শসমূহৰ শিক্ষা নীতিসমূহৰ সিদ্ধান্তকৰণৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ আছিল। বহুতো নতুন ব্যৱস্থা আৰম্ভ কৰা হৈছিল। এই পৰামৰ্শসমূহে বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছিল।

**২.৩ ৰাষ্ট্ৰীয় শিক্ষা নীতি ঃ**

আপোনালোকে জানিব যে স্বাধীনতাৰ পিছত ভাৰতীয় জনগণৰ মাজত শিক্ষাৰ প্ৰচাৰৰ বাবে আৰু শিক্ষাৰ পুনৰ্গঠনক পৰ্যবেক্ষণ কৰিবৰ বাবে বিভিন্ন কমিটী আৰু আয়োগে পৰামৰ্শ আগবঢ়াইছিল। আৰু এই কমিটী আৰু আয়োগৰ ৰিপোৰ্ট আৰু পৰামৰ্শসমূহৰ ভিত্তি কৰিয়ে সময়ে সময়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি গঠন কৰা হৈছিল আৰু প্ৰচাৰ কৰা হৈছিল। এই নীতিসমূহে শিক্ষাৰ সকলো স্তৰকে সাঙুৰি লৈছিল, বিশেষকৈ গ্ৰাম্য আৰু চহৰীয়া ভাৰতৰ প্ৰাথমিক স্তৰ। কাৰণ এইটোৱে দেশখনৰ আটাইতকৈ চিন্তনীয় বিষয় আছিল।

**২.৩.১ ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৬৮ (National Policy of Education, NPE) ঃ**

প্ৰথম NPE খন শিক্ষা আয়োগ ১৯৬৪-৬৬ চনৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছিল। ইয়াক ১৯৬৮ চনত প্ৰেক্ষাপিত কৰা হৈছিল আৰু ইয়াক এক মৌলিক পুনৰ্গঠনৰ প্ৰয়োজন হৈছিল, যাতে ৰাষ্ট্ৰীয় ঐক্যতা আৰু বৃহত্তৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে শিক্ষাৰ সুবিধাৰ সমতা স্থাপন কৰিব পাৰি। এই নীতিয়ে শিক্ষাৰ বিকাশৰ বাবে ইয়াৰ পথ সুদৃঢ় কৰিছিল আৰু ভাৰতীয় সংবিধানে ধাৰ্য কৰা মূল লক্ষ্যত উপনীত হোৱাৰ বাবে চেষ্টা কৰিছিল যিটো আছিল ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বাধ্যতামূলক শিক্ষা প্ৰদান কৰা আৰু লগতে শিক্ষকসকলক যোগ্যতাৰ বাবে উন্নত প্ৰশিক্ষণ দিয়া। এই নীতিৰ মূল সিদ্ধান্তসমূহ হ'ল ঃ

**১। বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ঃ**

১৪ বছৰ বয়সলৈকে সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰা; আৰু বিদ্যালয়ত চলি থকা অপব্যয় (Wastage) আৰু স্থিৰতা (Stagnation)

বোধ কৰাৰ লগতে ইয়াকো সুনিশ্চিত কৰা যাতে প্ৰত্যেকে যি বিদ্যালয়ত নামভৰ্তি কৰিছে, তেওঁলোকে নিৰ্ধাৰিত পাঠ্যক্ৰম কৃতকাৰ্যতাৰ সম্পন্ন কৰিব পাৰে।

**২। শিক্ষক শিক্ষাৰ স্থিতি আৰু উপলব্ধিসমূহ ঃ**

শিক্ষকক সমাজত এক সন্মানীয় স্থান দিয়া, তেওঁলোকৰ শৈক্ষিক স্বাধীনতাক ৰক্ষণাবেক্ষণ দিয়া, যথোপযুক্ত আৰু সন্তোষজনক উপলব্ধি দৃঢ় কৰা, সন্তোষজনক সেৱা ব্যৱস্থা, আৰু শিক্ষক শিক্ষাত অধিক গুৰুত্ব দিয়া বিশেষকৈ কৰ্মকালীন (In-service) শিক্ষক শিক্ষা।

**৩। ভাষাৰ বিকাশ ঃ**

আঞ্চলিক ভাষাসমূহৰ বিকাশ আৰু প্ৰভাৱশালী প্ৰচাৰ, আৰু মাধ্যমিক স্তৰত ৩ ভাষাৰ ফৰ্মূলাৰ (3-language) প্ৰচলন।

**৪। শিক্ষাৰ সুবিধাৰ সমতা ঃ**

আঞ্চলিক অসন্তুলনতা দূৰ কৰি সামাজিক একত্ৰিকতা আৰু জাতীয় ঐক্যতা বজাই ৰাখিবৰ বাবে শিক্ষাৰ সুবিধাৰ সমতা ৰক্ষা কৰা, সকলো বিদ্যালয়তে, যেনে— ৰাজহুৱা বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি যোগ্যতাৰ ভিত্তিত হোৱা আৰু সামাজিকভাৱে অৱহেলিত/বঞ্চিত শ্ৰেণীৰ প্ৰয়োজনীয়তাৰ ৰক্ষণাৱেক্ষণ দিয়া।

**৫। সাক্ষৰতা আৰু প্ৰাপ্ত-বয়স্ক শিক্ষাৰ প্ৰচাৰ/বিস্তাৰ ঃ**

জন অসাক্ষৰতাৰ তৰলীকৰণ আৰু বাণিজ্যিক আৰু উদ্যোগিক ক্ষেত্ৰত জড়িত কৰ্মীসকলক অবিৰত শিক্ষা আৰু কাৰ্যাত্মক সাক্ষৰতা প্ৰদান কৰা। এই সম্পৰ্কে, মাধ্যমিক স্তৰত কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা দিবৰ বাবে অতি প্ৰয়োজনীয় আৰু অন্তিমভাৱে প্ৰভাৱশালী।

**৬। কিতাপৰ উৎপাদন ঃ**

শিশুসকলৰ বাবে উচ্চ মানদণ্ড/গুণগত কিতাপৰ উৎপাদন— বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ বাবে কম খৰচী পাঠ্যপুথিৰ ব্যৱস্থা।

**৭। খেল-ধেমালি ঃ**

ছাত্ৰ-ছাত্ৰীৰ মাজত শাৰীৰিক যোগ্যতা আৰু খেল-ভাৱনা বিকাশৰ উদ্দেশ্য বহলভিত্তিত খেল-ধেমালিসমূহৰ বিকাশ কৰা।

**৮। অংশকালীন শিক্ষা আৰু যোগাযোগ শিক্ষা ঃ**

পূৰ্ণ-কালীন পাঠ্যক্ৰমৰ সমস্থিতিৰ দৰে অংশকালীন শিক্ষা আৰু যোগাযোগ শিক্ষাৰ প্ৰচলন আৰু বিকাশ, বিশ্ববিদ্যালয়ত, বিদ্যালয়ৰ ছাত্ৰৰ মাজত আৰু শিক্ষক তথা কৰ্মীসকলৰ মাজত বহলভিত্তিত হ'ব লাগে।

এই শিক্ষানীতিৰ দ্বাৰা প্ৰায় দুই দশক যুজি ভাৰতৰ শিক্ষাব্যৱস্থাৰ ভেটি নিৰ্ণয় কৰা হৈছিল, কিছু বীৰ গতিত হ'লেও উন্নত ধৰণৰ বহুতো আঁচনি আৰু ব্যৱস্থাৰ কাম আৰম্ভ হৈছিল। আৰু ইয়াক জাতীয়

ঐক্যৰ ক্ষেত্ৰত পৰ্যবেক্ষণ কৰা হৈছিল।

### ২.৩.২। ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৬৬

এই শিক্ষানীতিৰ বৈশিষ্টতা এয়ে আছিল যে ই সংহতি আৰু পাঠ্যক্ৰমৰ দহটা মূল উপাদানক গুৰুত্ব দিছিল। শিক্ষাৰ ৰাষ্ট্ৰীয় পদ্ধতি, ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছিল যত এটা সৰ্বসাধাৰণ ভেটি আছিল আৰু ইয়াৰ আন আন উপাদানসমূহো নমনীয় আছিল। এই মূলমন্ত্ৰৰ ভিতৰত আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস, সাংবিধানিক কৰ্তব্য আৰু আন আন বিষয়, জাতীয় চিনাকী ৰক্ষা কৰিবৰ বাবে প্ৰয়োজনীয় আছিল। এই উপাদানসমূহে বিষয়ৰ সীমা পাৰ হৈ, ভাৰতীয় সাংস্কৃতিক ঐতিহ্য, সমতাবাদ, গণতান্ত্ৰিক ভাবধাৰা, ধৰ্ম-নিৰপেক্ষতা, সৰু পৰিয়ালৰ নীতি, বৈজ্ঞানিক দৃষ্টিভংগীৰ গঠন ইত্যাদি মূল্যবোধসমূহ প্ৰচাৰৰ অৰ্থে আহি প্ৰস্তুত কৰিছিল।

সকলো শিক্ষা পাঠ্যক্ৰমসমূহ ধৰ্মনিৰপেক্ষ মূল্যবোধেৰে কঠোৰ অনুৰূপতাৰে চলাই নিবলৈ প্ৰস্তাৱ আগবঢ়াইছিল. সমতা বিকাশৰ বাবে, কেৱল সুগমতাৰ ক্ষেত্ৰতেই নহয় বৰং সকলো দিশতে সকলোৰে সমান সুবিধা পোৱাটো প্ৰয়োজনীয় আছিল, কিন্তু লগত কৃতকাৰ্যতাও জৰুৰী আছিল. ইয়াৰ বাহিৰেও মূল পাঠ্যক্ৰমৰ দ্বাৰা সকলোৰে বাবে অন্তৰ্নিহিত সমতাৰ সৃষ্টিৰ সজাগতা বৃদ্ধি আশা কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল যে সামাজিক পৰিৱেশ আৰু জন্মগতভাৱে লাভ কৰা অন্ধবিশ্বাস আৰু জটিলতাসমূহক দূৰ কৰা।

এই নীতিৰ মূল বৈশিষ্ট্যসমূহ হ'ল ঃ

১। নীতিৰ মূল বৈশিষ্ট্যসমূহ হ'ল ঃ

২। দহটা সাধাৰণ মূল উপাদানৰ সৈতে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা প্ৰস্তুত।

৩। সকলোৰে বাবে শিক্ষাৰ সম-সুবিধা।

৪। প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰচাৰ।

৫। শিক্ষাত বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ।

৬। UEEৰ বাবে 'অপাৰেচন ব্লেকবোৰ্ড' (Operation Black Board)

৭। শিক্ষণৰ ন্যূনতম স্তৰ।

৮। নৱোদয় বিদ্যালয়ৰ ভেটি স্থাপন।

৯। শিক্ষাক বৃত্তিমূলক কৰা।

১০। শিক্ষকৰ স্থিতি উচ্চ কৰা।

১১। সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু পৰিৱেশৰ বিষয়সমূহৰ প্ৰতি সজাগতাৰ সৃষ্টি কৰা।

১২। শিক্ষাত দায়ৱদ্ধতা।

এই নীতিয়ে UEEৰ বাবে এক শক্তিশালী ভেটি গঢ় দিছিল। আৰু জাতীয় গুৰুত্ব থকা বিভিন্ন

আঁচনি হাতত লৈছিল। এই আঁচনিখন ১৯৯২ চনত পুনৰ সংশোধন কৰা হৈছিল যাতে আৰু উচ্চ লক্ষ্যসমূহত উপনীত হ'ব পাৰি।

**২.৩.৩ প্ৰাথমিক শিক্ষাৰ চিন্তনীয় বিষয়সমূহ**

আয়োগসমূহৰ বিভিন্ন পৰামৰ্শৰ পৰা বিভিন্ন শৈক্ষিক বিষয় বিশেষকৈ প্ৰাথমিক শিক্ষাৰ চিন্তনীয় বিষয়সমূহ উদ্ভূত হৈছিল আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে তলত দিয়াসমূহ অন্তৰ্ভুক্ত কৰিছিল ঃ

১। **নিম্ন উপস্থিতিপঞ্জী ঃ** মুঠতে প্ৰাথমিক বিদ্যালয়ত মুঠ উপস্থিতিপঞ্জী (enrollment) খুবেই নিম্ন আছিল। বেছিভাগ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দূৰত্ব বেছি হোৱাৰ বাবে আৰু মৌলিক সুবিধাসমূহ নথকাৰ বাবে বিদ্যালয় যোৱাৰ পৰা বিৰত আছিল।

২। **উচ্চ ড্ৰপ আউটৰ (বাদ পৰা শিশু) (drop out) হাৰ ঃ** শিশুসকলে বিভিন্ন কাৰণত স্কুল এৰিছিল, বেছিভাগেই ধন উপাৰ্জন কৰিবৰ বাবে কাম কৰিছিল। বাদ পৰা শিশুৰ বেছিভাগেই শতাংশ ছোৱালী আছিল কাৰণ সিহঁতৰ মাক-দেউতাক পৰিয়াল বা ঘৰ চলাবলৈ সিহঁতক স্কুল এৰিবলৈ বাধ্য কৰিছিল।

৩। অযোগ্য আৰু অপ্ৰশিক্ষিত শিক্ষকৰ বাবে গ্ৰামাঞ্চলত থকা বেছিভাগ শিশুৱে গুণগত শিক্ষাৰ পৰা বঞ্চিত হৈছিল। কিন্তু বৰ্তমান সময়ত যোগ্য শিক্ষকৰ সংখ্যা বৃদ্ধি হৈছে, কাৰণ চৰকাৰ আৰু ব্যক্তিগত দলসমূহে গ্ৰাম্য অঞ্চলৰ শিক্ষকৰ বৃত্তিগত প্ৰশিক্ষণৰ বিকাশৰ বাবে চেষ্টা হাতত লৈছে।

৪। গ্ৰাম্য অঞ্চলৰ বিদ্যালয়ৰ বাবে অধিক শিক্ষক পোৱাটো কঠিন, ৰাজ্যিক নিৰ্দেশনাৱলী আছিল যে অধিক ছাত্ৰ-শিক্ষকৰ অনুপাতৰ অনুমোদন।

৫। নিম্নমানৰ গুণগত নিৰ্দেশণাৰ ফলস্বৰূপে কৃতকাৰ্য ছাত্ৰসকলৰ অসন্তোষজনক গুণৰ প্ৰাদুৰ্ভাৰ। এখন শক্তিশালী বিদ্যালয় আঁচনিৰ বাবে নিৰ্দেশনা সুবিধা আৰু ব্যৱস্থাৰ অনুপস্থিতি।

৬। শিক্ষক, প্ৰধান শিক্ষক আৰু পৰ্যৱেক্ষকক প্ৰাক্-প্ৰাথমিক আৰু প্ৰাৰ্থমিক বিদ্যালয়ত পৰিদৰ্শন আৰু বলিষ্ঠ নেতৃত্বতাৰ বাবে বৃত্তিমূলক প্ৰশিক্ষণ আৰু পুনঃপ্ৰশিক্ষণ এক বৃহৎ সংখ্যক বিদ্যালয়ৰ সদস্যক দিয়া।

৭। বৰ্তমানৰ পৰীক্ষা পদ্ধতিৰ পৰিপূৰক হিচাপে, ব্যাপক আৰু অবিৰত মূল্যায়ন ব্যৱস্থাক বিকল্প হিচাপে লোৱা।

৮। অসমতা ঃ লিঙ্গ-বৈসম্যতা, চহৰ-গ্ৰাম্য বৈষম্যতা, আঞ্চলিক বৈষম্যতা.

৯। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতি শিক্ষকৰ ধনাত্মক দৃষ্টিভংগীৰ গঠন।

**২.৪ ৮ বছৰীয়া প্ৰাথমিক শিক্ষাৰ গাঁথনি**

**শৈক্ষিক গাঁথনি ঃ**

দেশৰ সকলো অংশৰ বাবে এখন সম শৈক্ষিক গাঁথনি প্ৰস্তুতকৰণ সম্পৰ্কে ভবা হৈছিল। আৰু মূল উদ্দেশ্য আছিল ১০+২+৩ ধাৰা গ্ৰহণ আৰু উচ্চ মাধ্যমিক স্তৰ দুবছৰীয়া হ'ব লাগে আৰু প্ৰায়

সকলো বিদ্যালয়, কলেজ আৰু স্থানীয় স্থিতিৰ ওপৰত ভিত্তি কৰি এই ব্যৱস্থা চলিব লাগে।

ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাই, কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শ মতে ১০-২-৩ ধাৰাৰ এখন সাধাৰণ শিক্ষাৰ গঠনৰ পৰিকল্পনা কৰিছিল। বিদ্যালয় শিক্ষাৰ এই সম গঠন, সমগ্ৰ দেশতেই মানি চলা হৈছিল। তথাপিও ৰাজ্যৰ ভিতৰত প্ৰাথমিক, উচ্চ প্ৰাথমিক, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্তৰৰ গঠনৰ ক্ষেত্ৰত বহু শ্ৰেণীয় বিভিন্নতা, প্ৰথম শ্ৰেণীত নামভৰ্তিৰ বাবে বয়স, শিক্ষাদানৰ মাধ্যম, ৰাজহুৱা পৰীক্ষা, হিন্দী আৰু ইংৰাজী শিক্ষাদান, এবছৰত কৰ্ম-দিনৰ সংখ্যা, শৈক্ষিক-সত্ৰ (Academic-session), বন্ধকালীন সময়সীমা, মাচুল-নিৰ্ধাৰণ, বাধ্যতামূলক শিক্ষা আদিৰ বিভিন্নতাও আছিল প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মধ্য স্তৰ মিলি একেলগে প্ৰাথমিক স্তৰ গঠন কৰিছিল. আৰু ই পিছলৈ প্ৰথম ১০ বছৰ বিভক্ত হৈছিল এনেধৰণে য'ত ৫ বছৰীয়া প্ৰাথমিক শিক্ষা আৰু ৩ বছৰীয়া উচ্চ প্ৰাথমিক শিক্ষাই, প্ৰাথমিক শিক্ষা গঠন কৰিছিল আৰু উচ্চ বিদ্যালয় শিক্ষা ২ বছৰীয়া আছিল। তলত দিয়া তালিকাখনত বিভিন্ন ৰাজ্যত চলা বিদ্যালয়ীৰ শিক্ষা ব্যৱস্থাৰ বিভক্তিকৰণক দেখুওৱাইছে ঃ

তালিকা ২.১

ভাৰতত বিদ্যালয় শিক্ষা-ব্যৱস্থাৰ গাঁথনি

| **বিদ্যালয়ৰ স্তৰ** | **প্ৰাক্-প্ৰাথমিক** | **নিম্ন প্ৰাথমিক** | **উচ্চ প্ৰাথমিক** | **মাধ্যমিক** | **উচ্চতৰ মাধ্যমিক** |
|---|---|---|---|---|---|
| স্তৰ | নাৰ্চাৰী LKG*/KG* | ১ৰ পৰা ৫ | ৬ৰ পৰা ৮ | ৯ৰ পৰা ১০ | ১১ৰ পৰা ১২ |
| পাঠ্যক্ৰমৰ দৈৰ্ঘ্য | ৩ বছৰীয়া | ৫ বছৰীয়া | ৩ বছৰীয়া | ২ বছৰীয়া | ২ বছৰীয়া |
| বয়সৰ স্তৰ | ৩ৰ পৰা ৬ বছৰত প্ৰৱেশ | ৬ৰ পৰা ১১ বছৰ | ১১ৰ পৰা ১৪ বছৰ | ১৪ৰ পৰা ১৬ বছৰ | ১৬ৰ পৰা ১৮ বছৰ |

*LKG-Lower Kinder Garten

(নিম্ন কিণ্ডাৰ গাৰ্টেন)

*KG-Kinder Garten

(কিণ্ডাৰ গাৰ্টেন)

**প্ৰাক-প্ৰাথমিক ঃ** ভাৰতীয় শিক্ষাৰ বহলৰ গাঁথনিৰ ভিতৰত প্ৰাক-প্ৰাথমিক শিক্ষাই শিক্ষণৰ মূল ভেটি সুদৃঢ় কৰি তোলে। ইয়াক নাৰ্চাৰী, নিম্ন কিণ্ডাৰ গাৰ্টেন আৰু উচ্চ কিণ্ডাৰ গাৰ্টেনত ভগোৱা হয়। এই বয়সত শিশুৱে বিদ্যালয়ৰ আনুষ্ঠানিক জীৱনৰ লগত পৰিচিত হয় আৰু লগতে পঠন আৰু লিখন কৌশল শিকে। ই ৩ৰ পৰা ৫ বছৰৰ শিশুসকলক সাঙুৰি লয়।

**নিম্ন প্ৰাথমিক ঃ** এজন শিশুৱে প্ৰাথমিক বিদ্যালয়ত উচ্চ কিণ্ডাৰ গাৰ্টেন সমাপ্ত কৰি প্ৰৱেশ কৰে নাইবা প্ৰত্যক্ষভাৱে নামভৰ্তি কৰে। নিম্ন প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিষয়ৰ ধাৰণা আয়ত্ত্ব কৰে। প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমে সাধাৰণ শিক্ষা আৰু বুনিয়াদী বিষয়সমূহ যেনে— পঠন, লিখন, পাটিগণিত আৰু ইতিহাস সমন্বিত ধাৰণাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। ইয়াৰ উপৰিও নাগৰিক শাস্ত্ৰ, ভূগোল, পৰিৱেশ বিজ্ঞান আদিও উল্লেখনীয় বিষয়। বেছিভাগ ৰাজ্যতেই ৬ৰ পৰা ১১ বছৰীয়া শিশুসকলে এই স্তৰৰ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ অধ্যয়ন কৰে। তথাপিও কিছুমান ৰাজ্যত এই স্তৰক প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈও ধৰা হয়। নিম্ন প্ৰাথমিক স্তৰত সাধাৰণতে মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰা হয় সেয়া হিন্দী নাইবা আঞ্চলিক ভাষাও হ'ব পাৰে।

**উচ্চ প্ৰাথমিক ঃ** এই স্তৰে ষষ্ঠমানৰ পৰা অষ্টম মানলৈকে পঢ়ি থকা ছাত্ৰসকলক সূচায়। উচ্চ প্ৰাথমিক স্তৰৰ পৰা আন আন ভাষা যেনে— ইংৰাজী আৰু/বা হিন্দী (যদি হিন্দী মাতৃভাষা নহয়) আদি পৰিচয় কৰোৱা হয়। ইংৰাজী, পঞ্চম মানৰ পৰা আৰম্ভ কৰা হয়।

### ২.৫ বিদ্যালয় পাঠ্যক্ৰমৰ ৰূপৰেখা

যিকোনো ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা, সদায় ৰাষ্ট্ৰীয় চাহিদা আৰু প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে এখন সৰ্বসাধাৰণ পাঠ্যক্ৰম ৰূপৰেখাৰ ওপৰত নিৰ্ভৰযোগ্য। আৰু ভাৰততো বিভিন্ন নীতিসমূহ সৰোগত কৰি সময়ে সময়ে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ আৰ্হি প্ৰস্তুত কৰা হৈছিল আৰু ইয়াক সমগ্ৰ দেশত প্ৰচলিত কৰা হৈছিল। এনে ৰূপৰেখা পিছলৈ জাতীয় লক্ষ্য পূৰণৰ অৰ্থে, ইয়াৰ কৃতকাৰ্যতাৰ ওপৰত পুনঃনিৰীক্ষণ কৰা হৈছিল। আমি এতিয়াৰ নতুনকৈ প্ৰচলিত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ কাৰ্যকাৰিতাক পুনঃনিৰীক্ষণ কৰিম।

### ২.৫.১ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ গাঁথনি, ২০০৫ (The National Curriculum Frame Wak, NCF 2005) ঃ

NPE ১৯৮৬, ৯২-এ এখন পাঠ্যক্ৰমৰ বাবে ৰাষ্ট্ৰীয় গাঁথনিৰ প্ৰস্তাৱ দিছিল যাৰ দ্বাৰা এক ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ প্ৰস্তুত কৰিব পৰা যাব। "NPEএ ইয়াৰ Programe of Actionৰ দ্বাৰা শিশুকেন্দ্ৰিক ব্যৱস্থাৰ পৰিকল্পনা কৰিছিল যাতে সাৰ্বজনীন উপস্থিতিপঞ্জী আৰু ১৪ বছৰ বয়সলৈকে শিশুৰ সাৰ্বজনীন অৱধাৰণ আৰু বিদ্যালয়ৰ গুণগত শিক্ষাৰ পৰ্যাপ্ত বিকাশ কৰিব পাৰি। (POA পৃষ্ঠা ৭৭), ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনিক, শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণৰ এক মাধ্যম হিচাপে ধৰা হৈছিল। ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি ২০০৫এ, মুদালিয়াৰ আৰু কোঠাৰী আয়োগৰ পৰামৰ্শসমূহক পুনঃনিৰীক্ষণ কৰিছিল আৰু ১৯৭৫, ১৯৮৮ আৰু ২০০০ চনৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ গাঁথনিক পুনঃনিৰীক্ষণ কৰিছিল। ই Learning without Barden নামৰ ৰিপোৰ্ট আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ৰ, ওপৰত গভীৰভাৱে অধ্যয়ন কৰিছিল যাতে পাঠ্যক্ৰমৰ বোজা সম্পৰ্কীয় সমস্যাসমূহৰ ওপৰত পৰীক্ষা নিৰীক্ষা কৰিব পাৰে।

যশপাল কমিটীৰ এই সকলো নীতি আৰু পৰামৰ্শ সমূহক লৈ ২০০৫ চনত এখন নতুন সংশোধিত ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনিৰ পুনঃগঠন কৰা হৈছিল আৰু এতিয়াও সমগ্ৰ দেশতে ইয়াৰ প্ৰচলন হৈ আছে।

NCF ২০০৫-এ শিশুসকলৰ পাঠ্যক্ৰমৰ বোজাৰ ওপৰত গভীৰ পৰীক্ষা কৰিছিল য'ত শিক্ষকসকলে এটা গাঁথনি লাভ কৰিছিল, যাৰ দ্বাৰা শিক্ষণীয় অভিজ্ঞতা প্ৰদানৰ ক্ষেত্ৰত নিৰ্বাচনীয় পদ্ধতি অৱলম্বন কৰিবলৈ মুক্ত আছিল আৰু যিসমূহ তেওঁলোকে শিক্ষণৰ বাবে উত্তম বুলি ভাবিছিল তাক প্ৰয়োগ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ মুক্ত আছিল। ই ভাবিছিল যে শিক্ষাৰ উদ্দেশ্যসমূহত উপনীত হ'বলৈ, পাঠ্যক্ৰমে এটা সংগঠন হিচাপে কাৰ্য কৰিব লাগিব আৰু ইয়াৰ ফলত ই প্ৰয়োজনীয় অভিজ্ঞতা প্ৰদান কৰাৰ ক্ষেত্ৰত সহায় কৰিব। প্ৰচাৰ মাধ্যম আৰু প্ৰযুক্তিবিদ্যাই, পাঠ্যক্ৰমৰ লেনদেনৰ ক্ষেত্ৰত এক যোগ্য মাধ্যম হিচাপে সুবিধা প্ৰদান কৰিব। আৰু শিশুৱে কেনেকৈ শিকিব আৰু জ্ঞান বৃদ্ধি কৰিব পাৰি, তাৰ বিষয়ে নিজে জনাটো উচিত যাতে সিহঁতৰ শিক্ষণ সম্পূৰ্ণ, সৃষ্টিশীল আৰু আনন্দপূৰ্ণ হয়।

**সংশোধিত NCFৰ প্ৰধান বৈশিষ্ট্যসমূহ এনে ধৰণৰ ঃ**

NCFএ বিভিন্ন আদৰ্শমূলক ধাৰণাৰ প্ৰচলন কৰিছিল যিসমূহত আগতে, বিভিন্ন কমিচনে/আয়োগে পাঠ্যক্ৰমক শিশুৰ বাবে অন্তৰ্ভুক্তি আৰু অৰ্থপূৰ্ণ অভিজ্ঞতা হিচাপে গঢ় দিবলৈ যত্ন কৰিছিল। NCF,, ২০০৫ পাঠ্যক্ৰম, বিকাশৰ চাৰিটা প্ৰধান নিৰ্দেশনীয় নীতিৰ ওপৰত নিৰ্ভৰশীল ঃ (ক) বিদ্যালয়ৰ বাহিৰৰ জীৱনৰ লগত জ্ঞানৰ সংগতি (খ) শিক্ষণ যাতে যান্ত্ৰিক পদ্ধতিৰ পৰা নিলগত থাকে তাক সুনিশ্চিত কৰা (গ) পাঠ্যক্ৰমক সমৃদ্ধিশালী কৰা যাতে ই পাঠ্যক্ৰমৰ বহিৰ্ভুত হয় আৰু (ঘ) পৰীক্ষাসমূহ আৰু অধিক নমনীয় কৰা।

NCF ২০০৫-এ শিশুসকলক জ্ঞানৰ নিস্ক্ৰিয় গ্ৰাহক হিচাপে কৰা ধাৰণাটোক সমালোচনা কৰিছিল। আৰু ইয়াৰ ওপৰত গুৰুত্ব দিছিল যে শিশুসকলক সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে জ্ঞান গঠন কৰাৰ ক্ষেত্ৰত গঢ়ি তুলিব পাৰি যেনে ঃ সিহঁতক প্ৰশ্ন সোধাৰ বাবে উৎসাহিত কৰি, সিহঁতে বিদ্যালয়ত শিকা বিষয়সমূহক, বাহিৰত হৈ থকা ঘটনাৰাজিৰ লগত সম্পৰ্ক দেখুৱাই, সিহঁতৰ নিজৰ অভিজ্ঞতাৰ ভিত্তিত উত্তৰ দিবলৈ উৎসাহিত কৰি তথা এই সমূহ উত্তৰ মনত ৰাখি দিয়াতকৈ নিজৰ ভাষাৰে দিবলৈ উৎসাহিত কৰিব পাৰি।

NCF-এ ইয়াকো দৰ্শাই যে সমনীয়া, শিক্ষক, বয়োজ্যেষ্ঠ তথা কণিষ্ঠসকলৰ লগত হোৱা কথোপকথনেও শিশুৰ শিক্ষণীয় সম্ভাৱনীয়তা বৃদ্ধি কৰে। শিক্ষণীয় কাৰ্য আৰু অভিজ্ঞতাসমূহ সেয়েহে এনেদৰে প্ৰস্তুত কৰিব লাগে, যাতে শিশুৱে প্ৰত্যক্ষ জ্ঞান লাভ কৰে, যিসমূহ সিহঁতৰ পাঠ্যপুথিৰ বাহিৰত হয়; যেনে— সিহঁতৰ নিজা অভিজ্ঞতাৰ। ঘৰত হোৱা অভিজ্ঞতা, সম্প্ৰদায়/সমাজ বা পুথিভঁৰালৰ পৰা অভিজ্ঞতা ইত্যাদি। সেয়েহে পাঠগোট আঁচনি ব্যৱহাৰ কৰাতকৈ গঠনাত্মক শিক্ষাদান শৈলীৰ ব্যৱহাৰ হ'ব লাগে। যি এনেকুৱা কাৰ্যৰ পৰিকল্পনা কৰে, য'ত, শিশুসকলক চিন্তা কৰিবলৈ আৰু সিহঁতে কি শিকি আছে তাক জানিবলৈ বা চেষ্টা কৰিবলৈ প্ৰত্যাহ্বান জনায়।

ই ভাষা, গণিত, প্ৰাকৃতিক বিজ্ঞান আৰু সমাজ বিজ্ঞান শিক্ষণৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱৰ্তনৰ পৰামৰ্শ আগবঢ়াই যাৰদ্বাৰা শিক্ষাৰ, বৰ্তমানৰ লগত সংগতি স্থাপন আৰু ভৱিষ্যতৰ শিশুৰ প্ৰয়োজন

পূৰণৰ বাবে প্ৰস্তুত কৰি তুলিব পাৰি। ভাষাৰ ক্ষেত্ৰত ই মাতৃভাষাক শিক্ষাদানৰ মাধ্যম হিচাপে লৈ, তিনি ভাষাৰ ফৰ্মূলা প্ৰয়োগক অধিক গুৰুত্ব দিয়ে। ই ভাষাক প্ৰত্যেক বিষয়ৰ পঠন, লিখন, শ্ৰৱণ আৰু কথনৰ বাবে অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত কৰে। যিহেতু ইয়াৰ দ্বাৰা সমস্ত শৈক্ষিক ক্ষেত্ৰৰ উন্নতি সাধন কৰিব পাৰি আৰু এনেদৰে বুনিয়াদী শিক্ষাৰ ভেটি সুদৃঢ় কৰি তুলিব পাৰি।

ইংৰাজী, গণিত আৰু বিজ্ঞানক প্ৰধান বিষয় হিচাপে ধৰা হয়, য'ত প্ৰায় ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে অনুত্তীৰ্ণ হয়। আৰু ই হয়তো প্ৰাথমিক শিক্ষা ব্যৱস্থাত থকা আটাইতকৈ বেছি সীমাৱদ্ধতাৰ ফলত হ'ব পাৰে। NCFএ এই বিষয়টো চালি-জাৰি চাইছিল। "Teaching of Science" নামৰ ফ'কাছ দলটোৱে ইয়াৰ ওপৰত গুৰুত্ব দিছিল যে বাহ্যিক পৰীক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত অধিক গুৰুত্ব নিদি, বিদ্যালয়ৰ বিজ্ঞানৰ পাঠ্যক্ৰম পৰীক্ষাভিত্তিক শিক্ষণ হ'ব লাগে লগতে বিদ্যালয়ৰ পুথিভঁৰাল, গৱেষণাগাৰ আৰু সংস্কৃতি বা জ্ঞান প্ৰচাৰৰ বাবে কৰ্মশালী অনুষ্ঠিত কৰিব লাগে। লগতে কম্পিউটাৰ সমন্বিত পৰীক্ষা-নিৰীক্ষা আৰু ৰাজহুৱা খণ্ডৰ পৰা সংগ্ৰহিত তথ্য সম্বন্বিত প্ৰকল্পৰ ব্যৱহাৰিতা, NCFএ উল্লেখযোগ্য প্ৰয়োজনীয়তা বুলি গণ্য কৰিছিল।

গণিত শিক্ষাই ছাত্ৰ-ছাত্ৰীক চিন্তা কৰাৰ সামৰ্থ, কাৰণ দৰ্শোৱা, অনুদৰ্শন আৰু বিমূৰ্ততাক পৰিচালনা কৰা, সমস্যা সমূহৰ সমাধান আৰু গঠন ইত্যাদি সম্পৰ্কত সহায় কৰিব লাগে। বিজ্ঞান শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যেক দিনৰ জ্ঞান আৰু অভিজ্ঞতাক পৰীক্ষা আৰু বিশ্লেষণ কৰাৰ সামৰ্থ্য কৰি তুলিব লাগে। পৰিৱেশ শিক্ষা প্ৰত্যেক বিষয়ৰে এটা অংশ হ'ব লাগে। ই লগতে সমাজ বিজ্ঞানক এক বিশিষ্ট দলীয় দৃষ্টিভংগীৰ পৰা প্ৰতিমান বিতাপণ (Paradigm shift) হোৱাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছিল। ই লিঙ্গ ন্যায়, ট্ৰাইবেল সংবেদনশীলতা আৰু দলিতসম্পৰ্কীয় বিষয় তথা সংখ্যালঘু সংবেদনশীলতা সম্পৰ্কেও পৰামৰ্শ আগবঢ়াইছিল। এই দস্তাবেজে কৰ্ম আৰু শিক্ষাৰ ওপৰত মনোযোগ দিছিল। গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে, কৰ্মক জ্ঞানৰ আৰু মূল্যবোধৰ নতুন সৃষ্টিশীল গাঁথনি হিচাপে স্বীকৃতি দিয়া হৈছিল। কৰ্মশিক্ষাক ঐতিহ্য শিল্পৰ লগত জড়িত কৰাব লাগে বিশেষকৈ শিল্পঅঞ্চলসমূহত ইয়াক মানচিত্ৰিত কৰাটো প্ৰয়োজনীয়, যাতে সাংস্কৃতিৰ আৰু অৰ্থনৈতিক সম্পদৰ এই উৎসক সঠিকভাৱে ব্যৱহাৰ কৰি শিক্ষাৰ লগত জড়িত কৰিব পাৰি।

ই পাঠ্যক্ৰমিক দিশ, শিক্ষণীয় সমল, যেনে— পাঠ্যপুথি, পুথিভঁৰাল শিক্ষা প্ৰযুক্তিবিদ্যা আহিলা গৱেষণাগাৰ ইত্যাদিসমূহৰ বিষয়েও আলোচনা আগবঢ়ায়। ই সামগ্ৰীৰ সংখ্যা বৃদ্ধিৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে আৰু লগতে বৃত্তিগত স্বাধীনতা আৰু শিক্ষকৰ স্বায়ত্বতাৰ ওপৰতো দৃষ্টি নিবন্ধ কৰে। লগতে ই পৰামৰ্শ সম্পৰ্কীয় গুণৰ উন্নীতকৰণ আৰু বিদ্যালয়ৰ শৈক্ষিক পৰিকল্পনা আৰু নেতৃত্ব সম্বন্ধীয় বিষয়সমূহেবো আলোচনা কৰা।

NCF, ২০০৫ৰ সংশোধিত ব্যৱস্থা, বিশেষকৈ শিশুসকলৰ ওপৰত থকা পাঠ্যক্ৰমৰ বোজা সম্বন্ধীয় সমস্যাসমূহৰ বাবে সম্বোধন কৰা হৈছিল। যশপাল কমিটীয়ে এই সমস্যাটো বিশ্লেষণ কৰি ইয়াৰ শিপা, মূল শিক্ষা ব্যৱস্থাতেই পাইছিল য'ত জ্ঞানক কেৱল তথ্য আহৰণ হিচাপে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ Learning Without Burden নামৰ ৰিপোৰ্টত কমিটীয়ে আঙুলিয়াই দিছিল যে বিদ্যালয়ত শিক্ষণ তেতিয়ালৈকে আনন্দময় অভিজ্ঞতা নহ'ব যেতিয়ালৈকে আমি শিশুসকলক কেৱল

জ্ঞানৰ গ্ৰাহক হিচাপে কৰা ধাৰণাক পৰিৱৰ্তন নকৰো আৰু পৰীক্ষাৰ বাবেই পাঠ্যপুথি ব্যৱহাৰৰ ধাৰণাটো সলনি নকৰো। সকলো শিকাবলগীয়া মানসিকতাটো কেৱল শিশুৰ নিজৰ সৃষ্টিশীল প্ৰবৃত্তিৰ বিশ্বাসক অবাৰতেই গঢ় লৈ উঠিছে আৰু সিহঁতৰ নিজৰ অভিজ্ঞতাৰ ভিত্তিত জ্ঞান গঠনৰ সামৰ্থ্যতা কমি আহিছে।

"Learning Without Burden"-এ পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ আৰ্হিৰ এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ পৰামৰ্শ দিছে। শিক্ষাদানক শিশু সৃষ্টিশীল বিকাশৰ বৃদ্ধিৰ বাবে এই ৰিপোৰ্টে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ গাঁথনিৰ মৌলিক পৰিৱৰ্তন আৰু পৰীক্ষা পদ্ধতিৰ পৰিৱৰ্তন সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছিল।

**সমালোচনামূলক শিক্ষাদান শৈলী ঃ**

শিশুসকলে নিজৰ অৱস্থিতি আৰু প্ৰয়োজনৰ নিজেই পৰ্যবেক্ষক, সেয়েহে তেওঁলোকক সিঁহতৰ শিক্ষাৰ আৰু ভৱিষ্যতৰ সুবিধাসমূহৰ আলোচনা আৰু সমস্যা সমাধান প্ৰসংগত অংশগ্ৰহণ কৰিব দিব লাগে। সেয়েহে শিশুৱে এই ক্ষেত্ৰত সজাগ হোৱাটো জৰুৰী যে সিহঁতৰ অভিজ্ঞতা আৰু ধাৰণাসমূহ সিঁহতৰ বাবে খুবেই প্ৰয়োজনীয় আৰু লগতে স্বাধীনভাৱে কাৰণ দৰ্শোৱা আৰু চিন্তাশক্তিৰ বাবে মানসিক কৌশলৰ বিকাশৰ বাবে উৎসাহিত কৰিব লাগে। আৰু সাহসী তথা অমায়িক হোৱাৰ বাবে উৎসাহিত কৰিব লাগে। শ্ৰেমীকোঠাৰ ভিতৰত অংশগ্ৰহণকাৰী শিক্ষণ, শিক্ষাদান, আৱেগ আৰু অভিজ্ঞতাৰ এক বিশেষ মূল্যৱান স্থান থাকিব লাগিব। শুদ্ধ/সত্য অংশগ্ৰহণ, উভয়ে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাৰ পৰা আৰম্ভ হয়। সমালোচনাত্মক শিক্ষাদান শৈলীয়ে, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু নৈতিক দিশসমূহৰ ওপৰত এক প্ৰতিফলিত সমালোচনাৰ সুবিধা প্ৰদান কৰে। ই সামাজিক বিষয়সমূহৰ বিভিন্ন মতামতক গ্ৰাহ্য আৰু গণতান্ত্ৰিক গাঁথনিৰ আদান-প্ৰদানৰ ক্ষেত্ৰত অধিক জোৰ দিয়ে। আমাৰ বিদ্যালয়সমূহ চলা বিভিন্ন কাৰ্য্যৰ বাবে এই উপায় অতি প্ৰয়োজনীয়। এটা সমালোচনাত্মক গাঁথনিয়ে শিশুসকলক সমাজৰ বিভিন্ন বিষয়ক বিভিন্ন দৃষ্টিভংগীৰে চোৱাত সহায় কৰে আৰু সিহঁতে বুজে যে এই বিষয়সমূহ সিহঁতৰ জীৱনৰ লগত কেনেকৈ জড়িত হৈ আছে। সমালোচনাত্মক শিক্ষাদান শৈলীয়ে সামূহিক সিদ্ধান্ত গ্ৰহণত সহায় কৰে, যাক মুক্ত আলোচনাৰ মাধ্যমত গ্ৰহণ কৰা হয়। লগতে বিভিন্ন মহামতক স্বীকৃতি দিয়াত উৎসাহিত কৰে তথা এই অৱস্থা/পৰিস্থিতিসমূহৰ প্ৰতি সংবেদনশীল হৈ এখন পাঠ্যক্ৰম ৰূপ/গঢ় দিয়াত উৎসাহিত কৰে।

**২.৫.২ প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ ওপৰত প্ৰভাৱ ঃ**

শিক্ষাৰ ক্ষেত্ৰত হোৱা এই বিকাশসমূহৰ ফলস্বৰূপে তথা RTE Actৰ প্ৰচলন সকলো ৰাজ্যতে হোৱা বাবে সমগ্ৰ দেশতে সকলো স্তৰতে তাৎক্ষণিক সিদ্ধান্ত লোৱা হৈছে। নতুন পাঠ্যক্ৰম বেছি ভাগ ৰাজ্যতেই NCFৰ নিৰ্দেশ মানি প্ৰস্তুত কৰা হৈছে। আৰু এই সংশোধন আৰু দৰ্শন তথা শিক্ষা ব্যৱস্থাৰ সৈতে সকলো বিষয়ৰে নতুন পাঠ্যপুথি প্ৰস্তুত কৰিছে। পৰীক্ষা পদ্ধতি ৰ'দ কৰি প্ৰাথমিক স্তৰত ব্যাপক আৰু অবিৰত মূল্যায়ন (CCE) আৰম্ভ কৰা হৈছে সহভাগী প্ৰবন্ধনৰ ব্যৱস্থা য'ত লাভাৰ্থীসকলে বা সম্প্ৰদায়সকলে বিদ্যালয় প্ৰাংগনৰ লগত জড়িত হৈ যুৱ-প্ৰজন্মক শিক্ষা দিয়াৰ ব্যৱস্থাও আছে। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষক শিক্ষণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰাত অধিক গুৰুত্ব দিয়া হৈছিল।

পাঠ্যক্ৰম লেনদেনৰ বাবে মুঠ ২০০ দিন ধাৰ্য কৰা হৈছে। বিদ্যালয়ৰ বাৰ্ষিক কেলেণ্ডাৰখন

জিলাভিত্তিক বিকেন্দ্ৰীকৃত কৰা হ'ব, যাক জিলা পঞ্চায়তত সিদ্ধান্ত লোৱা হ'ব। মুঠ প্ৰস্তাৱিত গৃহকাৰ্যৰ সময় হৈছে (ক) দ্বিতীয় শ্ৰেণীলৈ কোনো গৃহকাৰ্য নাই আৰু প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা সপ্তাহত তিনিঘণ্টাৰ গৃহ কাৰ্য (খ) মধ্য বিদ্যালয় ১ দিনত ১ ঘণ্টীয়া গৃহকাৰ্য (প্ৰায় এসপ্তাহত ৫ৰ পৰা ৬ ঘণ্টা) (গ) এদিনত দুঘণ্টাকৈ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকত (প্ৰায় ১০ৰ পৰা ১২ ঘণ্টা, ১ সপ্তাহত)।

এই সকলো পৰিৱৰ্তনে নতুন শিক্ষাদান শৈলীৰ বাবে, শিক্ষক-প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাক সূচায়। সেয়েহে NCFএ শিক্ষকৰ ভূমিকা আৰু দায়িত্বক নতুন ৰূপ দিয়াৰ বাবে তেওঁলোকৰ প্ৰশিক্ষণ সম্বন্ধীয় বিভিন্ন উপদেশ আগবঢ়াইছিল। শিক্ষক শিক্ষা পাঠ্যক্ৰম নতুনকৈ গঠন কৰাৰ প্ৰয়োজন আৰু বলিষ্ঠ কৰিব লাগে যাতে শিক্ষক উৎসাহিতপূৰ্ণ, সমৰ্থিত আৰু শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ দয়ালু সূত্ৰধাৰ হয় যাৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ প্ৰতিভাৰ আৱিষ্কাৰ কৰিব পাৰে আৰু সিহঁতৰ শাৰীৰিক আৰু বৌদ্ধিক শক্তিক বুজিব পাৰে। সিহঁতৰ চৰিত্ৰ বিকাশ কৰিব পাৰে যাৰ দ্বাৰা সিহঁতে সমাজৰ, এজন দায়িত্বশীল নাগৰিক হিচাপে সামাজিক আৰু মানৱীয় প্ৰমূল্যবোধৰ আৱিষ্কাৰ কৰিব পাৰে। শিক্ষকৰ স্বায়ত্বতা আৰু বৃত্তিগত স্বাধীনতা অতি প্ৰয়োজনীয় যাতে ইয়াৰ, যাৰ শিক্ষাৰ্থীৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিব পাৰি আৰু এক শিক্ষণীয় পৰিৱেশৰ সৃষ্টি কৰিব পাৰি।

এনে শিক্ষক শিক্ষা পাঠ্যক্ৰমে জ্ঞান গঢ়াৰ প্ৰক্ৰিয়াত শিক্ষাৰ্থীৰ সক্ৰিয় অংশগ্ৰহণ কৰাটোক গুৰুত্ব দিয়ে। শিক্ষণীয় বিষয়ৰ বিনিময়, জ্ঞান গঢ়াৰ ক্ষেত্ৰত শিক্ষক হৈছে সূত্ৰধাৰ। শিক্ষক শিক্ষাৰ বহুমুখী জ্ঞানৰ বৈশিষ্ট্য, তত্ত্ব আৰু ব্যৱহাৰিক ক্ষেত্ৰ যৌথমিলন আৰু সমসাময়িক ভাৰতীয় সমাজৰ বিষয় আৰু চিন্তাধাৰাৰ প্ৰতি আকৰ্ষিত কৰি এক সমালোচনাত্মক দৃষ্টিভংগী আগবঢ়োৱা।

এই ক্ষেত্ৰত শিক্ষক শিক্ষাত ভাষাৰ দখলতা আটাইতকৈ প্ৰয়োজনীয় আৰু এখন যৌথ আৰ্হিৰ শিক্ষক শিক্ষাৰ অতিকৈ প্ৰয়োজনীয় যাতে, শিক্ষকৰ বৃত্তিমূলক দিশটো সবলীকৰণ কৰিব পাৰি।

NCF ২০০৫ কৰ্মকালীন শিক্ষক শিক্ষা হিচাপে গণ্য কৰে, যিয়ে বিদ্যালয় ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব।

**২.৬ সাৰাংশ**

স্বাধীনোত্তৰ সময়ছোৱাত আগবঢ়োৱা বিভিন্ন কমিচন আৰু কমিটীৰ ওপৰত আলোচনা আৰু পুণনীৰীক্ষণ কৰাৰ পিছত, আমি এই গোটৰ পৰা শিকিলো যে, বৰ্তমান শিক্ষা ব্যৱস্থাৰ উৎপত্তি ক'ত আৰু কেনেকৈ হৈছিল। আমি দেখিলো যে কেনেকৈ ৰাধাকৃষ্ণণন আয়োগ আৰু কোঠাৰী আয়োগে সাধাৰণ শিক্ষাৰ বিকাশৰ বাবে প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু কেনেকৈ যশপবাল কমিটীয়ে এই দেশত প্ৰাথমিক শিক্ষা বিকাশত প্ৰভাৱ পেলাইছিল। আৰু ইয়াকো জানিলো যে কেনেকৈ এই আয়োগ সমূহে সময়ে সময়ে ৰাষ্ট্ৰীয় নীতি প্ৰস্তুতকৰণ আৰু সংশোধনত প্ৰভাৱ পেলাইছিল। শিক্ষানীতি আৰু ইয়াৰ উন্নতি সমূহে জাতীয় চাহিদা পূৰণৰ অৰ্থে সময়ে সময়ে পুনঃনিৰীক্ষণ কৰা হৈছিল। NPE, ১৯৮৬এ গুণগত মানদণ্ডৰ বিকাশৰ বাবে পৰিকল্পনা কৰিছিল যিখন শিক্ষাৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত আৰু সমান সম্প্ৰসাৰণৰ ক্ষেত্ৰত ফলপ্ৰসূ আছিল যিয়ে ছোৱালী শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। NPE ১৯৮৬ বা ১৯৯২ চনত উন্নীত কৰা হৈছিল। NPE, ১৯৮৬এ এখন সামগ্ৰিক শিক্ষা গাঁথনি প্ৰস্তুত কৰিছিল যিখন

এই শতিকাৰ শেষৰফাললৈকে শিক্ষা বিকাশত ব্যৱহাৰ হৈ আছিল। আৰু লগতে ১৯৯২ চনত Plan of Action প্ৰস্তুত কৰি সাংগঠনিক দায়িত্ব, প্ৰচলনৰ ভাৰ আৰু অৰ্থব্যৱস্থাৰ প্ৰস্তাৱনা দিছিল। এই সকলো নীতিৰ সিদ্ধান্তক সময়ে সময়ে মানি আৰু যশপাল কমিটীৰ পৰামৰ্শসমূহক লৈ সমগ্ৰ বিদ্যালয়ৰ গাঁথনি সংশোধিত কৰি এখন নতুন ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি ২০০৭ চনত প্ৰস্তুত কৰা হৈছিল, যাক আজিকোপতিও দেশত প্ৰচলন কৰি থকা হৈছে।

**২.৭ পৰমৰ্শনীয় পঠন আৰু প্ৰসংগপুথি**

**২.৪ গোট - সমাপ্তিৰ অনুশীলনী ঃ**

১. NPE ১৯৬৮ত থকা সত্ত্বেও আৰু ১৯৮৫ চনত কিয় নতুন এখন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল।

২. কোঠাৰী আয়োগ কিয় নিয়োগ কৰা হৈছিল? কোঠাৰী আয়োগৰ যিকোনো চাৰিটা প্ৰধান পৰামৰ্শ উল্লেখ কৰা।

৩. শিক্ষক শিক্ষাৰ উন্নীতকৰণৰ বাবে কিছু বিশেষ পৰামৰ্শৰ বিষয়ে আলোচনা কৰা।

৪. ভাৰতৰ প্ৰাথমিক শিক্ষাৰ প্ৰধান চিন্তনীয় বিষয়সমূহ কি কি?

৫. বৰ্তমানৰ শিক্ষানীতিৰ মুখ্য বৈশিষ্ট্যসমূহ উল্লেখ কৰি বৰ্ণনা কৰা।

৬. ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি ২০০৫ৰ প্ৰাসংগিকতাৰ মূল্যায়ণ কৰা আৰু লগতে Plan of Actionৰ সাৰ্থক কাৰ্যকাৰিতাৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

৭. ৮ বছৰীয়া প্ৰাথমিক শিক্ষাৰ গাঁথনিৰ সমালোচনাত্মক পৰীক্ষা কৰা। আৰু সমগ্ৰ দেশতে এই গাঁথনিৰ সমপ্ৰৱৰ্তনৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা।

# গোট ৩ ঃ মৌলিক অধিকাৰ হিচাপে শিক্ষা

**গঠন ঃ**

৩.০ পৰিচয়

৩.১ শিক্ষণীয় উদ্দেশ্যসমূহ

৩.২ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ধাৰণা আৰু প্ৰয়োজনীয়তা

৩.২.১ ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদ

৩.২.২ UEEৰ লক্ষত উপনীত হোৱাত অকৃতকাৰ্যতাৰ কাৰণসমূহ

৩.২.৩ ৮৬তম সাংবিধানিক সংশোধনী

৩.২.৪ শিক্ষাৰ অধিকাৰ আইন, ২০০৯

৩.২.৫ শিশুৰ অধিকাৰসমূহ

৩.৩ শিক্ষকৰ ভূমিকা আৰু দায়িত্ব

৩.৪ বিদ্যালয় প্ৰশাসন আৰু প্ৰবন্ধন

৩.৫ পাঠ্যক্ৰম আৰু মূল্যায়নৰ অনিবাৰ্যতা

৩.৬ RTE আইন ২০০৯ৰ নীতিসমূহ

৩.৬.১ প্ৰাৰম্ভিক

৩.৬.২ শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ

৩.৬.০ ৰাজ্য চৰকাৰৰ কৰ্তব্য

৩.৬.৪ ৰেকৰ্ডসমূহৰ সংৰক্ষণ

৩.৬.৫ বিদ্যালয়সমূহৰ আৰু শিক্ষকসকলৰ দায়িত্ব

৩.৬.৬ বিদ্যালয় পৰিচালনা কমিটি

৩.৬.৭ শিক্ষকসকল

৩.৬.৮ পাঠ্যক্ৰম আৰু প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণকৰণ

৩.৬.৯ শিশুৰ অধিকাৰসমূহৰ সুৰক্ষা

৩.৭ সামৰণি/সাৰাংশ

৩.৮ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি

৩.৯ গোট সমাপ্তিৰ অনুশীলনী

**৩.০ পৰিচয় ঃ**

আপোনালোকে জানে যে শিক্ষাই হৈছে যিকোনো এখন দেশৰ প্ৰগতিৰ মূল চাবিকাঠি। শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে শিশুৰ ব্যক্তিত্বৰসম্পূৰ্ণ বিকাশ সাধন কৰা। ২০১১ৰ জনগণনা মতে ভাৰতৰ সাক্ষৰতাৰ হাৰ আছিল ৭৪.০৪। কেইখনমান ৰাজ্য যেনে কেৰেলাত সাক্ষৰতাৰ হাৰ অতি উচ্চ আছিল যেনে ৯৩.৯, যদিও বিহাৰৰ দৰে ৰাজ্যত ই সিমানেই নিম্ন আছিল যেনে ৬৩.৪% (শতাংশ)।

গোট-১ আৰু গোট-২ত আপোনালোকে বিভিন্ন আয়োগ আৰু কমিটিৰ শিক্ষা সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শসমূহ অধ্যয়ন কৰিছে। ইয়াৰ লগতে আপোনালোকে প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমৰ বিকাশ আৰু NCF 2006ৰ প্ৰধান কাৰ্যকাৰিতাসমূহৰ বিষয়েও অধ্যয়ন কৰিছে। এই গোটটোত আমি এই বিষয়ে অধ্যয়ন কৰিম যে কেনেকৈ শিক্ষা, শিশুৰ মৌলিক অধিকাৰ হিচাপে উদ্ভুত হৈছে। আমি RTE আইন ২০০৯ৰ ব্যৱস্থাসমূহৰ বিষয়েও আলোচনা কৰিম।

সংযুক্ত ৰাষ্ট্ৰসংঘই অধিকাৰ সম্পৰ্কে কিছুমান দৰকাৰী তথ্য আগবঢ়াইছিল। ১৯৪৮ চনত 'মানৱ অধিকাৰৰ ঘোষণাপত্ৰ' আৰু ১৯৫৯ চনত 'শিশুৰ অধিকাৰৰ ঘোষণা পত্ৰ' শীৰ্ষক দুখন ঘোষণা পত্ৰ জাৰি কৰিছিল। যদিও আমি একৈশ শতিকাত জীয়াই আছো তথাপিও আমি জানো যে হাজাৰ হাজাৰ মানুহ এতিয়াও দৰিদ্ৰ আৰু আধুনিক জীৱনৰ সুগমতাৰ অবিহনে জীয়াই আছে। স্বাধীনতাৰ পিছত যদিও শিক্ষাৰ প্ৰসাৰ বহলভাৱে কৰা হৈছিল, তৎসত্বেও বহু লাখ লাখ ল'ৰা-ছোৱালীৰ বিদ্যালয়সমূহৰ নামভৰ্তি হোৱা নাছিল আৰু বাদ পৰা শিশু, অপচয় আৰু অনুন্নয়নৰ হাৰো বৃদ্ধি হৈছিল। এই তথ্যৰ ভিত্তিত ভাৰতীয় সংসদে ২০০৯ চনৰ আগষ্ট মাহত শিক্ষাৰ অধিকাৰ আইনৰ প্ৰৱৰ্তন কৰিছিল। এই গোটটোত আমি এই আইনৰ ব্যৱস্থাসমূহৰ বিষয়ে অধ্যয়ন কৰিম আৰু লগতে UEEৰ লক্ষ্যসমূহত উপনীত হ'বলৈ, শিক্ষক হিচাপে থকা আমাৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কেও অধ্যয়ন কৰিম।

**৩.১ শিক্ষণীয় উদ্দেশ্যসমূহ ঃ**

এই গোটটোত অধ্যয়ন কৰাৰ পিছত আপোনালোকে জানিব ঃ

- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ অৰ্থৰ ব্যাখ্যা কৰা।
- ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদত থকা UEEৰ লক্ষ্যসমূহৰ অকৃতকাৰ্যতাৰ কাৰণসমূহৰ আলোচনা কৰা।
- ৮৬তম সাংবিধানিক সংশোধনীৰ (২০০২) ব্যৱস্থাসমূহ দৰ্শোৱা।
- সংযুক্ত ৰাষ্ট্ৰসংঘৰ শিশুৰ অধিকাৰ ঘোষণাপত্ৰত দিয়া থকা শিশুৰ অধিকাৰসমূহৰ বহল ব্যাখ্যা কৰা।
- শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ নীতিৰ আৰু ব্যৱস্থাসমূহৰ আলোচনা কৰা।
- শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত থকা শিক্ষক ভূমিকা আৰু দায়িত্বসমূহৰ ব্যাখ্যা আগবঢ়োৱা।

• RTEৰ লক্ষ্যসমূহত উপনীত হোৱাৰ অৰ্থে প্ৰয়োজনীয় মূল্যায়ণ ব্যৱস্থাৰ ব্যাখ্যা কৰা।

• RTE আইনৰ ব্যৱস্থাসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত থকা হিতাধিকাৰীসকলৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা।

**৩.২ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ধাৰণা আৰু প্ৰয়োজনীয়তা ঃ**

আপোনালোকে জানে যে প্ৰাথমিক শিক্ষাই ৬-১৪ বছৰ বয়সৰ সকলো শিশুৰে প্ৰয়োজনসমূহক সাঙুৰি লয়। মুঠতে ই প্ৰথম শ্ৰেণীৰ পৰা অষ্টমমান শ্ৰেণীলৈ থকা শিক্ষাৰ প্ৰয়োজনীয়তাক সাঙুৰি লয় (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণী- নিম্ন প্ৰাথমিক, পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী-উচ্চ প্ৰাথমিক)। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰন মানে হৈছে দেশৰ প্ৰতিজন আৰু প্ৰত্যেক শিশুকে জাতি, বৰ্ণ, ধৰ্ম, জাতীয় দল, লিঙ্গ আৰু সামাজিক-অৰ্থনৈতিক ব্যৱস্থা নিবিৰ্শেষে সকলোকে প্ৰাথমিক শিক্ষাৰ সুযোগ প্ৰদান কৰা শিক্ষাই হৈছে সকলো প্ৰকাৰৰ মানৱ-বিকাশ আৰু প্ৰগতিৰ মূল ভেটি। শিক্ষাক মানুহৰ সকলো সমস্যা ৰুধিবলৈ ব্যৱহাৰ কৰা আটাইতকৈ চোকা অস্ত্ৰ আৰু শক্তিশালী ঢাল বুলি কোৱা হয়। শিক্ষাৰ অবিহনে মানৱ জীৱন অৰ্থবিহীন হৈ পৰে। শিক্ষাই হৈছে এনে এক মাধ্যম যাৰ দ্বাৰা আমি জ্ঞান আৰু কৌশল আহৰণ কৰো আৰু যিয়ে আমাক এক অৰ্থপূৰ্ণ জীৱন অতিবাহিত কৰাত সহায় কৰে। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ আৰু ন্যায়, সমতা আৰু স্বতন্ত্ৰতা হৈছে আমাৰ সাংবিধানিক মূল নিৰ্দেশনানীতি। আপোনালোকে এই মতৰ সৈতে সমৰ্থন আগবঢ়াব যে কাৰোবাক শিক্ষা লাভৰ অধিকাৰৰ পৰা বঞ্চিত কৰাটো এক গুৰুতৰ অন্যায় আৰু সেয়েহে আমাৰ দৰে গণতান্ত্ৰিক আৰু ধৰ্ম নিৰপেক্ষ দেশ এখনত অতি কমেও প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাটো প্ৰধান কৰ্তব্য।

**৩.২.১ ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদ ঃ**

ভাৰতীয় সংবিধানে মানৱ বিকাশৰ সকলো দিশৰে সমানে যত্ন লয়। সংবিধানৰ ৪৫ নং অনুচ্ছেদত ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্ৰহণৰ ব্যৱস্থা আছে। আপোনালোকে জানে যে, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থা, সকলো পঞ্চমবৰ্ষীয় পৰিকল্পনাৰ এক অবিচ্ছেদ্য অংশ। আৰু এই ব্যৱস্থাৰ চৰকাৰ, বেচৰকাৰী অনুষ্ঠান, স্বেচ্ছাসেৱিক সংগঠন আৰু ব্যক্তিগত অনুষ্ঠান আদি সকলো জড়িত, কিন্তু তথাপিও সকলোকে শিক্ষা ব্যৱস্থা দিয়াৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সফল সাৰ্থকতা লাভ কৰিব পৰা হোৱা নাই।

**৩.২.১ UEEৰ লক্ষ্যত উপনীত হোৱাত, অকৃতকাৰ্যতাৰ কাৰণসমূহ ঃ**

UEEৰ লক্ষ্যত উপনীত হোৱাত, অকৃতকাৰ্য হোৱাৰ কিছুমান কাৰণ হ'ল—

| | | |
|---|---|---|
| UEEৰ লক্ষ্যত উপনীত হোৱাত অকৃতকাৰ্য হোৱাৰ কাৰণ সমূহ | —— | জনসংখ্যা বিস্ফোৰণ |
| | —— | দৰিদ্ৰতা |
| | —— | কৃষিভিত্তিক অৰ্থনীতি |
| | —— | যোগাযোগৰ অভাৱ |
| | —— | নিবনুৱা সমস্যা |
| | —— | বাদ পৰা শিশু, অপচয় আৰু অনুন্নয়ন |
| | —— | সচেতনতাৰ অভাৱ |
| | —— | লিংগ পক্ষপাতিত্ব |
| | —— | অসুস্থিৰ জীৱন |
| | —— | যুদ্ধদেহী প্ৰচেষ্টা/মনোভাৱৰ অভাৱ |

চিত্ৰ ১ ঃ UEEৰ লক্ষ্যত উপনীত হোৱাত, অকৃতকাৰ্যতাৰ কাৰণসমূহ

**জনসংখ্যা বিস্ফোৰণ ঃ** সংখ্যাগত বৃদ্ধিৰ স্বত্ত্বেও, বিদ্যালয় শিক্ষাৰ জালিখনে আমাৰ দেশৰ সকলো তথা প্ৰতিজন শিশুৰ ওচৰ চাপিব পৰা নাই। জনসংখ্যা বৃদ্ধিয়ে বিকাশৰ হাৰৰ গতি হ্ৰাস কৰে। আৰু আপোনালোকে জানে যে জনসংখ্যা বৃদ্ধিৰ দ্ৰুত হাৰে, আমাৰ জীৱনৰ বিভিন্ন দিশত সমস্যাৰ সৃষ্টি কৰে।

**দৰিদ্ৰতা ঃ** সহস্ৰাধিক পিতৃ-মাতৃৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিওৱাটো এটা বিলাসিতা, যিটো তেওঁলোকে বহন কৰিব নোৱাৰে। তেওঁলোকৰ শিশুসকলে জীয়াই থাকিবলৈ আৰু উপাৰ্জন কৰিবলৈ অতি কষ্ট কৰিব লাগে আৰু সেয়েহে তেওঁলোকে তেওঁলোকৰ শিশুসকলক বিদ্যালয়ত নামভৰ্তি কৰাব নোৱাৰে। আমি প্ৰায়ে দেখো যে বেছিভাগ কমবয়সীয়া শিশু বিভিন্ন কামৰ লগত জড়িত হৈ আছে।

**কৃষিভিত্তিক অৰ্থনীতি ঃ** দৰিদ্ৰতা আধুনিক প্ৰযুক্তিবিদ্যাৰ অভাৱৰ বাবে বেছিভাগ পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানক বিদ্যালয়লৈ পঠিওৱাৰ পৰিৱৰ্তে, কৰ্মক্ষেত্ৰৰ লগত জড়িত কৰাৰ ক্ষেত্ৰত বেছি প্ৰাধান্য দিয়ে।

**যোগাযোগৰ অভাৱ ঃ** দূৰৱৰ্তী অঞ্চল, পাহাৰীয়া আৰু আদিবাসী অঞ্চলসমূহত চৰকাৰী সংস্থানসমূহৰ আৰু সাধাৰণ জনতাৰ মাজত এক বৃহৎ যোগাযোগৰ অভাৱ পৰিলক্ষিত হয়। এই অঞ্চলত বসবাস কৰা শিশুসকলৰ শিক্ষা লাভ কৰাটো সুগম নহয়। আৰু এনেকুৱা সমস্যা জৰ্জৰিত অঞ্চলত স্থানীয় অনুষ্ঠান প্ৰতিষ্ঠান বা NGO বেচৰকাৰী সংস্থাসমূহে শিক্ষা বিস্তাৰ কৰাৰ ক্ষেত্ৰত অধিক সুফল দেখুৱাব নোৱাৰে যাৰ ফলত শিশুসকল সমস্যাত ভূগিবগীয়া হয়।

**নিবনুৱা সমস্যা ঃ** বেছিভাগ পিতৃ-মাতৃয়ে ভাবে যে, যিহেতু শিক্ষিত যুৱকসকল নিবনুৱা হৈ থাকিবলগীয়া হয় গতিকে তেওঁলোকৰ সন্তানকো বিদ্যালয়লৈ পঠিওৱাৰো কোনো প্ৰশ্নই নুঠে।

তথাপিও আপোনালোকে জানে যে এই মতামত সম্পূৰ্ণৰূপে শুদ্ধ নহয় আৰু এজন শিক্ষক হিচাপে আপোনালোকে কষ্ট সাধ্যৰে এই ধৰণৰ ঋণাত্মক চিন্তাধাৰাৰ সলনি কৰিব লাগিব।

**মনোযোগৰ অভাৱ ঃ** যদিও চৰকাৰে বিদ্যালয়লৈ যোৱা শিশুসকলক প্ৰোৎসাহন ৰাশি প্ৰদান কৰে যেনে— বিনামূলীয়া শিক্ষা, বৃত্তি আৰু অন্যান্য সা-সুবিধা তথাপিও পিতৃ-মাতৃসকলৰ মাজত, সিহঁতৰ সন্তানক বিদ্যালয়লৈ পঠিওৱাৰ ক্ষেত্ৰত সঠিক আগ্ৰহৰ অভাৱ পৰিলক্ষিত হয়। আৰু ইয়াৰ আগ্ৰহৰ অভাৱৰ ফলস্বৰূপে বিদ্যালয়সমূহত নামভৰ্তিৰ সংখ্যা বৃদ্ধি নহয়।

**বাদ পৰা শিশু, অপচয় আৰু অনুন্নয়ন ঃ** আমি প্ৰায়ে দেখো যে যদিও শিশুসকলক বিদ্যালয়ত নামভৰ্তি কৰি দিয়া হয় তথাপিও বিভিন্ন কাৰণবশত সিহঁতে বিদ্যালয় বাদ দিয়ে। প্ৰাথমিক পৰ্যায়লৈকে অপচয় আৰু অনুন্নয়ন, শিশুসকলৰ শিক্ষা সমাপ্তিৰ ক্ষেত্ৰত এক বৃহৎ বাধা হিচাপে দেখা দিয়ে।

**সচেতনতাৰ অভাৱ আৰু অৱহেলা ঃ** শিক্ষাৰ মূল্যৰ প্ৰতি কৰা অৱহেলা এক অভিশাপস্বৰূপ। আমাৰ সমাজত বেছিভাগ পিতৃ-মাতৃয়ে, আমাৰ জীৱনত থকা শিক্ষাৰ প্ৰয়োজনীয়তাক অৱহেলা কৰে। আৰু তেওঁলোকে তেওঁলোকৰ সন্তানক বিদ্যালয়লৈ নপঠিওৱাৰ মূল কাৰণেই হৈছে অৱহেলা।

**লিংগ পক্ষপাতিত্ব ঃ** বেছিভাগ ৰাজ্যতেই মহিলাৰ সাক্ষৰতাৰ হাৰ, পুৰুষৰ সাক্ষৰতাৰ হাৰতকৈ বহুত কম। আৰু বেছিভাগ সমাজ ব্যৱস্থাতেই লিংগ পক্ষপাতিত্বৰ প্ৰভাৱ প্ৰৱল। আমি প্ৰায়ে দেখো যে শিক্ষা গ্ৰহণৰ সুযোগ কেৱল ল'ৰা শিশুসকলক দিয়া হয় আৰু ছোৱালী শিশুসকলক শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত কৰা হয়। আৰু তাৰ পৰিৱৰ্তে ছোৱালীয়ে তাইৰ মাকক দৈনন্দিন কাৰ্যত সহায় কৰাৰ লগতে তাইৰ সৰু ভায়েক-ভনীয়েকক চোৱা-চিতা কৰাৰ দায়িত্ব ভাৰ ল'ব লাগে।

**জীৱনত সুস্থিৰতাৰ অভাৱ ঃ** কিছুমান আদিবাসী আৰু অঘৰী এতিয়াও অঘৰী হৈয়ে আছে আৰু জীৱন নিৰ্বাহৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰে। কিছুমান শ্ৰমিকসকলৰ জীৱনতো সুস্থিৰতা নাই। বহুতো শিশু অনাথ। আৰু এই সকলো পৰিঘটনা ক্ষেত্ৰত আমি অনুমান কৰিব পাৰো যে তেওঁলোকৰ বাবে শিক্ষা গ্ৰহণ কৰাটো এক অদূৰ সপোন।

**কাৰ্য-১**

১। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যৰ অকৃতকাৰ্যতাৰ অতি কমেও আৰু তিনিটা কাৰণ সংযোগ কৰক।

............................................

............................................

............................................

২। সাক্ষৰ আৰু নিৰক্ষৰৰ জীৱনশৈলীৰ মাজত কিবা পাৰ্থক্য দেখিছিলেনে? নিম্নলিখিতসমূহৰ ওপৰত ভিত্তি কৰি আপোনালোকে সাক্ষৰ আৰু নিৰক্ষৰ লোকসকলৰ মাজত কেনেধৰণৰ পাৰ্থক্য দেখা পাইছে— (আপোনালোকৰ পৰ্যবেক্ষণসমূহ ৰেকৰ্ড কৰক)

- জীৱনৰ প্ৰতি আচৰণ
- সামাজিক পৰিপক্কতা
- জ্ঞানৰ পৰিসীমা
- অৰ্থনৈতিক অৱস্থা
- শিশুসকলৰ শৈক্ষিক অৱস্থা
- পৰিয়ালৰ আকাৰ
- জীৱনস্তৰ (Living style)

............................................

............................................

............................................

**৩.২.৩ ৮৬তম সাংবিধানিক সংশোধনী ঃ**

২০০২ চনত ভাৰতীয় সংসদৰ দ্বাৰা সংবিধানখন সংশোধন কৰা হৈছিল।

সংবিধান (৮৬তম সংশোধনী) আইন ২০০০

২। সংক্ষিপ্ত শীৰ্ষক আৰু প্ৰাৰম্ভণি ঃ এই আইনক, সংবিধানখনৰ ৮৬তম সংশোধনী আইন ২০০২ বুলি কোৱা হয়। এই তাৰিখতে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰচালিত চৰকাৰী ৰাজপত্ৰ যোগে ইয়াক বলবৎ কৰা হৈছিল।

৩। নতুন অনুচ্ছেদ ২১Aৰ অন্তৰ্ভুক্তি ঃ সংবিধানৰ অনুচ্ছেদ ২১ৰ পিছত, নিম্নলিখিত অনুচ্ছেদৰ সন্নিৱিষ্ট কৰা হ'ব। যেনে— শিক্ষাৰ অধিকাৰ “২১A— ৰাজ্যই ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব, যেন ই ৰাজ্যৰ এক নিৰ্দ্ধাৰিত আইন।”

৪। অনুচ্ছেদ ৪৫ৰ বাবে নতুন অনুচ্ছেদৰ প্ৰতিষ্ঠাপন ঃ সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ বাবে, নিম্নলিখিত অনুচ্ছেদ দিয়া হ'ব যেনে, ছয় বছৰ বয়সৰ তলৰ শিশুৰ বাবে প্ৰাক-শৈশৱকালীন শিশুৰ যতন আৰু শিক্ষাৰ ব্যৱস্থা “৪৫- ৰাজ্যই, শিশুসকলৰ ছয় বছৰ সম্পূৰ্ণ নোহোৱালৈকে সকলো শিশুকে

প্ৰাক শৈশৱকালীন শিশুৰ যতন আৰু শিক্ষা দিয়াৰ প্ৰয়াস কৰিব।

২০০২ চনত ৮৬ তম সাংবিধানিক সংশোধনীৰ দ্বাৰা, অনুচ্ছেদ ২১(A)ক সন্নিৱিষ্ট কৰা হৈছিল। ই প্ৰাথমিক শিক্ষাৰ অধিকাৰক, স্বাধীনতাৰ অধিকাৰৰ অংশ হিচাপে পৰিগণিত কৰিছিল আৰু দৰ্শাইছিল যে ৰাজ্যসমূহে ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগে।

সংবিধানৰ অনুচ্ছেদ নং ২১ জীৱনৰ নিৰাপত্তা আৰু ব্যক্তিগত স্বাধীনতাৰ লগত জড়িত। অনুচ্ছেদ ২১A, অনুচ্ছেদ ২১ৰ পিছত সংযোগ কৰা হৈছিল। আপোনালোকে প্ৰশংসা কৰিব যে, অনুচ্ছেদ ২১A এ শিশুৰ ৬ৰ পৰা ১৪ বছৰ বয়সলৈকে দিয়া শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে সাব্যস্ত কৰে।

সংবিধানৰ ৫১(এ) নং অনুচ্ছেদত ভাৰতীয় নাগৰিক ১০ টা মৌলিক কৰ্তব্য সন্নিৱিষ্ট হৈ আছে। এই সংশোধনীৰ গুণাগুণ মতে ১১তম মৌলিক কৰ্তব্যটো এনেদৰে পঢ়া হয়— "শিশু বা সন্তানক যিকোনো ক্ষেত্ৰত শিক্ষাৰ লাভৰ সুযোগ প্ৰদান কৰা, যাৰ বয়স ৬ৰ পৰা ১৪ বছৰ। সেয়েহে শিশু অথবা সন্তানক শিক্ষা প্ৰদান কৰাটো এতিয়া বৰ্তমান সকলো নাগৰিকৰে মৌলিক কৰ্তব্য।

**কাৰ্য ২**

১। ভাৰতীয় সংবিধানৰ ৮৬তম সংশোধনে বিদ্যালয় ব্যৱস্থাৰ ওপৰত কেনেধৰণৰ প্ৰভাৰ বিস্তাৰ কৰে বুলি আপুনি ভাবে?

..............................................

..............................................

..............................................

**৩.২.৪ শিক্ষাৰ অধিকাৰ আইন ২০০৯ (Right to Education Act (RTE) 2007 ঃ**

২০০৯ চনৰ ২৬ আগষ্ট তাৰিখে ভাৰতীয় সংসদে শিক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক আইন বলবৎ কৰে যাক শিক্ষাৰ অধিকাৰ আইন ২০০৯ বুলি জনা যায়। UEEৰ লক্ষ্যত অকৃতকাৰ্য হোৱাৰ পৰিপ্ৰেক্ষিতত, এইখনেই ভাৰত চৰকাৰৰ আটাইতকৈ উল্লেখনীয় পদক্ষেপ। কিন্তু আপোনালোকে জানি আচৰিত হ'ব যে, ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়া আইনৰ গঠন, ইতিমধ্যে ১৯০২ চনতে মহাৰাষ্ট্ৰৰ কোলহাপুৰ ৰাজ্যত চট্টপতি চাহু মহাৰাজে কৰিছিল। ১৯১৮ চনত বিঠঠালভাই পেটেলে বোম্বে ৰাজ্যৰ সকলো পৌৰ নিগমৰ পৰিষদত প্ৰাথমিক শিক্ষাৰ বাধ্যতামূলক আইনখন বলবৎ কৰিছিল। মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষা ব্যৱস্থা বা ৱাৰ্দ্ধা শিক্ষা আঁচনিখনেও ১৯৩৭ চনত শিশুসকলৰ বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল। আপোনালোকে মহাত্মা গান্ধীয়ে আগবঢ়োৱা যুক্তি আদৰ্শক সন্মান কৰিব যে, প্ৰত্যেক মানুহৰে মুক্ত বতাহ আৰু পানীৰ ওপৰত অধিকাৰ আছে। ঠিক তেনেদৰে প্ৰত্যেক শিশুকে বিনামূলীয়া শিক্ষাৰ সুবিধা প্ৰদান কৰিব লাগে আৰু চৰকাৰ তথা সমাজৰ, শিশুসকলৰ কল্যাণৰ দিশ চোৱা-চিতা কৰাটো এটা প্ৰধান কৰ্তব্য।

ৰাষ্ট্ৰসংঘৰ, শিশুৰ অধিকাৰ ১৯৫৯, ঘোষণাপত্ৰৰ, আমাৰ দেশ ভাৰতবৰ্ষ এখন অবিচ্ছেদ্য অংশীদাৰ আৰু সেই মৰ্মে ই ১৯৭৪ চনত শিশুৰ এখন ৰাষ্ট্ৰীয় আইন প্ৰস্তুত কৰে। UNICEFৰ ২০০৫ৰ "Childhood Under Threat" শীৰ্ষক ৰিপোৰ্টত কোৱা হৈছিল যে ভাৰতবৰ্ষত ৫ৰ পৰা ১৪ বছৰ ভিতৰৰ ৭২ মিলিয়ন শিশুৱে বুনিয়াদী শিক্ষা সহজতে লাভ কৰিব নাপায়। সেয়েহে শিশুসকলৰ অধিকাৰ সুনিশ্চিত কৰা আৰু ৰাষ্ট্ৰসংঘৰ ঘোষণাৰ প্ৰতি ভাৰতবৰ্ষৰ প্ৰতিবদ্ধতাৰ প্ৰভাৱ হিচাপে ভাৰত চৰকাৰে শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে এখন ৰাষ্ট্ৰীয় আয়োগ গঠন কৰে। প্ৰত্যেক আৰু প্ৰতিজন শিশুৰে জীয়াই থকাৰ অধিকাৰ আছে আৰু বিকাশ তথা অংশগ্ৰহণ অধিকাৰ আছে। এজন দায়িত্বশীল নাগৰিক তথা এজন শিক্ষক হিচাপে, শিশুৰ অধিকাৰসমূহক সুৰক্ষা প্ৰদান কৰাটো আমাৰ প্ৰধান কৰ্তব্য।

আপোনালোকে এতিয়া RTE আইনৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিব—

- শিশুৰ অধিকাৰসমূহ
- শিক্ষকৰ ভূমিকা আৰু দায়িত্ব
- বিদ্যালয় প্ৰশাসন আৰু প্ৰবন্ধন
- পাঠ্যক্ৰম আৰু মূল্যায়নৰ অনিবাৰ্যতা

### ৩.২.৫ শিশুৰ অধিকাৰসমূহ ঃ

ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰৰ মতে শিশুৰ কিছুমান প্ৰয়োজনীয় অধিকাৰ তলত উল্লেখ কৰা হ'ল—

| | | |
|---|---|---|
| শিশুৰ অধিকাৰ সমূহ | — | জীয়াই থকাৰ অধিকাৰ |
| | — | স্বাস্থ্য আৰু যত্নৰ অধিকাৰ |
| | — | ৰাষ্ট্ৰীয়তা নাম পোৱাৰ অধিকাৰ |
| | — | পুষ্টিৰ অধিকাৰ |
| | — | শিক্ষাৰ অধিকাৰ |
| | — | শোষণৰ পৰা সুৰক্ষাৰ অধিকাৰ |
| | — | ভাৱ প্ৰদৰ্শনৰ অধিকাৰ |
| | — | অৱহেলাৰ পৰা সুৰক্ষাৰ অধিকাৰ |
| | — | পিতৃ-মাতৃৰ লগত থকাৰ অধিকাৰ |
| | — | তথ্য জনাৰ অধিকাৰ |

চিত্ৰ ২ ঃ শিশুৰ অধিকাৰসমূহ

- প্ৰাথমিক শিশু সমাপ্ত নোহোৱা পৰ্যন্ত ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰে তাৰ কাষৰ বিদ্যালয়ত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্ৰহণৰ অধিকাৰ আছে।

- কোনো শিশুৱে, প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিবলৈ কোনো ধৰণৰ মাচুল দিবলৈ দায়বদ্ধ নহয়।

আমি এইটো চাবলৈ যত্ন কৰিব লাগে যাতে কোনো শিশুৱে যাতে টকা বিচৰাৰ বাবে নামভৰ্তিৰ পৰা বিৰত থাকে।

• কিছু কাৰণবশতঃ যদি ৬ বছৰ বয়সৰ উৰ্দ্ধৰ কোনো শিশুৱে তাৰ বা তাইৰ প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব পৰা নাই, তেনেহ'লে তাক/তাইক, তাৰ বা তাইৰ বয়স অনুযায়ী সেই শ্ৰেণীত নামভৰ্তিৰ সুযোগ প্ৰদান কৰিব লাগে।

• যদি কোনো এখন বিদ্যালয়ত শিশুটোৱে নামভৰ্তি কৰাৰ পিছত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব পৰা সুবিধা নাথাকে। তেনেহ'লে, শিশুটোৰ আন এখন সুবিধা থকা বিদ্যালয়লৈ বদলি/স্থানান্তৰ বিচৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। আমি, যিসকল শিশুৱে স্থানান্তৰ/বদলি বিচাৰে তেনে শিশুক পৰ্যাপ্ত পৰিমাণে সহায়-সহযোগ আগবঢ়াব লাগে।

• আৰু যিকোনো কাৰণত যদি এজন শিশুৱে এখন স্কুলৰ পৰা আন একন স্কুললৈ, তাৰ ৰাজ্য বা ৰাজ্যৰ বাহিৰত যাব বিচাৰে, তেনে শিশুৰ তাৰ/তাইৰ ইচ্ছানুযায়ী বদলি লোৱাৰ অধিকাৰ আছে। শিক্ষক হিচাপে আমি শিশুটোক তাৰ সুবিধা হিচাপে সহায় কৰিব পাৰো।

• সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক বা ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে শিশুটোক বদলিকৰণৰ প্ৰমাণ-পত্ৰ যোগান ধৰিব লাগে। আৰু ইয়াৰ বাবে তেওঁ যদি বদলিকৰণ প্ৰমাণ-পত্ৰ দিয়াত দেৰী কৰে তেতিয়াহ'লে তেওঁৰ সেৱা নিয়মৰ অধীনত তেওঁৰ ওপৰত অনুশাসনাত্মক কাৰ্যবাহী প্ৰয়োগ কৰা হ'ব।

• বয়সৰ প্ৰমাণ-পত্ৰ নথকাৰ ভিত্তিত কোনো শিশুকে নামভৰ্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰে। আৰু যিমান সম্ভৱ আমি তাক/তাইক বয়সৰ প্ৰমাণ-পত্ৰ প্ৰাপ্তিৰ ক্ষেত্ৰত সহায় কৰিব লাগে আৰু যিয়ে তাৰ ভৱিষ্যতত তাক অধিক সহায় আগবঢ়াব।

• কোনো শিশুকে, নামভৰ্তিৰ সময়সীমা ওকলি যোৱাৰ পৰিপ্ৰেক্ষিতত নামভৰ্তিৰ ক্ষেত্ৰত বঞ্চিত কৰিব নোৱাৰিব। আৰু শিক্ষক হিচাপে এইটো আমাৰ দায়িত্ব যে শিশুটোৰ আৱশ্যকতা অনুযায়ী তাৰ শিক্ষা সম্পূৰ্ণ কৰাব লাগে।

• বিদ্যালয়ত, নামভৰ্তি কৰাৰ পিছত কোনো শিশুকে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত, কোনো শ্ৰেণীত ফেইল অথবা শ্ৰেণীৰ পৰা বৰ্জন কৰিব নোৱাৰে।

• আমি কোনো শিশুকে কেতিয়াও শাৰিৰীক অথবা মানসিক হাৰাশাস্তি দিব নালাগে।

**কাৰ্য-৩**

- এই অধিকাৰসমূহ সাৰধানতাৰে অধ্যয়ন কৰক আৰু আপোনাৰ আপোনাৰ অধ্যয়নৰ ভিত্তিত এইটো দৰ্শাওক যে কেনেকৈ এই সমূহক আপোনাৰ ক্ষেত্ৰ/বিদ্যালয়/শ্ৰেণীকোঠাত প্ৰয়োগ/মানি চলিব পাৰি।

 ..........................................

 ..........................................
- শিশুৰ অধিকাৰ খৰ্ব হোৱাৰ কাৰণসমূহ উল্লেখ কৰক।

 ..........................................

 ..........................................
- আপোনালোকৰ ক্ষেত্ৰখনত শিশুৰ কি কি অধিকাৰ খৰ্ব হৈছে তাৰ এখন তালিকা প্ৰস্তুত কৰক।

 ..........................................

 ..........................................
- শিশুৰ অধিকাৰ খৰ্ব হোৱা ঠাইসমূহ পৰিদৰ্শন কৰক (হোটেল, দোকান, খেতিপথাৰ, বজাৰ ইত্যাদি)। এইসমূহত নিয়োজিত শিশুসকলৰ লগত বাৰ্তালাপ কৰক আৰু আপোনাৰ পৰ্যবেক্ষণক ৰেকৰ্ড কৰক।

 ..........................................

 ..........................................
- শিশুৰ অধিকাৰ সম্পৰ্কে মানুহৰ মাজত সজাগতা সৃষ্টিৰ বাবে অনুষ্ঠান আয়োজন কৰক।

 ..........................................

 ..........................................
- শিশুৰ অধিকাৰ শীৰ্ষক এখন বাটৰ নাটৰ লিপি প্ৰস্তুত কৰক আৰু ইয়াক আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা নাট্যৰূপ দিয়ক।

 ..........................................

 ..........................................

**৩.৩ শিক্ষকৰ ভূমিকা আৰু দায়িত্ব ঃ**

যিহেতু আপোনালোকে জানে যে এখন বিদ্যালয়ৰ সুপৰিচালনাৰ বাবে শিশুৰ ভূমিকা অতি প্ৰয়োজনীয়। সেয়েহে এটা অভিজ্ঞতা পূৰ্ণ তথ্য আছে যে “যেনে শিক্ষক, তেনে বিদ্যালয়”। RTE আইনৰ অধীনত শিক্ষকৰ ভূমিকাসমূহ এনেধৰণৰ—

- আপোনালোকে বিদ্যালয়ত উপস্থিত থকাৰ ক্ষেত্ৰত নিয়মিতা আৰু নিয়মানুবৰ্তিতা মানি চলিব লাগিব।
- নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আপোনালোকে সম্পূৰ্ণ পাঠ্যক্ৰম শেষ কৰিব লাগিব।
- প্ৰতিজন শিশুৰ শিক্ষণীয় সামৰ্থতা মূল্যায়ণ কৰাটো আমাৰ কৰ্তব্য আৰু সেইমৰ্মে শিশুটোক

উপযুক্ত শিক্ষণীয় সুবিধা প্ৰদান কৰাটো জৰুৰী।

• আপোনালোকে শিশুটোৰ অভিভাৱক আৰু পিতৃ-মাতৃৰ লগত নিয়মীয়া বৈঠক কৰাটো দৰকাৰী তথা তেওঁলোকক শিশুটোৰ সম্পূৰ্ণ প্ৰদৰ্শন আৰু উন্নতি সম্পৰ্কে অৱগত কৰাব লাগে।

• এজন শিক্ষক হিচাপে শিশুটোক সকলো ধৰণৰ ভয়, সংশয় আৰু চিন্তাৰ পৰাৰ মুক্ত কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাটো দায়িত্ব। আপোনালোকে সাৱধানতাৰে অবিৰত আৰু ব্যাপক মূল্যায়ণ পদ্ধতিৰ প্ৰচলন কৰিব লাগে। আপুনি, আমি মিলি সকলোৱে শিশুৰ জ্ঞান, সম্ভাৱনা আৰু প্ৰতিভা গঢ়িবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব আৰু তাৰ শাৰিৰীক আৰু মানসিক সামৰ্থতা বিকাশৰ বাবে কাম কৰিব লাগিব। মুঠতে আপোনালোকে শিশুসকলৰ সম্পূৰ্ণ বিকাশত সহায় আগবঢ়াব লাগিব।

• যদি আপুনি আপোনাৰ কৰ্তব্যৰ প্ৰতি অৱহেলা প্ৰদৰ্শন কৰা দেখুওৱাই তেনেহ'লে আপোনাৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা হাতত লোৱা হ'ব।

• অকল নিৰ্দ্ধাৰিত কৰ্তব্যসমূহ পালন কৰিলেই UEEৰ লক্ষ্যত উপনীত হ'ব নোৱাৰি। আপুনি UEEৰ এজন মহান সমৰ্থক হিচাপে আগবাঢ়ি আহিব লাগিব আৰু RTE আইন ২০০৯ৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত এজন সক্ৰিয় সদস্য হিচাপে কাম কৰিব লাগিব। আপুনি জাতিৰ প্ৰতি আপোনাৰ সমস্ত সেৱা আগবঢ়াব লাগিব যাতে এশ শতাংশ সাক্ষৰতা হাৰৰ যি লক্ষ্য তাত দেশখন উপনীত হ'ব পাৰে।

- নিয়মিততা আৰু নিয়মানুবৰ্তিতা।
- তেওঁৰ কৰ্মক্ষেত্ৰৰ অধীনৰ শিশুৰ চিনাক্তকৰণ আৰু নামভৰ্তি।
- শিশুৰ প্ৰয়োজনীয়তা আৰু সামৰ্থতাৰ চিনাক্তকৰণ।
- শিশুৰ সৃষ্টিশীলতা আৰু আন আন সামৰ্থতাসমূহৰ চিনাক্তকৰণ আৰু যতন।
- পিতৃ-মাতৃসকলক তেওঁলোকৰ শিশুসকলক বিদ্যালয়ত নামভৰ্তিৰ বাবে আগ্ৰহী কৰা।
- শিশুসকলক শিক্ষা সম্পূৰ্ণ কৰিবলৈ উৎসাহ জনোৱা।
- নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত পাঠ্যক্ৰম সম্পূৰ্ণ কৰা।
- বিশেষ প্ৰয়োজনৰ শিশুসকলক মনোযোগ দিয়া।
- শিশুসকলক সকলোধৰণৰ সুবিধা প্ৰদান কৰা।
- শিশুৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা।
- RTEৰ ৰূপায়ণৰ বাবে কৰ্তৃপক্ষৰ লগত সহায়-সহযোগিতা আগবঢ়োৱা।
- বিদ্যালয় প্ৰশাসন আৰু প্ৰবন্ধনৰ লগত অংশগ্ৰহণ কৰা।
- সম্পদৰ সু-ব্যৱহাৰ কৰি এজন গুৰু হিচাপে কাম কৰা।
- সমাজ পৰিৱৰ্তনৰ বাবে এজন সক্ৰিয় সদস্য হিচাপে কাম কৰা।

চিত্ৰ ৩ ঃ শিক্ষকৰ কৰ্তব্যসমূহ

**কাৰ্য ৪ ঃ**

১। আপোনালোকে RTE আইন ২০০৯এ আগবঢ়োৱা শিক্ষকৰ কৰ্তব্যসমূহ অধ্যয়ন কৰিলে। আপোনাৰ মতে RTEৰ লক্ষ্যত উপনীত হ'বলৈ শিক্ষকৰ কোনবোৰ কৰ্তব্য অতি প্ৰয়োজনীয়?

### ৩.৪ বিদ্যালয় প্ৰশাসন আৰু প্ৰবন্ধন ঃ

আপোনালোকে কেতিয়াও বিদ্যালয় প্ৰশাসন আৰু প্ৰবন্ধনৰ প্ৰয়োজনীয়তাক পাহৰিব নালাগে। যেতিয়ালৈকে আপোনাৰ বিদ্যালয়খন সঠিকৰূপে পৰিচালিত নহয়, তেতিয়ালৈকে আপোনালোকে RTEৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে। RTEত, বিদ্যালয় প্ৰশাসন আৰু প্ৰবন্ধনৰ সঠিক পৰিচালনাৰ বাবে বিভিন্ন ব্যৱস্থা দিয়া আছে। এই আইনত স্পষ্টভাৱে উল্লেখ আছে যে যেতিয়ালৈকে এখন স্কুলে শিক্ষা প্ৰদানৰ যথোপযুক্ত নিয়ম আৰু মান্যতাসমূহ সুচাৰুৰূপে পালন নকৰে তেতিয়ালৈকে কোনো বিদ্যালয় প্ৰতিষ্ঠাপন তথা গ্ৰহণযোগ্য হ'ব নোৱাৰে। ইয়াৰ অৰ্থ এইটোৱে যে বিদ্যালয়খনত প্ৰয়োজনীয় আন্তঃগাঠনি আৰু শৈক্ষিক সুবিধা থাকিব লাগিব।

মাকক শিশুৰ প্ৰথম শিক্ষক বুলি কোৱা হয়। আপোনালোকে জানি ভাল পাব যে বিদ্যালয় প্ৰবন্ধন কমিটি অতি কমেও ৫০% মহিলাৰ দ্বাৰা গঠিত হ'ব আৰু এই কমিটিৰ পদাধিকাৰী আৰু সদস্যসকল বেছিভাগ পিতৃ-মাতৃ বৰ্গৰ পৰা নিৰ্বাচিত হ'ব। প্ৰবন্ধন কমিটিৰ পৰা নিম্নলিখিত কাৰ্যসমূহ সম্পাদন কৰাৰ উপেক্ষা কৰিব পাৰি—

- বিদ্যালয়ৰ কাৰ্যসমূহৰ তদাৰক কৰা।
- বিদ্যালয়ৰ উন্নতিৰ হকে আচনিৰ পৰামৰ্শ আৰু প্ৰস্তুতকৰণ।
- বিভিন্ন উৎসৰ পৰা লাভ কৰা অনুদানসমূহৰ তদাৰক কৰা।
- RTEৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অভিযান আৰম্ভ কৰা।

আপোনাৰ পৰা বিদ্যালয় প্ৰশাসনত সহায় কৰাৰ বাবে আশা কৰা হ'ল। এইটো এটা শিক্ষক আৰু বিদ্যালয় প্ৰবন্ধনৰ এক যৌথ প্ৰচেষ্টা যাতে তেওঁলোকে সকলো যোগ্য শিশুকে নামভৰ্তি কৰাৰ ক্ষেত্ৰত সুনিশ্চিত কৰে আৰু ইয়াক প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰালৈ চেষ্টা অব্যাহত ৰাখে। অনিয়মিততা আৰু বাদ দিয়া হৈছে এটা প্ৰত্যাহ্বান, কিন্তু আপোনালোকে পিতৃ-মাতৃ আৰু শিশুক আকৰ্ষণ কৰি এই প্ৰত্যাহ্বানক অতিক্ৰম কৰিব পাৰিব।

### ৩.৫ পাঠ্যক্ৰম আৰু মূল্যায়নৰ অনিবাৰ্যতা ঃ

এই স্তৰৰ পাঠ্যক্ৰমৰ পৰা নূন্যতম বুনিয়াদী শৈলী/কৌশল আৰু শিশুৰ আচৰণৰ বিকাশৰ আশা কৰিব পাৰি। ই শিশুকেন্দ্ৰিক আৰু শিশুৰ দৈনন্দিন জীৱনৰ লগত জড়িত হ'ব। ই বিভিন্ন সামৰ্থ আৰু সামাজিক-অৰ্থনৈতিক অৱস্থাৰ শিশুসকলৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ যথেষ্ট নমনীয় হ'ব। ই বিশেষ প্ৰয়োজনৰ শিশুসকলৰ প্ৰয়োজনীয় আশাসমূহ পূৰণৰ অৰ্থে অন্তৰ্ভুক্তি আৰু যথেষ্ট নমনীয় হোৱাটো আশা কৰা হৈছে। RTE আইনত সমৃদ্ধ মূল্যসমূহৰ অনুৰূপকৈ পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰা হ'ব। ই শিশুৰ জ্ঞান, সামৰ্থতা আৰু প্ৰতিভা বিকাশত সহায়ক হ'ব। আপোনালোকে এই মতত সমৰ্থন কৰিব

যে, এই পাঠ্যক্ৰম কাৰ্যাৱলীৰ দ্বাৰা শিক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰিব আৰু ইয়াত খেল-ধেমালী আৰু সহঃপাঠ্যক্ৰমিক কাৰ্যাৱলীৰ যথেষ্ট পয়োভৰ থাকিব।

শিশুৰ প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে কোনো বাহ্যিক (External) পৰীক্ষা ব্যৱস্থা নাথাকিব। সকলো শিশুকে উচ্চ শ্ৰেণীলৈ পদোন্নতি কৰা হ'ব কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আপুনি মূল্যায়ন ব্যৱস্থাক অৱহেলা কৰিব। অবিৰত আৰু ব্যাপক মূল্যায়ন ব্যৱস্থাৰ ৰূপায়ণ কৰা হ'ব। আপোনালোক শিক্ষাৰ গুণগত মানদণ্ডৰ ক্ষেত্ৰত অধিক সচেতন হ'ব লাগিব। যদিও ইয়াত কোনো পাছ আৰু ফেইল ব্যৱস্থা নাই তথাপিও যিকোনো ক্ষেত্ৰতে শিক্ষাৰ মানদণ্ড বৰ্তি থাকিব লাগিব। যিহেতু আপোনালোকে জানে যে শিক্ষাৰ মূল লক্ষ্য হৈছে শিশুৰ সমগ্ৰ বিকাশ সাধন কৰা আৰু এইটো আমাৰ দায়িত্ব যে আমি শিশুসকলৰ জ্ঞান, সামৰ্থতা আৰু প্ৰতিভা বিকাশ কৰিব লাগিব। আমি শিশুৰ গ্ৰহণযোগ্য আচৰণ আৰু ধনাত্মক মূল্যবোধ বিকাশ কৰাৰ ক্ষেত্ৰত যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। আমি ইয়াৰ লগতে কাৰ্যৰ দ্বাৰা শিক্ষণৰ জৰিয়তে শিশুৰ বিভিন্ন কৌশল আৰু আৱিষ্কাৰৰ মনোবল বৃদ্ধি কৰিব লাগিব। আমি আমাৰ পৰা শিশুৰ সম্পূৰ্ণ শাৰিৰীক আৰু মানসিক বিকাশৰ বাবে ব্যাপক চেষ্টা কৰিব লাগিব।

**কাৰ্য-৫**

১। আপোনাৰ ক্ষেত্ৰৰ ভিতৰত থকা প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰক, তাত কৰ্মৰত ব্যক্তিসকলৰ লগত বাৰ্তালাপ কৰক আৰু সেই কৰ্মীসকলৰ কাৰ্যকৰণৰ পৰ্যবেক্ষণক ৰেকৰ্ড কৰক।

২। প্ৰাথমিক শিক্ষাৰ লক্ষ্যসমূহত উপনীত হ'বলৈ কেনেধৰণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

৩। আপুনি উন্নতিৰ অৰ্থে কৰা, বৰ্তমানৰ মূল্যায়ণৰ ব্যৱস্থাক লৈ সন্তুষ্টনে? আপোনাৰ মতামত আগবঢ়াওক।

৪। আপুনি ভাবেনে অবিৰত আৰু ব্যাপক মূল্যায়ন ব্যৱস্থাই শিশুৰ প্ৰগতি মূল্যায়নত সহায় কৰিব? আপোনাৰ মতামত আগবঢ়াওক।

### ৩.৬ RTE আইনৰ নীতি-নিয়মসমূহ ঃ

আমি RTE আইন ২০০৯ৰ ব্যৱস্থাসমূহ অধ্যয়ন কৰিলো। RTE আইনৰ প্ৰকৃত ৰূপায়ণৰ বাবে কিছুমান নীতি-নিয়ম গঠন কৰা হৈছিল যাক শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ নীতি ২০০৯ হিচাপে জনা যায়। এই নীতিসমূহ কিছু পৰিমাণে ৰাজ্য অনুযায়ী বেলেগ বেলেগ হ'ব পাৰে। কিন্তু ইয়াত আমি শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বাবে কিছু প্ৰয়োজনীয় নীতি-নিয়মৰ বিষয়ে অধ্যয়ন কৰিম। RTE আইনৰ নীতি-নিয়মসমূহ ৮ টা ভাগত ভগোৱা হৈছে।

RTE আইনৰ, আদৰ্শ নীতি, ২০০৯ (The Model Rules) সমূহ, এই আইনখন কাৰ্যকৰী কৰিবলৈ সহায়ক হিচাপে গঠন কৰা হৈছিল। এই নীতিসমূহে, বিভিন্ন ৰাজ্যসমূহক RTE আইন বলবৎ কৰাৰ ক্ষেত্ৰত সেই ৰাজ্যসমূহৰ নিজৰ নীতি প্ৰস্তুত কৰাত এক বহল গাঠনিৰ ধাৰণা দিব। ৰাজ্যসমূহে এইটো সুনিশ্চিত কৰিব লাগিব যে তেওঁলোকৰ RTEৰ নীতি-নিয়মে সকলো দিশকে অন্তৰ্ভুক্ত কৰিব যেনে— আপত্তি-নিস্পত্তিকৰণকে ধৰি আপত্তি দৰ্শোৱা পদ্ধতি, আপত্তিসমূহৰ ব্যৱস্থাৰ বাবে ৰাজ্যৰ

ফালৰ পৰা বিশিষ্ট কর্তৃপক্ষৰ ব্যৱস্থা, আপত্তি নিষ্পত্তিকৰণৰ বাবে সময়সীমা নির্দ্ধাৰণ ইত্যাদি।

RTEৰ বর্তমানৰ আদর্শ নীতিৰ দস্তাবেজত তলত উল্লেখিত তথ্যসমূহৰ বিৱৰণ আছে ঃ

• শিশুসকলক, সিহঁতৰ সমবয়সীয়াৰ সমান শিক্ষণ স্তৰলৈ আনিবৰ বাবে, বিশেষ প্রশিক্ষণৰ ব্যৱস্থা আৰু পদ্ধতি।

• চুবুৰীয়া/কাষৰীয় বিদ্যালয়ৰ পৰিসীমা।

• বিদ্যালয়ৰ প্রগতি/উন্নতিৰ বাবে ৰাজ্য চৰকাৰ আৰু স্থানীয় কর্তৃপক্ষৰ কর্তব্য, যাতায়ত ব্যৱস্থাৰ সুবিধা নাইবা আবাসিক ব্যৱস্থাৰ সুবিধা আৰু অক্ষম শিশুসকলক প্রাথমিক শিক্ষা সম্পূর্ণ কৰাটো সুনিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ শিক্ষণীয় সহায়-সহযোগিতা আগবঢ়োৱা।

• স্থানীয় কর্তৃপক্ষৰ অধিকাৰীকক্ষেত্রৰ অন্তর্গত শিশুসকলৰ সম্পূর্ণ তথ্য পদ্ধতিগতভাৱে ৰেকর্ড কৰা।

• দুর্বল শ্রেণী আৰু পিছপৰা শ্রেণীৰ শিশুসকলৰ লগত শ্রেণীকোঠাৰ লেনদেন আৰু নামভর্তিৰ সম্পূর্ণ দায়িত্ব বিদ্যালয় আৰু শিক্ষকসকলে লোৱা।

• প্রতিজন শিশুৰে বয়সৰ প্রমাণ-পত্রৰ দস্তাবেজ।

• এই আইনৰ মতে সকলো বিদ্যালয়ৰ, সি ব্যক্তিগত খণ্ড হওক বা ৰাজ্য চৰকাৰৰ বা স্থানীয় কর্তৃপক্ষৰ অধীনৰে হওক, মান্যতা/স্বীকৃতি লাভ কৰাৰ ক্ষেত্রত, দর্খাস্ত দিব লাগিব আৰু সমস্ত পদ্ধতি মানি চলিব লাগিব।

• স্বীকৃতি/মান্যতাৰ ক্ষেত্রত অন্তর্গত চর্তাৱলী আৰু পদ্ধতি উঠাই লোৱাও হ'ব পাৰে।

• বিদ্যালয় পৰিচালনা/প্রবন্ধন কমিটিৰ গঠন আৰু কার্য।

• বিদ্যালয় পৰিচালনা কমিটিৰ দ্বাৰা, বিদ্যালয় উন্নতিৰ আঁচনিৰ সমস্ত আৰ্হি প্রস্তুতকৰণ আৰু পর্যবেক্ষণ কৰা।

• শিক্ষকৰ যোগ্যতা মান নিৰূপণ।

**৩.৬.১ প্রাৰম্ভণি/প্রাৰম্ভিক ঃ**

এই প্রাৰম্ভিক অংশই RTEৰ নীতিসমূহৰ মূল শব্দসমূহক সূচায়—

(ক) 'Act' মানে শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন (Act) ২০০৯।

(খ) ‘অঙ্গনবাড়ী’ মানে এটা অঙ্গনবাড়ী কেন্দ্র, Ministry of Women and Child Development আৰু ভাৰত চৰকাৰৰ Integrated Child Development Schemeৰ অধীনত স্থাপন কৰা।

(গ) "Appointed date" (নিয়োজিত তাৰিখ) মানে চৰকাৰী ৰাজপত্রত উল্লেখিত সেই তাৰিখটো, যি তাৰিখত এই আইনখন বলবৎ হৈছিল।

(ঘ) "Chapter", "Section" আৰু "Schedule" মানে যথাক্রমে সেই আইনৰ অধ্যায়, খণ্ড আৰু সূচী।

(ঙ) "Child" (শিশু) মানে হৈছে ৬ৰ পৰা ১৪ বছৰৰ ভিতৰৰ যিকোনো শিশু।

(চ) "Pupil Cumulative Record" (ছাত্ৰৰ সঞ্চয়ী ৰেকৰ্ড) মানে হৈছে অবিৰত আৰু ব্যাপক মূল্যায়ণৰ ভিত্তিত প্ৰস্তুত কৰা শিশুৰ অগ্ৰগতিৰ ৰেকৰ্ড।

(ছ) "School Mapping" (বিদ্যালয় মানচিত্ৰণ) মানে হৈছে সামাজিক বাধা আৰু ভৌগোলিক দূৰত্বক অতিক্ৰম কৰি বিদ্যালয়ৰ অৱস্থানৰ আঁচনি প্ৰস্তুতকৰণ।

**৩.৬.২ শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ ঃ**

• বিশেষ প্ৰশিক্ষণ ঃ বিশেষভাৱে নিয়োজিত শিক্ষকৰ দ্বাৰা যিসকল শিশুৱে নামভৰ্তিত দেৰি হৈছিল সিহঁতক বিশেষ প্ৰশিক্ষণ দিয়া। এই প্ৰশিক্ষণৰ উদ্দেশ্য এয়ে যে শিশুসকলক সফলতাৰে সিহঁতৰ শ্ৰেণীৰ আন শিশুসকলৰ লগত শৈক্ষিক আৰু আৱেগিকভাৱে মিলা-প্ৰীতি কৰোৱা। এই প্ৰশিক্ষণৰ সময়সীমা তিনিমাহ হ'ব লাগে। এজন শিক্ষক হিচাপে পিছ পৰি থকা শিশুসকলক সহায় কৰাটো আমাৰ কৰ্তব্য।

• খণ্ড ৪ৰ মতে প্ৰথম ব্যৱস্থাৰ সুবিধা দিয়াৰ অৰ্থে বিশেষ প্ৰশিক্ষণ।

বিদ্যালয় পৰিচালনা কমিটি/স্থানীয় কৰ্তৃপক্ষই শিশুসকলক চিনাক্ত কৰিব যাক বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন আছে আৰু এনে প্ৰশিক্ষণৰ তলত দিয়া ধৰণে আয়োজন কৰিব ঃ

বিশেষ প্ৰশিক্ষণ, বিশেষভাৱে প্ৰস্তুত কৰা আৰ্হি, বয়সোপযুক্ত শিক্ষণীয় সমলৰ ওপৰত ভিত্তি কৰি আয়োজন কৰা হ'ব যাক খণ্ড ২৯(১)ত নিৰ্দ্ধাৰিত মতে শৈক্ষিক কৰ্তৃপক্ষই স্বীকৃত প্ৰদান কৰিব। এই ব্যৱস্থা বিদ্যালয় পৰিসৰৰ ভিতৰৰ শ্ৰেণীকোঠাত দিয়া হ'ব অথবা নিৰাপদ আবাসিক সুবিধা থকা শ্ৰেণীত আয়োজন কৰা হ'ব। এই ব্যৱস্থা, সেই বিদ্যালয়ত কাম কৰা শিক্ষকৰ দ্বাৰা অথবা এই লক্ষ্যৰ বাবে নিয়োজিত বিশেষ শিক্ষকৰ দ্বাৰা দিয়া হ'ব। ইয়াৰ সময়সীমা নূন্যতম তিনিমাহ তথাপিও শিক্ষণৰ উন্নতিৰ হকে কৰা সাময়িক মূল্যায়ণৰ ভিত্তিত, ইয়াৰসময়সীমা বৃদ্ধি কৰা হ'ব যদিও দুবছৰতকৈ বেছি নহয়। শিশুটোক বিশেষ প্ৰশিক্ষণ শেষ হোৱাৰ পিছত, তাৰ বয়োসপোযুক্ত শ্ৰেণীত পঠিওৱা হ'ব আৰু তাক শিক্ষক অবিৰত মনোযোগ দি থাকিব যাতে সি শৈক্ষিকভাৱে বা আৱেগিকভাৱে সফলতাৰে শ্ৰেণী আন আন শিশুসকলৰ লগত মিলিব পাৰে।

**৩.৬.৩ ৰাজ্য চৰকাৰৰ কৰ্তব্য ঃ**



চিত্ৰ ৪ ঃ ৰাজ্য চৰকাৰৰ কৰ্তব্য

স্থানীয় কৰ্তৃপক্ষ ঃ ৰাজ্য চৰকাৰৰ দ্বাৰা বিদ্যালয়সমূহ, প্ৰথমমানৰ পৰা পঞ্চম মান শ্ৰেণীৰ ছাত্ৰৰ

বাবে ১ কি.মি. দূৰত্বত আৰু ষষ্ঠমানৰ পৰা অষ্টমমান শ্ৰেণীৰ ছাত্ৰৰ বাবে সিহঁতৰ আৱাসিক এলেকাৰ পৰা ৩ কি.মি. খোজ কাঢ়ি যোৱা দূৰত্বত স্থাপন কৰিব লাগে। আৰু যদি কিছুমান নিৰ্দিষ্ট এলেকাত বিদ্যালয়সমূহ ইতিমধ্যে স্থাপন কৰা হৈছে তেতিয়াহ'লে প্ৰয়োজন অনুযায়ী সেই বিদ্যালয়সমূহত শ্ৰেণীকোঠাৰ আৰু সংযোজন কৰিব লাগে। আপোনালোকে জানে যে আমাৰ দেশৰ বহুতো ৰাজ্যত, প্ৰয়োজন অনুসাৰে প্ৰাথমিক বিদ্যালয়ৰ জালি স্থাপন হোৱা নাই। যাতায়ত আৰু আৱাসিক সুবিধা, প্ৰয়োজনাৰ্থে সেই ৰাজ্যৰ চৰকাৰে যোগান ধৰিব লাগে। কিছুমান ৰাজ্যই ছোৱালী ছাত্ৰীসকলৰ বাবে বিনামূলীয়া যাত্ৰাৰ টিকট ব্যৱস্থা কৰিছে আনহাতে কিছুসংখ্যক ৰাজ্যই ছোৱালীসকলক চাইকেল যোগান ধৰিছে যাতে সিহঁতে স্কুলত উপস্থিত হ'ব পাৰে। চুবুৰীয়া বিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে/স্থানীয় কৰ্তৃপক্ষই বিদ্যালয় মানচিত্ৰ প্ৰস্তুত কৰিছে যাতে কৰ্তৃপক্ষই সকলো শিশুৰ লগতে বিশেষ প্ৰয়োজনৰ শিশুসকলকো চিনাক্ত কৰি উলিয়াব পাৰে।

**৩.৬.৪ ৰেকৰ্ডসমূহৰ সংৰক্ষণ ঃ**

স্থানীয় কৰ্তৃপক্ষই ইয়াৰ অধিকাৰীকক্ষেত্ৰৰ অন্তৰ্গত সকলো শিশুৰে সিহঁতৰ জন্মৰ পৰা ১৪ বছৰ বয়স হোৱালৈকে সকলো ৰেকৰ্ড গৃহভিত্তিত জৰীপ পদ্ধতিৰ দ্বাৰা সংৰক্ষণ কৰিব লাগে আৰু ইয়াক প্ৰতিবছৰে নবীকৰণ কৰিব লাগে। আৰু এই ক্ষেত্ৰত এজন শিক্ষক হিচাপে আমাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। এইটো আমাৰ কৰ্তব্য যে শিশুৰ অধিকাৰ খৰ্ব হোৱাৰ সম্বন্ধত বিশেষকৈ শিশুৰ শাৰিৰীক আৰু মানসিক হাৰাশাস্তি, নামভৰ্তিৰ অস্বীকাৰ ইত্যাদি বিষয়সমূহ আমি স্থানীয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাব লাগে। এই বিষয়সমূহৰ ওপৰত চোকা দৃষ্টি ৰাখিব লাগে। আমি RTE আইনৰ ব্যৱস্থাসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজনসমূহ চিনাক্ত কৰি, এখন আঁচনি প্ৰস্তুত কৰি তাক তদাৰক কৰিব লাগে।

স্থানীয় কৰ্তৃপক্ষই বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ আঁচনিসমূহ সঠিক ৰূপায়ণৰ বাবে তদাৰক কৰিব লাগে। আপোনালোকে জানে এই আঁচনি ইতিমধ্যে বহুত ৰাজ্যত আছে আৰু আমি মাজে সময়ে এই আঁচনিৰ অপব্যৱহাৰৰ খবৰ পঢ়িব পাওঁ। আমাৰ সামৰ্থ অনুসৰি এই অপব্যৱহাৰৰ তদাৰক কৰাটো আমাৰ কৰণীয়। বিদ্যালয় পৰিচালনা কমিটিয়ে তিনি বছৰৰ বাবে এখন বিদ্যালয় উন্নতি আচনি প্ৰস্তুত কৰিব লাগে। এইখনত আন্তঃগাঠনিৰ প্ৰয়োজনীয়তা, মানৱ সম্পদৰ প্ৰয়োজনীয়তা যেনে— প্ৰধান শিক্ষক আৰু শিক্ষক আৰু অতিৰিক্ত আৰ্থিক প্ৰয়োজনীয়তা ইত্যাদি প্ৰয়োজনীয়তাৰ ভিত্তিত সন্নিৱিষ্ট কৰিব লাগে। আমি পৰিচালনা কমিটিক এই আচনিৰ আৰ্হি প্ৰস্তুতকৰণত সহায়-সহযোগিতা আগবঢ়াব পাৰো।

**৩.৫.৪ বিদ্যালয়সমূহৰ আৰু শিক্ষকসকলৰ দায়িত্ব ঃ**

ৰাজ্য চৰকাৰৰ অধীনৰ আৰু স্বীকৃতিপ্ৰাপ্ত প্ৰতিখন বিদ্যালয়ে RTEৰ ব্যৱস্থাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত সহায় কৰিব লাগে। আমি কেতিয়াও পাহৰিব নালাগে যে বিদ্যালয় এখন কোনো ব্যক্তিৰ, দল ব্যক্তিসমষ্টি অথবা অন্যান্য কোনো ব্যক্তিৰ লাভালাভৰ বাবে নচলে। এই ক্ষেত্ৰত RTE আইনৰ সফল ৰূপায়ণৰ বাবে District Education Officer, DEOৰ (জিলা শিক্ষা বিষয়া) গুৰুত্বপূৰ্ণ ভূমিকা আছে কাৰণ তেওঁ এই RTE আইনৰ ব্যৱস্থাসমূহৰ সফল ৰূপায়িত কৰাৰ বাবে এজন সংৰক্ষক (custodian)। বিদ্যালয়সমূহ DEOৰ নিৰ্দেশনাৰ অধীনত কাম কৰিব লাগে। এজন শিক্ষক হিচাপে UEEত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব কাৰণ আমাক RTE আইনৰ সফল ৰূপায়ণ কৰাৰ প্ৰধান মানৱ

সম্পদ হিচাপে ধৰা হয়।

আমাৰ ওপৰত আৰোপিত তথা বিদ্যালয়ৰ লগত জড়িত কাৰ্যসমূহত গাফিলতি কৰাৰ ক্ষেত্ৰত আমাৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা বা বিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত অনুজ্ঞা পত্ৰৰ বাতিল কৰাৰ দৰে বিহিত ব্যৱস্থা লোৱা হ'ব পাৰে। আমি আমাৰ কৰ্মক্ষেত্ৰৰ অধীনৰ সকলো যোগ্য শিশুক চিনাক্ত কৰি তালিকাভূক্ত কৰিব লাগে আৰু চুবুৰীয়া বিদ্যালয়সমূহ উলিয়াই সেইসমূহ শিশুসকলৰ বাবে সুবিধাজনক কৰি দিব লাগে।

**৩.৬.৬ বিদ্যালয় প্ৰবন্ধন/পৰিচালনা কমিটি ঃ**

আপোনালোকে জানে যে পৰিচালনা বা প্ৰবন্ধন, শিক্ষাৰ এটা প্ৰধান দিশ। যদি আমি সকলো শিশুকে প্ৰাথমিক শিক্ষা যোগান ধৰিব খোজো তেনেহ'লে আমি আমাৰ বিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰিব লাগিব। RTE আইনৰ ব্যৱস্থাৰ মতে বিদ্যালয় পৰিচালনা কমিটি প্ৰধানত শিশুসকলৰ পিতৃ-মাতৃৰ দ্বাৰা গঠিত হ'ব লাগে যাৰ পৰিমাণ ৭৫%। নিম্নলিখিতসমূহ কমিটিৰ কিছুমান প্ৰধান কাৰ্য যেনে—

- শিক্ষকসকল যাতে অশৈক্ষিক কাৰ্যৰ বোজাৰ পৰা বাহিৰত থাকে, তাৰ তদাৰক কৰা (কেৱল জনগণনা আৰু নিৰ্বাচনৰ বাহিৰে)
- শিক্ষকসকলৰ সাধাৰণ তথা দৈনন্দিন কৰ্তব্যৰ লগতে এখন ফাইল প্ৰস্তুত কৰাটো বাঞ্চনীয় য'ত শিশুসকলৰ সঞ্চয়ী ৰেকৰ্ডসমূহ সন্নিৱিষ্ট কৰা হ'ব যাৰ ভিত্তিত সেই নিৰ্দিষ্ট বছৰৰ শেষত সেই শিশুক সমাপ্তিকৰণ প্ৰমাণ-পত্ৰ দিয়া হ'ব। সেয়েহে আমি প্ৰশিক্ষণ কাৰ্যসমূহত, পাঠ্যক্ৰম প্ৰস্তুতকৰণত, প্ৰশিক্ষণ Module আৰু পাঠ্যপুথি বিকাশত অংশগ্ৰহণ কৰিব লাগে।
- শিক্ষকৰ বাবে আপত্তি নিস্পত্তিকৰণ তন্ত্ৰ থাকিব লাগে। ৰাজ্য চৰকাৰে ৰাজ্যিক, জিলা ব্লক পৰ্যায়ত স্কুল অধিকৰণৰ (School Tribunals) ব্যৱস্থা গঠন কৰিব লাগে।
- ৰাজ্যিক অথবা স্থানীয় কৰ্তৃপক্ষই, ছাত্ৰ-শিক্ষকৰ অনুপাত সঠিকভাৱে বজাই ৰাখিব লাগে।

**কাৰ্য-৬**

১। আপোনাৰ মতে এজনে শিক্ষকে কেনেকৈ সক্ৰিয়ভাৱে বিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনাত অংশগ্ৰহণ কৰিব পাৰে?

..................................................

..................................................

২। আপোনালোকে বিদ্যালয় পৰিচালনা কমিটিৰ কাৰ্যসমূহ অধ্যয়ন কৰিলে। আপুনি আৰু কেনেধৰণৰ আন আন কাৰ্যসমূহৰ পৰামৰ্শ আগবঢ়াব?

..................................................

..................................................

### ৩.৬.৭ শিক্ষকসকল ঃ

নিৰ্দিষ্ট ৰাজ্যসমূহৰ শৈক্ষিক কৰ্তৃপক্ষই শিক্ষকসকলৰ যোগ্যতা নিৰ্দ্ধাৰণ কৰে। এই কৰ্তৃপক্ষই নিৰ্দ্ধাৰণ কৰা ন্যূনতম যোগ্যতা সকলো বিদ্যালয়ৰ বাবে উপযুক্ত। এখন ৰাজ্যত য'ত প্ৰশিক্ষিত শিক্ষকৰ সংখ্যা তাকৰ তাত নিযুক্তিৰ ক্ষেত্ৰত যোগ্যতাৰ বিষয়টো কিছু পৰিমাণ সকাহ দিয়া হয়। কিন্তু শিক্ষকসকলৰ নিৰ্দ্ধাৰিত ন্যূনতম শৈক্ষিক যোগ্যতা থকাটো প্ৰয়োজনীয় যেনে— H.S.S.C।

**কাৰ্য-৭**

১। আপুনি যিকোনো পৰিস্থিতিতে শিক্ষকসকলক যোগ্যতাৰ ক্ষেত্ৰত দিয়া সকাহ বিষয়টোক সমৰ্থন কৰেনে? কাৰণ দৰ্শাওক আৰু আপোনাৰ উত্তৰটোক যুক্তি সহকাৰে উপস্থাপন কৰক।

..........................................

..........................................

### ৩.৬.৮ পাঠ্যক্ৰম আৰু প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণকৰণ/সমাপন ঃ

ৰাজ্য চৰকাৰে, ৰাজ্যিক শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদক (State Council of Educational Research and Training, SCERT) (বা ইয়াৰ সমকক্ষ) শৈক্ষিক কৰ্তৃপক্ষ হিচাপে নিৰ্দেশ দিব, যিয়ে পাঠ্যক্ৰম, পাঠ্যপুথি আৰু অন্যান্য শিক্ষণীয় সমলৰ গঠন/প্ৰস্তুত কৰিব। ই লগতে সেৱাকালীন শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী গঠন কৰিব আৰু অবিৰত আৰু ব্যাপক মূল্যায়ণৰ ব্যৱহাৰ তথা পাঠ্যক্ৰম ৰূপায়ণৰ আৰ্হি আৰু নিৰ্দেশনা প্ৰস্তুত কৰিব।

প্ৰাথমিক শিক্ষা সমাপন হোৱাৰ এক মাহৰ ভিতৰত বিদ্যালয়/ব্লক/জিলা পৰ্যায়ত প্ৰাথমিক শিক্ষা সমাপনৰ প্ৰমাণ-পত্ৰ যোগান ধৰা হ'ব।

প্ৰাথমিক শিক্ষা সাৰ্থক সমাপনৰ প্ৰমাণ-পত্ৰই এইটো প্ৰমাণ কৰিব যে শিশুটোৱে অধ্যয়নৰ নিৰ্দ্ধাৰিত সকলো পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে। ই লগতে ছাত্ৰৰ সঞ্চয়ী ৰেকৰ্ডসমূহকো প্ৰতিফলিত কৰিব আৰু লগতে নিৰ্দ্ধাৰিত অধ্যয়নৰ পাঠ্যক্ৰমৰ উৰ্দ্ধত, শিশুসকলৰ বিভিন্ন কাৰ্যৰ কৃতকাৰ্যতাৰ ক্ষেত্ৰখনো দৰ্শাব য'ত গান, নৃত্য, সাহিত্য আৰু খেল-ধেমালী ইত্যাদি অন্তৰ্ভুক্ত হ'ব।

এজন শিক্ষক হিচাপে, এই সকলো ধৰণৰ ৰেকৰ্ড বজাই ৰখাৰ ক্ষেত্ৰত আপুনি সচেতন হ'ব লাগিব বিশেষকৈ প্ৰত্যেক শিশুৰ সঞ্চয়ী ৰেকৰ্ডৰ ক্ষেত্ৰত, যিয়ে আপোনাক শিশুৰ বিকাশৰ সামগ্ৰিক মূল্যায়ণত সহায় কৰিব।

**কাৰ্য-৮**

১। মৌলিক অধিকাৰ হিচাপে শিক্ষাৰ আধাৰত, সাধাৰণ আৰু লগতে বিশেষ প্ৰয়োজনৰ শিশুসকলৰ বাবে প্ৰয়োজনীয় পাঠ্যক্ৰমক উচিত সাব্যস্ত কৰা।

.............................................

.............................................

২। বৰ্তমান বিদ্যালয়ৰ প্ৰশাসনৰ ক্ষেত্ৰত কেনেধৰণৰ আপুনি অনুভৱ কৰে?

.............................................

.............................................

৩। শিশুৰ উন্নতিৰ মূল্যায়ণৰ ক্ষেত্ৰত, ব্যাপক আৰু অবিৰত মূল্যায়ণৰ আঁচনিৰ প্ৰয়োজনীয়তাক ন্যায়সংগত যুক্তি দৰ্শোৱা।

.............................................

.............................................

### ৩.৬.৯ শিশুৰ অধিকাৰসমূহৰ সুৰক্ষা ঃ

দেশৰ বহুতো ৰাজ্যত শিশুৰ অধিকাৰসমূহৰ সুৰক্ষাৰ বাবে ৰাজ্যিক আয়োগ গঠন কৰা হৈছে। যিখন ৰাজ্যত শিশুৰ অধিকাৰসমূহৰ সুৰক্ষাৰ বাবে ৰাজ্যিক আয়োগ নাই তাত ৰাজ্য চৰকাৰ তাৎক্ষণিকভাৱে এনে আয়োগ গঠন কৰাৰ পদক্ষেপ হাতত ল'ব লাগে। আৰু সেই সময়লৈকে Right to Education Protection Authority, REPA শিক্ষা সুৰক্ষা কৰ্তৃপক্ষ অধিকাৰ নামৰ এখন মধ্যৱৰ্তী কৰ্তৃপক্ষ গঠন কৰিব লাগে। বিভিন্ন আয়োগ আৰু কৰ্তৃপক্ষ স্থাপন কৰা স্বত্বেও, সকলো পৰ্যায়ত সহযোগিতা আৰু প্ৰতিবদ্ধতাৰ অভাৱত এইটো পোৱা গৈছে যে, সম্পূৰ্ণৰূপে উদ্দেশ্যসমূহত উপনীত হ'ব পৰা নাই। সেয়েহে এজন শিক্ষক হিচাপে এইটো আমাৰ প্ৰধান কৰ্তব্য যে আমি RTE আইন ২০০৯ৰ পৰিপুষ্ট লক্ষ্যসমূহত উপনীত হ'বলৈ হ'লে নিষ্ঠাসহকাৰে আৰু সহযোগিতাৰে কাম কৰিব লাগিব।

**অধিকাৰসমূহৰ প্ৰকাৰ ঃ**

শিশুৰ অধিকাৰসমূহক বিভিন্ন উপায়েৰে বৰ্ণনা কৰা হয় য'ত য'ত নাগৰিক, সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক অধিকাৰসমূহৰ এক বৃহৎ পয়োভৰ আছে। অধিকাৰসমূহ সাধাৰণতে দুই প্ৰকাৰৰ— সেইসমূহ অধিকাৰ, যিসমূহে আইনৰ অধীনত শিশুক স্বায়ত্ব/স্বাধীন ব্যক্তি হিচাপে ওকালতি কৰে আৰু সেইসমূহ অধিকাৰ, যিসমূহে শিশুসকল আনৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বাবে বাঢ়ি যোৱা ক্ষতিসমূহৰ পৰা সুৰক্ষা প্ৰদানৰ বাবে সমাজৰ ওচৰত দাবী জনায়। এইসমূহক 'সবলীকৰণৰ অধিকাৰ' আৰু 'সুৰক্ষাৰ অধিকাৰ' হিচাপে জনা যায়। এটা কানাডাৰ সংস্থাই, শিশুৰ অধিকাৰসমূহক তিনিটা শ্ৰেণীত বিভক্ত কৰিছিল ঃ

• **ব্যৱস্থা (Provision) ঃ** শিশুসকলৰ এক পৰ্যাপ্ত মান্য জীৱন-যাপন, স্বাস্থ্যৰ যতন, শিক্ষা আৰু সেৱা খেলা আৰু মনোৰঞ্জনৰ সম্পূৰ্ণ অধিকাৰ আছে। এইসমূহৰ ভিতৰত সুষম আহাৰ, এখন শুবলৈ গৰম বিচনা আৰু বিদ্যালয়ী শিক্ষা সুগমতা অন্তৰ্ভূক্ত।

• সুৰক্ষা/নিৰাপত্তা (Protection) ঃ শিশুসকলৰ গালি-গালাজ, অৱহেলা, শোষণ আৰু ভেদ-ভাৱৰ পৰা সুৰক্ষা পোৱাৰ অধিকাৰ আছে। এইসমূহৰ ভিতৰত খেলিবৰ বাবে নিৰাপদ ঠাইৰ অধিকাৰ, গঠনমূলক শিশুৰ লালন-পালনৰ আচৰণ, আৰু শিশুৰ উদ্ভুত/বিকশিত সামৰ্থসমূহৰ স্বীকৃতি পোৱা অধিকাৰো সন্নিৱিষ্ট হৈ আছে।

• অংশগ্ৰহণ (Participation) ঃ শিশুসকলৰ সাম্প্ৰদায়িক কাম-কাজত, অনুষ্ঠানত বা সিহঁতৰ নিজৰ প্ৰতি সেৱা গ্ৰহণত অংশীদাৰ হোৱাৰ অধিকাৰ আছে। এইসমূহৰ ভিতৰত শিশুসকলৰ পুথিভঁড়ালত অংশগ্ৰহণ, সাম্প্ৰদায়িক অনুষ্ঠানত, যুৱ শক্তিৰ কাৰ্যত অংশগ্ৰহণ আৰু সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ ইত্যাদি সমূহো অন্তৰ্ভূক্ত।

সেই একে ধৰণে Child Rights Information Network অথবা CRINএ শিশুৰ অধিকাৰক দুটা গ্ৰুপত ভগাইছে ঃ

• অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ ঃ ই মানুহৰ বুনিয়াদী প্ৰয়োজনসমূহৰ চৰ্তসমূহৰ লগত জড়িত যেনে— খাদ্য, আশ্ৰয়, শিক্ষা, স্বাস্থ্য যতন আৰু লাভদায়ক ৰোজগাৰ ব্যৱস্থা। শিক্ষাৰ অধিকাৰ, ঘৰৰ পৰ্যাপ্ত ব্যৱস্থা, খাদ্য, পানী, উচ্চ মানদণ্ড সম্পন্ন স্বাস্থ্য, কৰ্মৰ অধিকাৰ আৰু কৰ্মত অধিকাৰ লগতে সংখ্যালঘু আৰু দেশীয় লোকসমূহৰ সাংস্কৃতিক অধিকাৰো ইয়াত অন্তৰ্ভূক্ত।

• পৰিবেশিক, সাংস্কৃতিক আৰু বিকাশৰ অধিকাৰ যাক মাজে-সময়ে "third generation rights" বুলি কোৱা হয় য'ত নিৰাপদ আৰু স্বাস্থ্যসন্মত পৰিৱেশত জীয়াই থকাৰ অধিকাৰ আৰু সেই দলটোৰ মানুহখিনিৰ সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকাশৰ অধিকাৰ আছে।

পাণ্ডিত্যপূৰ্ণ অধ্যয়নে, সাধাৰণতে শিশুৰ ব্যক্তিগত অধিকাৰসমূহৰ চিনাক্তকৰণৰ ওপৰত আলোকপাত কৰি, শিশুৰ অধিকাৰসমূহক দৰ্শায়। নিম্নলিখিত অধিকাৰসমূহে “শিশুসকলৰ স্বাস্থ্যবান আৰু মুক্ত বৃদ্ধিত সহায় কৰে।”

• কথা কোৱাৰ স্বাধীনতা

• চিন্তা কৰাৰ স্বাধীনতা

• ভয়ৰ পৰা মুক্ত/স্বাধীন হোৱা

• নিৰ্বাচনত স্বাধীনতা আৰু সিদ্ধান্ত গ্ৰহণৰ স্বাধীনতা

• নিজৰ শৰীৰৰ ওপৰত মালিকীস্বত্ব

• শিক্ষা, সমবৰ্তী তালিকাত অন্তৰ্ভূক্ত। আপোনালোকে জানে যে শিক্ষাদান কৰাটো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ এক যৌথ দায়িত্ব। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ RTE আইনৰ ব্যৱস্থাসমূহৰ সু-

প্ৰচাৰৰ বাবে অৰ্থ যোগান ধৰাটো এক সমৱৰ্তী দায়িত্ব।

• কেন্দ্ৰীয় চৰকাৰে মূলধনৰ অনুমান প্ৰস্তুত কৰিব আৰু RTE আইনৰ ব্যৱস্থাসমূহ ৰূপায়ণ কৰাৰ বাবে ব্যয়ৰ অনুমান প্ৰস্তুত কৰিব।

• কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক ৰাজহৰ সহায়ক অনুদান আগবঢ়াব যেনে খৰচৰ শতাংশ, ৰাজ্য চৰকাৰৰ লগত সময়ে সময়ে আলোচনা কৰি নিৰ্দ্ধাৰিত কৰিব।

• কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাপ্ত নিধিসমূহক ৰাজ্য চৰকাৰে RTE আইনৰ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যত নিধিসমূহক যোগান ধৰাৰ দায়িত্ব আছে।

• প্ৰত্যেক শিশুক ৬ৰ পৰা ১৪ বছৰ বয়সলৈকে বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ সুযোগ দিয়াটো কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্দিষ্ট ৰাজ্য চৰকাৰৰ এক যৌথ দায়িত্ব। আৰু ইয়াত আমি এই কথাটো পাহৰিব নালাগে যে সকলোকে শিক্ষা প্ৰদানৰ সুযোগ দিয়াৰ ক্ষেত্ৰত হোৱা এক বৃহৎ খৰচ বহন কৰাটো অতি সহজ কথা নহয়। আৰু এই কামৰ বাবে খৰচ হ'বলগা হাজাৰ কোটি টকা, এক বৃহৎ প্ৰত্যাহ্বান হিচাপে দেখা দিছে।

**নিৰ্দিষ্ট ৰাজ্য চৰকাৰৰ কৰণীয় ঃ**

• ওপৰত উল্লেখিত বয়সৰ গ্ৰুপৰ সকলো শিশুৰ বাবে বাধ্যতামূলক নামভৰ্তি, উপস্থিতি আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণকৰণ সুনিশ্চিত কৰা আৰু আগতে উল্লেখ কৰাৰ দৰে এই ক্ষেত্ৰত শিক্ষকসকলৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

• চুবুৰীয়া বিদ্যালয়ৰ সুবিধা সুনিশ্চিত কৰা।

• প্ৰাথমিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত শিশুসকলৰ মাজত কোনো কাৰণৰ ভিত্তিতে কোনো ভেদভাৱ নকৰাটো সুনিশ্চিত কৰা। আৰু ইয়াত আমি এই ভেদভাৱৰ প্ৰভাৱক তদাৰক কৰাটো আমাৰ কৰণীয়।

• প্ৰত্যেক শিশুকে প্ৰাথমিক শিক্ষা সমাপন কৰিবলৈ সকলো ধৰণৰ প্ৰয়োজনীয় আন্তঃগাঠনিৰ আৰু শৈক্ষিক সুবিধা প্ৰদান সুনিশ্চিত কৰা। বহুত সময়ত, অৰ্থনৈতিক সমৰ্থনৰ তাড়ণাত আমি সু-আন্তঃগাঠনিৰ ব্যৱস্থা কৰিব নোৱাৰো আৰু এই ক্ষেত্ৰতো পুনৰ আমাৰ এইটোৱে কৰণীয় যে বিভিন্ন উৎস তথা সম্পদৰ পৰা অৰ্থৰ সুবিধা প্ৰদান কৰা।

• প্ৰত্যেক শিশুৱে যাতে গুণগত প্ৰাথমিক শিক্ষা লাভ কৰে তাক সুনিশ্চিত কৰা। আৰু আমি শিক্ষক হিচাপে, প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড বজাই ৰখাটো আমাৰ কৰ্তব্য।

• প্ৰাথমিক শিক্ষা ক্ষেত্ৰত কৰ্মৰত শিক্ষকসকলক প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰা। দৰাচলতে, ই আমাৰ কাৰণে এটা প্ৰয়োজনীয় যোগ্যতা (প্ৰশিক্ষণ) আহৰণৰ ভাল সুযোগ আৰু ই আমাক উন্নত শিক্ষাদানত সহায় কৰিব আৰু ই এজন শিক্ষক হিচাপে সুস্থিৰতা আনিব।

**৩.৭ সামৰণি মাৰো আহক ঃ**

এই গোটটোত আমি UEEৰ ধাৰণা আৰু প্ৰয়োজনীয়তাৰ বিশদ আলোচনা কৰিলো যাৰ অৰ্থ

এয়েযে প্ৰতিজন শিশুকে প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰা। ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদত ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা আছে। এইটোৰ লগতে সংবিধানৰ আন আন ব্যৱস্থাসমূহো পুনঃনিৰীক্ষণ কৰা হ'ল। ২০০২ চনত ভাৰতৰ সংসদে ৮৬তম সাংবিধানিক সংশোধনী কৰিলে আৰু ইয়াত অনুচ্ছেদ ২১(A) সন্নিৱিষ্ট কৰা হ'ল। যিয়ে ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবে শিক্ষাৰ অধিকাৰক শিশুৰ মৌলিক অধিকাৰ হিচাপে সাব্যস্ত কৰিছিল। আপোনালোকে লগতে UEEৰ লক্ষ্যত উপনীত হোৱাত অকৃতকাৰ্য হোৱাৰ কাৰণসমূহো অধ্যয়ন কৰিলে।

১৯৫৯ চনত ৰাষ্ট্ৰসংঘই শিশুৰ অধিকাৰ, জীয়াই থকা অধিকাৰ, নামৰ অধিকাৰ আৰু ৰাষ্ট্ৰীয়তাৰ অধিকাৰ, পুষ্টিৰ অধিকাৰ, প্ৰদৰ্শনৰ অধিকাৰ, স্বাস্থ্যৰ যতনৰ অধিকাৰ, অৱহেলা আৰু শোষণৰ পৰা নিৰাপত্তাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, তথ্য জনাৰ অধিকাৰ, গালি-গালাজৰ পৰা সুৰক্ষাৰ অধিকাৰ, মনোৰঞ্জনৰ অধিকাৰ ইত্যাদি কিছুমান শিশুৰ প্ৰয়োজনীয় অধিকাৰৰ ঘোষণা কৰিছিল। ২০০৯ চনত সংসদে এখন শিক্ষাৰ ক্ষেত্ৰত, শিক্ষাৰ অধিকাৰ আইন ২০০৯ শীৰ্ষক এখন ঐতিহাসিক আইন বলবৎ কৰিছিল। আমি এই RTE ২০০৯ৰ আইনখনৰ বিশদ ব্যৱস্থা আৰু এই আইনৰ অধীনত থকা নীতিসমূহ বহলভাৱে আলোচনা কৰিলো।

শিক্ষা এক সমৱৰ্তী ধাৰণা হিচাপে গণ্য কৰি এই গোটটোৰ শেষত, উক্ত আইনখন সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰভাৱ সম্পৰ্কেও আলোচনা কৰা হ'ল।

**৩.৮ পৰামৰ্শমূলক গঠন আৰু প্ৰসংগপুথি ঃ**


- en.wikipedia.org/wiki/sarva_shiksha_Abhiyan
- unesdoc.uneco.org/images
- Aggarwal,j.c. : Development of Education System in India
- www.tn.gov.in/schooleducation/contacts.htm


১। UEEৰ লক্ষ্যত উপনীত নোহোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰা।

২। RTE আইন ২০০৯ৰ পাঁচটা অধিকাৰৰ বিষয়ে বৰ্ণনা কৰা। আপোনাৰ মতে শিক্ষক আৰু ছাত্ৰসকলৰ লাভালাভৰ বাবে আপুনি নিজেই কিছুমান পৰামৰ্শ আগবঢ়াওক।

## গোট ৪ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ সাংগঠনিক ব্যৱস্থা বা গাঁঠনি

**গাঁঠনি ঃ**

৪.০ পৰিচয়

৪.১ শিক্ষণীয় উদ্দেশ্যসমূহ

৪.২ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা NCERT

৪.২.১ NCERTৰ ভূমিকা

৪.২.২ NCERTৰ কাৰ্যসমূহ

৪.৩ ৰাজ্যিক পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা

৪.৩.১ SCERT

৪.৩.২ SIEMAT

৪.৪ জিলা পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা

৪.৪.১ DIETৰ ভূমিকা

৪.৪.২ DIETৰ কাৰ্যসমূহ

৪.৫ খণ্ড/ব্লাক পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা

৪.৫.১ BRCৰ ভূমিকা আৰু কাৰ্যসমূহ

৪.৬ ক্লাষ্টাৰ/গোট পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা

৪.৬.১ CRCৰ ভূমিকা

৪.৬.২ CRCৰ কাৰ্যসমূহ

৪.৭ সামৰণি/সাৰাংশ

৪.৮ শব্দকোষ/শব্দাৱলীৰ সংক্ষিপ্ত ৰূপসমূহ

৪.৯ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি

৪.১০ গোট-সমাপ্তিৰ অনুশীলনী

**৪.০ পৰিচয় ঃ**

ভাৰতীয় সংবিধানৰ ৫১(A) নং অনুচ্ছেদৰ অধীনত, ভাৰতৰ প্ৰত্যেক নাগৰিকৰ এটা মৌলিক কৰ্তব্য হ'ল "ব্যক্তিগত আৰু সামুহিক গতিবিধিৰ সকলো ক্ষেত্ৰৰ উৎকৰ্ষৰ ফালে আগবাঢ়ি যোৱাৰ প্ৰয়াস কৰা, যাৰ ফলত ৰাষ্ট্ৰই নিৰন্তৰ আগবাঢ়ি গৈ চেষ্টা আৰু উপলব্ধিৰ শিখৰ স্পৰ্শ কৰিব পাৰে।"

ইয়াৰ ওপৰত ভিত্তি কৰিয়েই দেশত প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নতি কৰাৰ অৰ্থে চেষ্টা অব্যাহত আছে। এই ক্ষেত্ৰত দেখা দিয়া বাধা/অসুবিধাসমূহ দূৰ কৰিবলৈ, দেশৰ বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে সহায় কৰি আছে। ইয়াৰে কিছুমান প্ৰশাসনীয় অনুষ্ঠান আৰু কিছুমান স্বয়ংসেৱা অনুষ্ঠান।

প্ৰাথমিক শিক্ষাৰ বিভিন্ন দিশত উৎকৃষ্টতা লাভ কৰিবলৈ ভাৰত চৰকাৰৰ মানৱসম্পদ উন্নয়ন দপ্তৰে (Ministry of Human Resource Development, MHRD), দেশৰ প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড বিকাশৰ দায়িত্বক বিকেন্দ্ৰীভূত কৰি দিছে। ৰাষ্ট্ৰীয় স্তৰত NCERT, (National Council of Educational Research and Training) ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, ৰাজ্যিক স্তৰত SCERT (State Council of Educational Research and Training) ৰাজ্যিক শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ আৰু জিলা পৰ্যায়ত DIET (District Institutes of Education and Training) জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠান, BRCs (Block Resource Centres) ব্লক সম্পদ কেন্দ্ৰসমূহ, CRCs (Cluster Resource Centres) গোট/ক্লাষ্টাৰ সম্পদ কেন্দ্ৰসমূহ ইত্যাদিসমূহ প্ৰধান প্ৰশাসনীয় অনুষ্ঠান যিয়ে প্ৰাথমিক শিক্ষাক শৈক্ষিক আৰু সমলৰ সমৰ্থন কৰে।

এই গোটটোত, আমি বিভিন্ন পৰ্যায়ত স্থাপন হোৱা এই অনুষ্ঠানসমূহৰ ভূমিকা আৰু কাৰ্যসমূহ অধ্যয়ন কৰিম যিয়ে প্ৰাথমিক শিক্ষাক সুবিধা প্ৰদান কৰে।

এই অনুষ্ঠানসমূহৰ কাৰ্যসমূহ, শিক্ষকসকলৰ সৰ্বমুঠ সহযোগিতাৰ ওপৰত নিৰ্ভৰশীল। শিক্ষকসকলে এই অনুষ্ঠানসমূহৰ পৰা দুটা উপায়েৰে লাভালাভ হ'ব পাৰে ঃ

(ক) এই অনুষ্ঠানসমূহৰ দ্বাৰা বিভিন্ন প্ৰকল্প চলাই থকা হয় যিয়ে বিভিন্ন প্ৰশিক্ষণ শ্ৰেণীৰ দ্বাৰা শিক্ষকৰ কৌশল আৰু জ্ঞান বৃদ্ধি কৰে।

(খ) এই অনুষ্ঠানসমূহে, শিক্ষাৰ ক্ষেত্ৰত হোৱা নতুনত্বক স্বীকৃতি প্ৰদান কৰে। শিক্ষকসকলে নতুন জ্ঞানৰ লগত চিনাকী হয়, যাতে আমি আমাৰ জ্ঞান আৰু কৌশল বৃদ্ধিৰ জৰিয়তে শিক্ষাৰ মানদণ্ডৰ উন্নতি সাধন কৰিব পাৰো।

আমি আগুৱাই যোৱাৰ আগত চিত্ৰ ৪.১ টো চাই লওঁ আহক যিয়ে এই গোটটোত অন্তৰ্ভুক্ত বিভিন্ন ধাৰণা আৰু সিহঁতৰ সম্পৰ্কৰ উমান দিব।




চিত্ৰ ঃ ৪.১

এই গোটটোত এই অনুষ্ঠানসমূহৰ ভূমিকা আৰু কাৰ্যৰ বিষয়ে বিশদ আলোচনা কৰো আহক।

**৪.১ শিক্ষণীয় উদ্দেশ্যসমূহ ঃ**

এই গোটটোৰ আপোনালোকে জানি যে ঃ

- প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থাৰ বিভিন্ন পৰ্যায়ত ব্যাখ্যা ঃ ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা।
- ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান যেনে— NCERTৰ ভূমিকা আৰু কাৰ্য সম্বন্ধীয় পৰীক্ষা।
- ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠান যেনে— SCERT আৰু SIEMTৰ ভূমিকা আৰু কাৰ্যাৱলীৰ বৰ্ণনা।
- জিলা পৰ্যায়ৰ অনুষ্ঠান যেনে— DIET, BRCs আৰু CRCsৰ প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নীতকৰণৰ ক্ষেত্ৰত থকা ভূমিকা আৰু কাৰ্যৰ আলোচনা আৰু
- দেশত প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নীতকৰণৰ বাবে উপায় আৰু পৰামৰ্শ আগবঢ়োৱা।

**৪.২ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা, NCERT ঃ**

১৯৫৪ চনৰ পৰা ভাৰতত বহুসংখ্যক অনুষ্ঠান আৰম্ভ হৈছিল যেনে— Central Bureau of Textbook Research (1954), Institute of Educational and Vocational Guidance (1954), National Institute of Basic Education (1956), National Foundation Education Centre (1956). All India Council for Secondary Education পিছলৈ Directorate of Extension Programmes for Secendary Education (1951) হ'ল আৰু The National Institute of Audio-visual Education (1959)। এই অনুষ্ঠানসমূহ বিভিন্ন কাৰ্যৰ লগত জড়িত আছিল।

১৯৬১ চনত এই বিভিন্ন অনুষ্ঠানসমূহ, এটা ৰাষ্ট্ৰীয় অনুষ্ঠানৰ অধীনত অনা হৈছিল যাৰ মানৱ সম্পদৰ এক বৃহৎ ভড়াল আছিল আৰু বিজ্ঞ লোকৰ সমাহৰ আছিল তথা কাৰ্য সম্পাদন কৰাৰ বৃহৎ স্বাধীনতা আছিল যাক NCERT নামে জনা যায় আৰু ইয়াক ১৯৬১ চনৰ ১ ছেপ্টেম্বৰত দিল্লীত স্থাপন কৰা হৈছিল। NCERTৰ প্ৰধান লক্ষ্য আছিল বিদ্যালয় শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰা। ইয়াক স্থাপন কৰা মূল উদ্দেশ্য এইটোৱে আছিল যাতে শৈক্ষিক বিষয়সমূহত ই কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰক সহায়ৰ হাত আগবঢ়াব পাৰে। মানৱ সম্পদ উন্নয়ন দপ্তৰে বিচাৰে যে ই বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰখনৰ আঁচনি গঠন আৰু ৰূপায়ণত বিশেষজ্ঞতা দেখুওৱায়। NCERT এখন সাধাৰণ সভা আছে, য'ত সকলো ৰাজ্যৰ শিক্ষামন্ত্ৰী, প্ৰসিদ্ধ শিক্ষাবিদ আৰু শিক্ষকসকল অন্তৰ্ভূক্ত।

NCERTৰ নিম্নলিখিত চাৰিটা লক্ষ্য আছে ঃ

- বিদ্যালয় শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰা।
- প্ৰশিক্ষণ অনুষ্ঠানসমূহ আয়োজন কৰা।
- শিক্ষাৰ বিস্তাৰ কৰা।
- দেশত বিদ্যালয় শিক্ষাই মুখামুখী হোৱা সমস্যাসমূহ সমাধান কৰা।

বিভিন্ন সভা/সমিতিয়ে ইয়াৰ কাৰ্য সম্পাদনত সহায় কৰে। এইসমূহ হ'ল—

• National Institute of Education (NIE), নতুন দিল্লী।

• Central Institute of Educational Technology (CIET), নতুন দিল্লী।

• Pandit Sundearlal Sharma Central Institute of Vocational Education (PSSCIVE), ভূপাল।

• আজমেৰ, ভূপাল, ভুবনেশ্বৰ, মৌচুৰী আৰু শ্বিলঙত থকা Regional Institutes of Education (RIE)

NCERTৰ প্ৰধান শাসকীয় কমিটি হৈছে ইয়াৰ কাৰ্যকৰী সমিতি। মানৱ সম্পদ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী হৈছে ইয়াৰ সাধাৰণ সমিতিৰ সভাপতি (পদ অনুসাৰে)। ইয়াক তলত উল্লেখিতসমূহে প্ৰতিনিধিত্ব কৰে ঃ

• ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সকলো শিক্ষামন্ত্ৰী।

• বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ, ভাৰত চৰকাৰৰ সচিব, মানৱ সম্পদ উন্নয়ন দপ্তৰ (শিক্ষা বিভাগ), বিশ্ববিদ্যালয়ৰ চাৰিজন উপাচাৰ্য, CBSEৰ অধ্যক্ষ, কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ আয়ুক্ত, নিৰ্দেশক Central Health Education Bureau, প্ৰশিক্ষণ বিভাগৰ নিৰ্দেশক, Directorate General of Training and Employment, শ্ৰম বিভাগ, শিক্ষা বিভাগৰ এজন প্ৰতিনিধি, যোজনা আয়োগ, পৰিষদৰ কাৰ্যকৰী সমিতিৰ সকলো সদস্য আৰু অন্যান্য সদস্য, ভাৰত চৰকাৰৰ দ্বাৰা মনোনীত সদস্য ছয়জনতকৈ কম (তেওঁলোকৰ কমেও চাৰিজন বিদ্যালয় শিক্ষক হ'ব লাগিব)

• NCERTৰ সচিব, সংযোজন (Convenor) হিচাপে।

• প্ৰধান পৰিচালনা কমিটি সহায় কৰাৰ বাবে তিনিখন কমিটি আছে। এই কমিটিসমূহে অৰ্থনৈতিক আৰু বিভিন্ন প্ৰকল্পসমূহ পৰিচালনা কৰে। এই কমিটিৰ অধ্যক্ষক নিৰ্দেশক হিচাপে জনা যায় যি কাৰ্যবাহী অধিকাৰী হিচাপে কাম কৰে।

**৪.২.১ NCERTৰ ভূমিকা ঃ**

১৯৬১ চনত ভাৰত চৰকাৰে NCERTক এটা স্বায়ত্ত্ব সংগঠন হিচাপে স্থাপন কৰে যাতে ই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক তেওঁলোকৰ শিক্ষাৰ আচনি প্ৰস্তুতকৰণত উপদেশ আগবঢ়াব পাৰে, বিশেষকৈ বিদ্যালয় শিক্ষা আৰু শিক্ষক প্ৰস্তুতিত গুণগত পৰিৱৰ্তন আনিব পাৰি। যোৱা কিছু বছৰত, এই পৰিষদটো লাহে লাহে অদ্বিতীয় অনুষ্ঠান হিচাপে গঢ়ি উঠিছে, যাৰ ভাৰতীয় বিদ্যালয় শিক্ষাৰ ওপৰত এক সুদূৰপ্ৰসাৰী কাৰ্যাৱলীৰ প্ৰভাৱ আছে। NCERTএ শৈক্ষিক গৱেষণা আৰু শৈক্ষিক গৱেষণাৰ কাৰ্যপ্ৰণালীৰ ক্ষেত্ৰত প্ৰশিক্ষণ, আয়োজন আৰু সমৰ্থনৰ ক্ষেত্ৰত প্ৰয়োজনীয় কাৰ্য পৰিৱেশন কৰে। বিভিন্ন বিভাগ যেনে— National Institute of Education (NIE), Regional Institutes of Education (EIEs), Central Institute of Educational Technology (CIET) আৰু Pandit Sunderlal Sharma Central Institute of Vocational Education (PSSCIVE) এ বিদ্যালয় শিক্ষা আৰু শিক্ষক শিক্ষা বিভিন্ন গৱেষণামূলক অনুষ্ঠান আয়োজন কৰে। NCERTএ আন আন অনুষ্ঠান প্ৰতিষ্ঠানক অৰ্থনৈতিক সহায়-সহযোগিতা আৰু শৈক্ষিক মাৰ্গ দৰ্শনৰে, গৱেষণামূলক অনুষ্ঠান আয়োজন

কৰাত সমৰ্থন কৰে। ই গৱেষকসকলক ডক্টৰেট ডিগ্ৰীৰ গৱেষণা গ্ৰন্থখন প্ৰকাশনৰ ক্ষেত্ৰতো সহায় আগবঢ়ায়। সুযোগ্য গৱেষণাকৰ্মীৰ ভড়াল চহকী কৰিবলৈ ই গৱেষণাবৃত্তিও আগবঢ়ায় যাতে বিদ্যালয় শিক্ষাৰ অধ্যয়নমূলক গৱেষণা কৰাৰ উৎসাহ পায়।

The Programme Advisory Committee হৈছে NCERTৰ প্ৰধান উপদেশমূলক সমিতি। ই গৱেষণা, প্ৰশিক্ষণ আৰু বিস্তাৰ প্ৰকল্পৰ, সকলো প্ৰস্তাৱনাক গ্ৰাহ্য কৰি, উপদেশ সমিতিক প্ৰেৰণ কৰে। (অনুষ্ঠানটোৱে শৈক্ষিক আঁচনিসমূহৰ বিকাশৰ বাবে প্ৰকল্প প্ৰস্তুত কৰে)। ই লগতে গৱেষণা আৰু প্ৰশিক্ষণ প্ৰকল্পসমূহৰ আৰম্ভণি, পথপ্ৰদৰ্শন আৰু পৰিদৰ্শনৰ লগতে, ইয়াৰ লগত সংলগ্ন আঁচনিসমূহৰ পৰীক্ষা-নিৰীক্ষা তথা নিৰ্দেশনাৰ কাম কৰে। তিনি স্থায়ী উপকমিটিৰ, বহলভিত্তিক কাৰ্যসমূহ হ'ল—

(ক) গৱেষণা আঁচনিসমূহৰ লগত আদান-প্ৰদান লগতে ইয়াৰ তথ্যসমূহ আন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা পৰিষদত জমা কৰে।

(খ) NIEৰ লগত শৈক্ষিক বিষয় আৰু শৈক্ষিক গৱেষণাৰ ৰূপৰেখা প্ৰস্তুত আৰু সহযোগিতাৰ আদান-প্ৰদান।

(গ) বিস্তাৰ আৰু ক্ষেত্ৰ সেৱাৰ লগত আদান-প্ৰদান।

NCERTএ ইয়াৰ উদ্দেশ্য আৰু লক্ষ্যত উপনীত হ'বলৈ NIE আৰু RIE সমূহৰ স্থাপন কৰিছে গৱেষণা বিকাশত, ঐচ্ছিক প্ৰশিক্ষণ আৰু বিস্তাৰ সেৱাৰ বিকাশৰ বাবে একমাত্ৰ মুখ্য আনুষ্ঠানিক সংস্থা হিচাপে কাম কৰিব পাৰে।

১। ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁঠনিৰ ৰূপায়ণ।

২। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ।

৩। বৃত্তিমূলক শিক্ষা।

৪। বিশেষ প্ৰয়োজনৰ দলসমূহক শিক্ষা।

৫। প্ৰাক-শৈশৱকালীন শিক্ষা।

৬। মূল্যায়ণ আৰু পৰীক্ষাৰ সংস্কাৰ।

৭। তথ্য আৰু প্ৰযুক্তিবিদ্যা শিক্ষা।

৮। মূল্যবোধ শিক্ষা।

৯। শিক্ষা প্ৰযুক্তিবিদ্যা।

১০। উদাহৰণাত্মক পাঠ্যপুথি/কৰ্মপুথি/শিক্ষকৰ নিৰ্দেশনাপুথি/পৰিপূৰক পঠন সামগ্ৰীৰ বিকাশ।

১১। শিকন-শিক্ষণ সামগ্ৰীৰ উৎপাদন।

১২। ছোৱালী শিশুৰ শিক্ষা।

১৩। প্ৰতিভাৰ চিনাক্তকৰণ আৰু পোষণ।

১৪। পৰামৰ্শ আৰু নিৰ্দেশনা।

১৫। শিক্ষক শিক্ষাৰ উন্নীতকৰণ।

১৬। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক।

### ৪.২.২ NCERTৰ কাৰ্যসমূহ ঃ

(ক) গৱেষণা ঃ NCERTএ স্বাধীনভাৱে আৰু আন অনুষ্ঠানসমূহৰ সহযোগিতাত শৈক্ষিক গৱেষণা আয়োজন কৰে। ই শিক্ষা গৱেষণা কৰ্মীসকলৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰে আৰু বিদ্যালয় শিক্ষাৰ লগত জড়িত অধ্যয়নসমূহক উৎসাহ যোগাবলৈ বৃত্তি/জলপানিৰ ব্যৱস্থাও কৰে।

(খ) প্ৰশিক্ষণ ঃ ই বিভিন্ন স্তৰত প্ৰাক-প্ৰাথমিক, প্ৰাথমিক-মাধ্যমিক আৰু উচ্চ-মাধ্যমিক স্তৰৰ শিক্ষকসকলৰ বাবে প্ৰাক-সেৱাকালীন আৰু সেৱাকালীন প্ৰশিক্ষণৰ আয়োজন কৰে আৰু লগত এই ক্ষেত্ৰসমূহো সাঙুৰি লয় যেনে— বৃত্তিমূলক শিক্ষা, শিক্ষা প্ৰযুক্তিবিদ্যা, পৰামৰ্শ আৰু নিৰ্দেশনা আৰু বিশেষ শিক্ষা।

(গ) বিকাশ ঃ ই বিদ্যালয় শিক্ষাৰ বিভিন্ন পৰ্যায়ৰ বাবে পাঠ্যক্ৰম, নিৰ্দেশনাত্মক সামগ্ৰী/পাঠ্যসূচী আদিৰ বিকাশ আৰু নবীকৰণ কৰে আৰু এইসমূহক বৰ্তমান বিকশিত সমাজৰ প্ৰয়োজনৰ অৰ্থে প্ৰাসংগিক কৰি তোলে। ই শৈক্ষিক সমল, মূল্যায়ন পদ্ধতি আৰু কৌশলক অন্তৰ্ভূক্ত কৰি শিক্ষা-প্ৰযুক্তিবিদ্যাৰ বিকাশ ঘটায়। শিক্ষা প্ৰযুক্তিবিদ্যা, জনসংখ্যা শিক্ষা আৰু অক্ষমসকলৰ বাবে শিক্ষা তথা আন বিশেষ দলসমূহৰ পৰিসৰৰ ভিতৰত বিকাশাত্মক কাৰ্যকলাপবোৰো ই সাঙুৰি লয়।

(ঘ) প্ৰাক্সেৱাকালীন আৰু সেৱাকালীন প্ৰশিক্ষণ ঃ ই যোগ্যপ্ৰাৰ্থীসকলৰ বাবে প্ৰাক্-সেৱাকালীন আৰু শিক্ষক, শিক্ষকৰ শিক্ষকসকল আৰু শিক্ষক শিক্ষাৰ লগত সংলগ্ন অন্যান্য পদাধিকাৰী আৰু অন্যান্য শিক্ষা খণ্ডৰ বাবে সেৱাকালীন শিক্ষক শিক্ষা অনুষ্ঠানৰ আয়োজন কৰে।

(ঙ) দিশদৰ্শন কাৰ্যক্ৰমণিকা অভিবিন্যাস (Orientation) ঃ ই বিদ্যালয় শিক্ষাৰ লগত আৰু শিক্ষাৰ লগত সংলগ্ন নতুন শিক্ষামূলক ভাৰ, ধাৰণা আৰু সকলো বিষয়ৰ (Subjects) তথ্যৰ বাবে অভিবিন্যাস অনুষ্ঠান আয়োজন কৰে।

(চ) অধ্যয়ন, অনুসন্ধান আৰু জৰীপ ঃ ই বিদ্যালয় শিক্ষাৰ বিভিন্ন বিষয়সমূহৰ জড়িত কৰি গৱেষণা অধ্যয়ন, অনুসন্ধান আৰু জৰীপ ব্যৱস্থাৰ আয়োজন কৰে।

(ছ) প্ৰচাৰ ঃ ই তৎকালিক শৈক্ষিক কৌশল আৰু পদ্ধতিসমূহৰ, গৱেষণা প্ৰাপ্তিৰ তথ্যসমূহপ্ৰচাৰ কৰে।

(জ) উপদেশ ঃ ই কেন্দ্ৰ আৰু ৰাজ্যিক চৰকাৰক বিদ্যালয় শিক্ষা আৰু শিক্ষক শিক্ষাৰ ওপৰত উপদেশ আগবঢ়ায়।

(ঝ) আঁচনি ৰূপায়ণ ঃ ই ভাৰত চৰকাৰৰ আঁচনি আৰু অনুষ্ঠানসমূহৰ ৰূপায়িত কৰা ব্যৱস্থা গ্ৰহণ কৰে।

(ঞ) বিভিন্ন ক্ষেত্ৰসমূহ ঃ ই বিভিন্ন ক্ষেত্ৰৰ সমস্যাসমূহ যেনে— পাঠ্যক্ৰম, পাঠ্যপুথি, প্ৰকাশন, পৰীক্ষা ইত্যাদিৰ লগত লেনদেন কৰে আৰু লগতে বিদ্যালয়ৰ সকলো পৰ্যায়তে, শিক্ষাৰ গুণগত মানদণ্ড বিকাশৰ উদ্দেশ্যে, উক্ত ক্ষেত্ৰসমূহত গৱেষণা আৰম্ভ কৰে।

তলত দিয়া চিত্ৰটোত NCERTএ পৰিৱেশন কৰা কাৰ্যসমূহ দিয়া হ'ল ঃ




চিত্ৰ ৪.৩ ঃ NCERTৰ কাৰ্যসমূহ

(ট) আন্তঃৰাষ্ট্ৰীয় ভূমিকা ঃ NCERTএ আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ লগত সহযোগিতা ৰক্ষা কৰে যিসমূহে বিদ্যালয় শিক্ষাৰ ওপৰত কাম কৰি আছে। আন্তঃৰাষ্ট্ৰীয় সংস্থা যেনে— UNESCO, UNICEF বিশ্ববেংক ইত্যাদিৰ লগত NCERTএ বিভিন্ন প্ৰকল্পত কাম কৰি আছে।

এই পৰিষদে প্ৰাথমিক শিক্ষা, প্ৰাক-প্ৰাথমিক শিক্ষা, শিক্ষক প্ৰশিক্ষণ আৰু শিক্ষা প্ৰযুক্তিবিদ্যাৰ অনুষ্ঠানসমূহ চলায়।

**কাৰ্য-১**

১। প্ৰায় ১০০ শব্দৰ ভিতৰত, প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নীতকৰণত, NCERTৰ ভূমিকা সম্পৰ্কে লিখা।

........................................................

........................................................

**৪.৩ ৰাজ্যিক পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা ঃ**

ৰাজ্যিক পৰ্যায়ত শিক্ষাৰ ক্ষেত্ৰত কাম কৰি থকা দুটা প্ৰধান অনুষ্ঠান আছে। সেই দুটা হ'ল SCERT আৰু SIEMAT.

**৪.৩.১ ৰাজ্যিক শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ (State Council of Educational Research and Training, SCERT) ঃ**

ভাৰতবৰ্ষৰ শিক্ষা সমবৰ্তী সূচীৰ ভিতৰত পৰে আৰু ই দুয়োটা কেন্দ্ৰীয় শাসিত আৰু ৰাজ্য চৰকাৰৰ অধীনত যাক শিক্ষাৰ সমস্ত দায়িত্ব সন্মিলিত কাৰ্যভাৰ দিয়া হৈছে।

বিদ্যালয় পৰ্যায়ত শৈক্ষিক বিষয় আৰু বৃত্তিমূলক কাৰ্যসমূহ একত্ৰিত কৰাৰ অৰ্থে লগতে প্ৰশাসনীয় সুবিধাৰ বাবে ৰাজ্যসমূহত NCERTৰ ৰাজ্যিক পৰ্যায়ৰ সমভাগী হিচাপে ৰাজ্যিক শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ স্থাপন কৰা হৈছিল। ইয়াৰ ওপৰত প্ৰাক্ বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক পৰ্যায়লৈকে, সমগ্ৰ শৈক্ষিক বিষয়সমূহ যেনে— আচনি প্ৰস্তুতকৰণ, পৰিচালনা, গৱেষণা, প্ৰশিক্ষণ আৰু মূল্যায়ণৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছিল। SCERT পৰিষদে মুঠতে ৩৬ টা বিভিন্ন স্থানত অৱস্থিত যেনে ছিকিম, ত্ৰিপুৰা, কেৰেলা, গোৱা, জম্মু আৰু কাশ্মীৰ ইত্যাদি।

SCERT সাংগঠনিক গঠন/ব্যৱস্থা ঃ SCERTৰ বিভিন্ন বিভাগ আছে যিয়ে বিশেষ উদ্দেশ্যসমূহৰ বাবে কাম কৰি আছে।

- সেৱাকালীন শিক্ষা বিভাগ।
- প্ৰাথমিক শিক্ষক শিক্ষা বিভাগ।
- সাৰ্বজনীন প্ৰাথমিক শিক্ষা বিভাগ।
- শিক্ষা গৱেষণা, নীতি পৰিপ্ৰেক্ষ আৰু নবীকৰণ বিভাগ।
- শিক্ষাৰ তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভাগ।
- পৰীক্ষা আৰু নামভৰ্তি কেন্দ্ৰ।

ইয়াৰ আৰু অন্যান্য বিভাগো আছে, যেনে—

- শৈক্ষিক কোষ (Academic cell)
- প্ৰশাসনীয় ভাগ (Administrative cell)
- লেখা/গাণনিক বিভাগ (Accounts Department)
- প্ৰকাশন বিভাগ (Publication Department)

**SCERTৰ ভূমিকা ঃ**

- SCERT হ'ল ৰাজ্যিক শিক্ষা বিভাগৰ, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা আৰু শিক্ষক শিক্ষাৰ বাবে থকা এটা শৈক্ষিক বিভাগ।
- ই বিদ্যালয় শিক্ষা, অনৌপচাৰিক শিক্ষা আৰু শিক্ষক শিক্ষাৰ এটা এজেন্ট হিচাপে কাম কৰে।

• ই ৰাজ্যৰ মাধ্যমিক প্ৰশিক্ষণ বিদ্যালয়, DIET সমূহ, প্ৰশিক্ষণ মহাবিদ্যালয়সমূহ, শিক্ষক শিক্ষাৰ মহাবিদ্যালয়সমূহ আৰু Institutes of Advanced Studiesৰ কাৰ্যকলাপক নিয়ন্ত্ৰণ আৰু সঞ্চালন কৰে।

• ই ৰাজ্য চৰকাৰক শিক্ষক, শিক্ষকৰ শিক্ষকসকলক আৰু শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানৰ প্ৰধানগৰাকীৰ নিয়োগ আৰু বদলি সংক্ৰান্তত প্ৰস্তাৱনা আগবঢ়ায়।

• SCERTএ প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ শিক্ষকৰ বাবে আয়োজন কৰা সেৱাকালীন প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় অৰ্থৰ তদাৰক আৰু যোগানৰ ব্যৱস্থা কৰে।

• ই প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰম অধ্যয়ন কৰে, ইয়াক সংশোধন কৰে, ন্যূনতম শিক্ষণ স্তৰৰ দৃষ্টিভংগীমতে প্ৰাথমিক পৰ্যায়ৰ বিভিন্ন বিষয়সমূহৰ শিক্ষণ সামগ্ৰী প্ৰস্তুত কৰে।

• ই শিক্ষকসকলক ন্যূনতম শিক্ষণ স্তৰৰ (Minimum Levels of Learning, MLL)ৰ দিশদৰ্শন কৰায় আৰু বিভিন্ন বিষয়ত ন্যূনতম শিক্ষণ লাভ কৰাৰ উদ্দেশ্যে শিশুসকলক সহায় কৰিবলৈ ৰণনীতি প্ৰস্তুত কৰে।

• ই প্ৰাক্ বিদ্যালয় শিশুসকলৰ বাবে টোপোলা (Package) প্ৰস্তুত কৰে।

• ই শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানসমূহক বিস্তাৰ সেৱা (Extension service) যোগান ধৰে আৰু লগতে বিস্তাৰ/সম্প্ৰসাৰণ সেৱাৰ কেন্দ্ৰসমূহৰ কাৰ্যসমূহক একত্ৰিত কৰে।

• ই MHRD আৰু NCERT এ সমৰ্থন কৰা তথা আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহ যেনে UNESCO, UNICEF, বিশ্ববেংক ইত্যাদিয়ে অৰ্থ যোগান ধৰা আচনি আৰু প্ৰকল্পসমূহ ৰূপায়িত কৰে।

• ই বিদ্যালয় শিক্ষাৰ বিভিন্ন দিশসমূহৰ ওপৰত গৱেষণা অধ্যয়ন কৰে আৰু লগতে বিদ্যালয়সমূহত গৱেষণা প্ৰকল্পৰ বাবে অৰ্থৰ যোগান ধৰি সহায়-সহযোগিতা আগবঢ়ায়।

(ক) SCERTৰ কাৰ্যসমূহ ঃ SCERTএ বিভিন্ন ধৰণৰ কাৰ্য সম্পাদন কৰে যেনে—

(ক) পাঠ্যক্ৰম সংশোধন আৰু পাঠ্যপুথিৰ সমীক্ষা (Review) ঃ পাঠ্যক্ৰম সংশোধন আৰু পাঠ্যপুথিৰ সমীক্ষা, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শ্ৰেণীৰ বাবে কৰাটো SCERT প্ৰধান কাৰ্য।

(খ) কৰ্মশালাৰ আয়োজন ঃ দক্ষতাৰ বিভিন্ন ক্ষেত্ৰক উদ্দেশ্যি, ই গৱেষণা কাৰ্যপ্ৰণালীৰ ওপৰত কৰ্মশালাৰ আয়োজন কৰে।

(গ) প্ৰাক সেৱাকালীন আৰু সেৱাকালীন প্ৰশিক্ষণ ঃ ই শিক্ষকৰ কৌশল বিকাশৰ বাবে শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান আৰু অন্যান্য প্ৰশিক্ষণ অনুষ্ঠানৰ আয়োজন কৰে।

(ঘ) মুঠ গুণৰ পৰিচালনা (Total Quality Management, TQM) ই মুঠ গুণৰ পৰিচালনাৰ ধাৰণাটোৰ ওপৰত গুৰুত্ব। ই গুণগত সমস্যাৰ মূল লক্ষণসমূহক দূৰ কৰাতকৈ ইয়াৰ ঘাই শিপাডালক নিৰ্মূল কৰাৰ অধিক চেষ্টা কৰে।

(ঙ) পৰামৰ্শ ঃ ই বিদ্যালয়/শিক্ষকসকলক বিভিন্ন অভিনৱ প্ৰচেষ্টা হাতত লোৱাৰ বাবে পৰামৰ্শ আগবঢ়ায় যেনে— অবিৰত আৰু ব্যাপক মূল্যায়ন, শিক্ষণৰ মান্যতা ধাৰা, শিক্ষাদানশৈলী, যোগ্য

শিক্ষণ পদ্ধতিৰ চিত্ৰণ ইত্যাদি।

(চ) দিকদৰ্শন অনুষ্ঠান/অভিবিন্যাস ঃ ই শিক্ষকসকলৰ বিভিন্ন ক্ষেত্ৰত সবলীকৰণ অৰ্থে দিকদৰ্শন অনুষ্ঠান আয়োজন কৰে যেনে— প্ৰবীণতা বৃদ্ধি, গৱেষণা যোগ্যতা, নেতৃত্বৰ আচৰণ ইত্যাদি।

সাৰাংশ হিচাপে আমি এইটো ক'ব পাৰো যে SCERT হৈছে এটা সৰ্বোচ্চ অনুষ্ঠান যিয়ে ৰাজ্যৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড সুনিশ্চিত কৰাৰ বাবে শৈক্ষিক সমৰ্থন আগবঢ়ায়।

**৪.৩.২ শিক্ষা পৰিচালনা আৰু প্ৰশিক্ষণৰ ৰাজ্যিক অনুষ্ঠান (The State Institute of Educational Management and Training, SIEMAT) ঃ**

SIEMAT হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক স্বায়ত্ত্ব অনুষ্ঠান, যাক SCERTৰ এটা অংশ হিচাপে বিভিন্ন ৰাজ্যত, সৰ্বশিক্ষা অভিযানৰ ৰাজ্যিক উপাদান অনুষ্ঠান হিচাপে স্থাপন কৰা হৈছিল। এই অনুষ্ঠানৰ প্ৰধান লক্ষ্য হৈছে যে শিক্ষাৰ আঁচনি আৰু পৰিচালনা সংক্ৰান্তত প্ৰশিক্ষণ দিয়া আৰু গৱেষণাৰ আয়োজন কৰা।

আজিকালি জিলা শিক্ষা আঁচনিৰ সফল ৰূপায়ণৰ বাবে বৃত্তিগত বা পেছাদাৰী ব্যক্তিৰ প্ৰশিক্ষণ দিয়াৰ চাহিদা বেছি। ইয়াৰ বাবে পেছাদাৰী বিশেষজ্ঞৰ বিভিন্ন দিশত প্ৰয়োজন, যেনে, সকলো পৰ্যায়তে, ৰাজ্যিক, জিলা, খণ্ড-জিলা আৰু নিম্নস্তৰত শৈক্ষিক অনুষ্ঠানসমূহৰ আঁচনি প্ৰস্তুতকৰণ, ৰূপায়ণ আৰু পৰিচালনা ক্ষেত্ৰত। সেয়েহে SIEMA এটা প্ৰয়োজনীয় সংস্থা/অনুষ্ঠান যিয়ে ৰাজ্যিক, জিলা আৰু খণ্ড-জিলা স্তৰত পেছাদাৰী শৈক্ষিক আচনি প্ৰস্তুতকৰণত, প্ৰশাসনীয় আৰু কাৰ্যাৱলীৰ পৰিচালনাৰ ক্ষেত্ৰত সহায় কৰে।

SIEMATক, শিক্ষা পৰিচালনা ক্ষেত্ৰত, অনুষ্ঠানসমূহক সমৰ্থন কৰাৰ বাবে স্থাপন কৰা হৈছে। এই অনুষ্ঠানটো এজন নিৰ্দেশকৰ দ্বাৰা পৰিচালনা কৰা হয়। ইয়াৰ সাধাৰণ সভাত, সেই নিৰ্দিষ্ট ৰাজ্যখনৰ শিক্ষামন্ত্ৰীগৰাকীয়ে অধ্যক্ষতা কৰে আৰু ইয়াৰ কাৰ্যবাহী সমিতিত, সেই ৰাজ্যৰ শিক্ষা বিভাগৰ মূল সচিবগৰাকীয়ে অধ্যক্ষতা কৰে।

এই অনুষ্ঠান ভিতৰত বিভিন্ন বিভাগ স্থাপন কৰা হৈছে। যেনে— SIEMAT, বিভিন্ন বিভাগৰ দ্বাৰা গঠিত যেনে— নীতি আৰু যোজনা, পৰিচালনা, শৈক্ষিক বিত্ত, গৱেষণা, মূল্যায়ণ আৰু শৈক্ষিক নবীনতা আৰু তথ্য পৰিচালনা ব্যৱস্থা।

(ক) SIEMATৰ ভূমিকা ঃ SIEMATৰ প্ৰধান ভূমিকা হৈছে প্ৰশাসনীয় বিষয়া আৰু পদাধিকাৰীসকলৰ বাবে প্ৰবন্ধকীয় কৌশলৰ বিকাশ কৰা, যিসমূহ বিদ্যালয় শিক্ষা পৰিচালনাৰ লগত জড়িত।

SIEMATএ নিম্নলিখিত মুখ্য ভূমিকাসমূহ পালন কৰে ঃ

(ক) জ্ঞানৰ সংগ্ৰহ/আহৰণ

- গৱেষণাৰ জৰিয়তে জ্ঞান বৃদ্ধি।
- আন আন উৎসৰ পৰা গৱেষণামূলক প্ৰাপ্তি (Research Findings)

• ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাৰ ভিত্তিত পৰিঘটনাসমূহৰ (case studies) সংকলন।

(খ) তলত দিয়াসমূহৰ দ্বাৰা জ্ঞানৰ প্ৰচাৰ

• প্ৰচাৰ মাধ্যমৰ ব্যৱহাৰ

• প্ৰকাশন

• সংবেদনাত্মক অধিৱেশন

• আলোচনা চক্ৰ আৰু আলোচনা

(গ) জ্ঞানক ধৰি ৰখাৰ সামৰ্থতা আৰু ইয়াক বিকাশৰ উদ্দেশ্য ব্যৱহাৰ কৰা। উদাহৰণস্বৰূপে—

• পদাধিকাৰী, প্ৰশিক্ষক, সাম্প্ৰদায়িক নেতাৰ দিশদৰ্শন কাৰ্যক্ৰমণিকা।

• বৃত্তিমূলক আৰু কাৰিকৰী উপদেশ প্ৰদান।

• জিলা আৰু সূক্ষ্ম স্তৰৰ যোজনা।

• বিদ্যালয় প্ৰভাৰশীলতাৰ উন্নীতকৰণ-আনুষ্ঠানিক/সংস্থাগত যোজনা।

• সম্প্ৰসাৰণ কাৰ্য।

(ঘ) শৈক্ষিক অনুষ্ঠানসমূহক কাৰিকৰী সমৰ্থন আগবঢ়োৱা।

SIEMATৰ কাৰ্যসমূহ

প্ৰাথমিক শিক্ষাৰ যোজনা আৰু পৰিচালনাৰ লগত জড়িত অনুষ্ঠানসমূহে কাৰ্য সম্পাদন কৰিবলৈ নিম্নলিখিত অনুষ্ঠানসমূহৰ সক্ৰিয় সহযোগিতাৰ প্ৰয়োজন যেনে— ৰাজ্যিক পদাধিকাৰীৰ সহযোগিতা আৰু সমৰ্থন, NGO সমূহ, গৱেষণাৰত অনুষ্ঠানসমূহ আৰু আন আন অনুষ্ঠান যেনে— SRCs, SCERT, DIETs খণ্ড আৰু গোট সম্পদ কেন্দ্ৰ (BRC আৰু CRC). SIEMTৰ প্ৰধান কামসমূহ তলত দিয়া হ'ল—

(ক) ৰাজ্যিক পৰ্যায়ত নীতি যোজনাত সমৰ্থন কৰা।

(খ) বিভিন্ন দিশত গৱেষণা অধ্যয়ন আয়োজন কৰা।

(গ) ৰাজ্যিক আৰু উপৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানসমূহক পেছাদাৰী পৰামৰ্শ আগবঢ়োৱা।

(ঘ) শিক্ষা পৰিচালক, তেওঁলোকক সমৰ্থন কৰা পদাধিকাৰীসকলৰ, ৰাজ্যিক, আঞ্চলিক আৰু জিলা পৰ্যায়ৰ সাম্প্ৰদায়িক নেতাসমূহৰ, সকলোৰে ক্ষমতাৰ বিকাশ কৰা।

(ঙ) শিক্ষা অনুষ্ঠানসমূহৰ মূল্যায়ন, শৈক্ষিক কাৰ্যসমূহ আৰু লগতে বৰ্তমান শিক্ষা ব্যৱস্থাৰ পৰিচালনা পদ্ধতিৰ উন্নীত কৰা।

(চ) প্ৰকল্পৰ যোজনা, ৰূপায়ণ, তদাৰক আৰু মূল্যায়নৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱা।

(ছ) শিক্ষা পদাধিকাৰীসকলৰ ধনাত্মক আচৰণ পৰিৱৰ্তন সাধিবৰ বাবে, সমৰ্থন, পৰামৰ্শ আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

(জ) শিক্ষা যোজনা আৰু পৰিচালনাৰ ক্ষেত্ৰত ব্লক/খণ্ড, জিলা, ৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত দস্তাবেজ আৰু তথ্যসমূহৰ প্ৰচাৰ কৰা।

(ঝ) শিক্ষা যোজনা, পৰিচালনা, বিকাশয তদাৰকী, প্ৰশিক্ষণ আৰু গৱেষণাৰ এক জালি, ৰাজ্যৰ ভিতৰত আৰু বাহিৰত স্থাপন কৰা।

(ঞ) শিক্ষা পৰিচালনা আৰু যোজনা অন্তৰ্ভুক্তসকলৰ বাবে এখন আদান-প্ৰদানৰ মঞ্চ যোগান ধৰা।

(ট) আন আন শিক্ষা অনুষ্ঠানসমূহক, ভাৰত চৰকাৰক আৰু আন আন ৰাজ্যসমূহক পৰামৰ্শমূলক সেৱা আগবঢ়োৱা।

(ঠ) শিক্ষা যোজনা আৰু পৰিচালনাৰ কাৰণসমূহৰ বাবে NGOৰ প্ৰকল্পসমূহক সমৰ্থন কৰা।

**কাৰ্য-২**

১। শৈক্ষিক গৱেষণা, প্ৰশিক্ষণ আৰু বিকাশৰ আলমত, SCERTৰ কাৰ্যসমূহৰ সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

..............................................

..............................................

২। "বৰ্তমানৰ শিক্ষা ব্যৱস্থাত SIEMATএ এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।" কথাশাৰীৰ ন্যায়সংগত ব্যাখ্যা কৰা।

..............................................

..............................................

**৪.৪ জিলা পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক ব্যৱস্থা জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠান (District Institutions of Education and Training, DIETs) ঃ**

ই শিক্ষানীতি ১৯৮৬ৰ ওপৰত ভিত্তিত। ইয়াৰ এক অৱলোকন ইয়াত আলোচনা কৰা হ'ল।

জিলা এখনৰ শিক্ষাশৈলীৰ কাৰ্যকলাপসমূহ যোজনা, ৰূপায়িত আৰু তদাৰকী কৰিবলৈ, জিলা পৰ্যায়ত DIET নামৰ এটা সংস্থা আছে।

**DIETৰ গঠন ঃ**

DIETএ উভয়কে প্ৰাক্-সেৱাকালীন আৰু সেৱাকালীন প্ৰশিক্ষাৰ্থীসকলক আৱাসিক সুবিধা প্ৰদান কৰে। প্ৰত্যেকখন DIETএ নিম্নলিখিত ৭ টা শৈক্ষিক বিভাগেৰে গঠিত—

- প্ৰাক্ সেৱাকালীন শিক্ষক শিক্ষা শাখা (Pre-service Teacher Education Branch, PSTE)

• WO কৰ্ম-অভিজ্ঞতা শাখা (Work-Experience Branch, WE)

• জিলা-সম্পদ গোট (District Resource Unit, DRU)

• সেৱাকালীন অনুষ্ঠান, ক্ষেত্ৰ-পাৰস্পৰিক আৰু নবীকৰণ সমন্বয় শাখা (In service, Programmes, Field Interaction and Innovation Co-ordination Branch, IFIC)

• পাঠ্যক্ৰম, সামগ্ৰী উন্নীতকৰণ আৰু মূল্যায়ন শাখা (Curriculam, Material Development and Evaluation Branch CMDE)

• শিক্ষা প্ৰযুক্তিবিদ্যা শাখা (Educational Technology Branch, ET)

• যোজনা আৰু পৰিচালনা শাখা (Planning and Management Branch, P & M)

এই শাখাসমূহ তলত চিত্ৰসহকাৰে দেখুওৱা হ'ল—




চিত্ৰ 8.8 DIETৰ শৈক্ষিক শাখাসমূহ

**৪.৪.১ DIETৰ ভূমিকা ঃ**

DIETৰ ভূমিকাসমূহ এনেধৰণৰ ঃ

• জিলা আৰু উপজিলা স্তৰত বিভিন্ন হিতাধিকাৰীৰ সৈতে প্ৰত্যক্ষ বাৰ্তালাপৰ সহায়ত সমস্যা ক্ষেত্ৰসমূহৰ চিনাক্তকৰণ।

• প্ৰাথমিক শিক্ষাৰ বিভিন্ন দিশসমূহত, ক্ষুদ্ৰ গৱেষণা অধ্যয়নৰ আৰ্হি প্ৰস্তুত তথা আয়োজন কৰা।

• জিলাখনত ক্ৰিয়াত্মক গৱেষণাৰ কাৰ্যসমূহৰ তদাৰক কৰা।

• ক্ৰিয়াত্মক গৱেষণা সম্পন্ন কৰিবলৈ শিক্ষক, গৱেষককৰ্মীসকলক প্ৰশিক্ষণ দিয়াৰ লগত সম্পদ

যোগানৰ দ্বাৰা তেওঁলোকক সমৰ্থন আগবঢ়োৱা।

• গৱেষণাৰ ফলাফলসমূহক আদান-প্ৰদান কৰা আৰু সেইসমূহক ভৱিষ্যতে বিকাশৰ হস্তক্ষেপত জিলা আঁচনিত সন্নিলিত কৰা।

**DIETৰ কাৰ্যসমূহ ঃ**

প্ৰত্যেক DIETএ নিম্নলিখিত কাৰ্যসমূহ সম্পন্ন কৰিব লাগে ঃ

(ক) নিম্ন উল্লেখিত লক্ষ্য দলসমূহক প্ৰশিক্ষণ আৰু দিক দৰ্শন কৰা ঃ

• প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকল (উভয়ে প্ৰাক্‌সেৱাকালীন আৰু সেৱাকালীন)

• খণ্ড পৰ্যায়ৰ প্ৰাথমিক শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষক, বিদ্যালয়ৰ মুৰব্বী আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ প্ৰশিক্ষণ আৰু দিকদৰ্শন কাৰ্যক্ৰমণিকা।

• অনৌপচাৰিক আৰু প্ৰাপ্তঃবয়স্ক শিক্ষাৰ প্ৰশিক্ষক আৰু পৰিদৰ্শক (অধিস্থাপন স্তৰ আৰু অবিৰত শিক্ষা)

• জিলা শিক্ষা ব'ৰ্ডৰ সদস্যসকল, গাঁও শিক্ষা কমিটি, সাম্প্ৰদায়িক নেতা, যুৱসকল আৰু আন আন স্বেচ্ছাসেৱক, যিয়ে শৈক্ষিক কাৰ্যৰ লগত জড়িত হ'ব খোজে তেওঁলোকৰ বাবে উন্মুখীকৰণ ব্যৱস্থা।

(খ) তলত উল্লেখিতসমূহৰ দ্বাৰা জিলাখনত প্ৰাথমিক আৰু প্ৰাপ্তঃবয়স্ক শিক্ষা ব্যৱস্থাক বৈষয়িক সমলৰ সমৰ্থন আগবঢ়োৱা—

• ক্ষেত্ৰৰ লগত লেনদেন আৰু সম্প্ৰসাৰণ কাৰ্যাৱলী।

• শিক্ষক আৰু নিৰ্দেশকৰ বাবে এটা সম্পদ আৰু শিক্ষণ কেন্দ্ৰ সেৱাৰ ব্যৱস্থা কৰা।

• স্থানীয় প্ৰাসংগিক সামগ্ৰী, শিক্ষণীয় উপকৰণ, মূল্যায়ণৰ আহিলা ইত্যাদিৰ বিকাশ।

• প্ৰাথমিক বিদ্যালয় আৰু NFE/AEৰ অনুষ্ঠানসমূহৰ বাবে এটা মূল্যায়ন কেন্দ্ৰ হিচাপে সেৱা আগবঢ়োৱা।

(গ) ক্ৰিয়াত্মক গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষা ঃ প্ৰাথমিক আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ উদ্দেশ্যসমূহত উপনীত হোৱাৰ বিশেষ জিলাভিত্তিক সমস্যাসমূহৰ লগত লেনদেন কৰা।

এই কাৰ্যসমূহ DIETৰ পৰা সুকলমে লাভ কৰিবলৈ আৰু DIETক সক্ৰিয় কৰি তুলিবলৈ কিছুমান অতিৰিক্ত ভৌতিক সুবিধা (যেনেঃ বিল্ডিং ইত্যাদি), নিৰ্দেশনাত্মক সামগ্ৰী, উপকৰণ আৰু আহিলা, অতিৰিক্ত প্ৰসিদ্ধ আৰু যোগ্য শিক্ষক প্ৰশিক্ষক, স্বায়ত্ত্ব, ব্যক্তিসকলক প্ৰশিক্ষণ আৰু DIETক আৰ্থিক অনুদান যোগান ধৰিব লাগিব। ইয়াৰ লগতে DIETৰ কিছুমান নতুন শাখা সৃষ্টি কৰা হৈছে যেনে—

(ক) প্ৰাক্‌সেৱাকালীন শিক্ষক শিক্ষা শাখা।

(খ) পাঠ্যক্ৰম, সামগ্ৰী উন্নীতকৰণ আৰু মূল্যায়ন শাখা।

(গ) কৰ্ম অভিজ্ঞতা শাখা।

(ঘ) জিলা সম্পদ গোট — প্ৰাপ্তবয়স্ক আৰু অনৌপচাৰিক শিক্ষা শাখা আৰু অন্যান্য শাখা যেনে— যোজনা আৰু পৰিচালনা, শিক্ষা-প্ৰযুক্তিবিদ্যা আৰু সেৱাকালীন অনুষ্ঠান, ক্ষেত্ৰ লেনদেন আৰু নবীকৰণ সমন্বয় শাখাৰ বাবে।

**৪.৫ ব্লক/খণ্ড পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক গঠন খণ্ড সম্পদ কেন্দ্ৰসমূহ (Block Resource Centers (BRCs) ঃ**

DIETৰ ওপৰত শিক্ষাৰ গুণগত মানদণ্ড উন্নীতকৰণৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু লগতে জিলা পৰ্যায়ত শৈক্ষিক কাৰ্যসমূহৰ সম্পাদনৰ হাৰ দ্ৰুত গতিত কৰা হৈছে। ব্লক পৰ্যায়ত BRC সমূহ স্থাপন কৰা মূল উদ্দেশ্যই হৈছে যাতে বিদ্যালয় পৰ্যায়ত গুণগত মানদণ্ড উন্নীতকৰণত হস্তক্ষেপ কৰিব পাৰি আৰু শিক্ষক আৰু বিদ্যালয়সমূহক শৈক্ষিক পৰামৰ্শ আৰু শৈক্ষিক সমৰ্থন আগবঢ়াব পাৰি।

BRC 200 খন গাঁওৰ দলৰ সৈতে গঠিত। BRCৰ কাৰ্যকলাপসমূহ খণ্ড শিক্ষা বিষয়াৰ দ্বাৰা আয়োজন কৰা হয় আৰু ইয়াত অন্যান্য ব্যক্তি যেনে ডাটা এণ্ট্ৰি অপাৰেটৰ, কণিষ্ঠ অভিযন্তা, খণ্ড সহায়ক, সম্পদ শিক্ষক আৰু অন্যান্য ব্যক্তিসকলে কাৰিকৰী সমৰ্থন আগবঢ়ায়।

**৪.৫.১ BRC সমূহৰ ভূমিকা আৰু কাৰ্যসমূহ ঃ**

BRCএ সৰ্বশিক্ষা অভিযানৰ কাৰ্যসমূহৰ যোজনা, ৰূপায়ণ আৰু তদাৰকী কৰাত অংশগ্ৰহণ কৰে। ই শিক্ষকসকলক প্ৰশিক্ষণ দিয়ে, সামগ্ৰী বিকাশ কৰে, সাম্প্ৰদায়িক সংগ্ৰহণ, ক্ৰিয়াত্মক গৱেষণা কাৰ্য আৰু ই বিভিন্ন কাৰ্যাৱলীৰ/প্ৰতিযোগিতাৰ, শিক্ষক আৰু ছাত্ৰৰ মাজত আয়োজন কৰে। প্ৰাথমিক শিক্ষাৰ যিকোনো তথ্য BRCএ সম্পূৰ্ণ কৰে আৰু অনুক্ৰমে জিলা আৰু ৰাজ্যিক স্তৰৰ বিষয়াসমূহলৈ পঠিয়াই দিয়ে।

BRC, প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক সকলো ধৰণৰ ক্ষেত্ৰ সমন্বিত বৈষয়িক সমৰ্থন আগবঢ়োৱা বাবে এটা সম্পদ কেন্দ্ৰ হিচাপে কাম কৰে। ইয়াৰ নিম্নলিখিতসমূহ কিছুমান উল্লেখনীয় কাৰ্য—

(ক) প্ৰাথমিক বিদ্যালয়সমূহক যথেষ্ট আবাস আৰু আহিলাৰ যোগান ধৰা।

(খ) বৰ্তমানৰ বিদ্যালয়গৃহসমূহৰ মেৰামতি কৰা আৰু যদি কৰ্তৃপক্ষই অনুমতি দিয়ে তেনেহ'লে বিশেষ মেৰামতিৰ লগতে নতুন বিদ্যালয় গৃহ নিৰ্মাণৰ কাম হাতত লোৱা।

(গ) নিৰ্দেশনা দিয়া অনুযায়ী, স্কুলসমূহৰ ওপৰত এনেধৰণৰ পৰিদৰ্শন কাৰ্য সম্পাদন কৰা।

(ঘ) এই ক্ষেত্ৰৰ ভিতৰত বাধ্যতামূলক উপস্থিতিৰ প্ৰৱৰ্তনৰ বাবেও BRC দায়ী।

(ঙ) য'ত সম্ভৱ তাত শিশুৰ বাবে মধ্যাহ্ন ভোজনৰ আয়োজন কৰা।

(চ) শিশুসকলক ইউনিফৰ্ম যোগান ধৰা।

(ছ) বিদ্যালয় অনুষ্ঠানসমূহ উদ্‌যাপন কৰা, ভ্ৰমণ আৰু আন আন সামাজিক আৰু সাংস্কৃতিক

অনুষ্ঠানসমূহ বিদ্যালয়ত অনুষ্ঠিত কৰা।

(জ) খণ্ডৰ অধীনত চলি শৈক্ষিক কাৰ্যৰ নিৰ্মাণৰ গুণ আৰু উন্নতিৰ তদাৰক কৰা।

(ঝ) খণ্ড পৰ্যায়ৰ অনুষ্ঠান আৰু সজাগতা অভিযান অনুষ্ঠিত কৰা।

(ঞ) আন আন সংস্থা যেনে— NGO, আত্ম-সহায়ক গোট, চৰকাৰী বিভাগ আদিৰ সমূহৰ একত্ৰিততা আৰু সহযোগিতা বৰ্তি ৰখা।

(ট) ব্লক আন আন বিষয়াসমূহৰ লগত সাময়িক সমীক্ষা সভা/আলোচনাৰ আয়োজন কৰা যাতে বিভিন্ন অনুষ্ঠানসমূহৰ কাৰ্যত কোনো বাধা নাথাকে।

(ঠ) খণ্ডসমূহত অনুষ্ঠিত প্ৰশিক্ষণ অনুষ্ঠানসমূহ পৰিদৰ্শন কৰা এই প্ৰশিক্ষণৰ প্ৰভাৱ সম্পৰ্কে মূল্যয়াণ কৰা।

**৪.৬ গোট পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক গাঁঠনি গোট সম্পদ কেন্দ্ৰসমূহ (Cluster Resource Centers, CRCs) ঃ**

ক্লাষ্টাৰ/গোট হৈছে ৮ৰ পৰা দহখন বিদ্যালয়ৰ এটা দল য'ত বিভিন্ন অনুষ্ঠানসমূহে সম্পদ, ব্যক্তি, সামগ্ৰী, শিক্ষণীয় উপকৰণৰ সালসলনি কৰি প্ৰত্যেকে ইখনে সিখনৰ ভেটি সুদৃঢ় কৰিব পাৰে আৰু এইসমূহক আদান-প্ৰদানৰ ভিত্তিত ব্যৱহাৰ কৰিব পাৰে। CRCৰ দ্বাৰা শিক্ষকসকলে একে লগ হৈ তেওঁলোকৰ ধাৰণা অভিজ্ঞতাসমূহ আৰু কামসমূহ আন শিক্ষকৰ লগত সালসলনি কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ পেছাৰ বিকাশৰ কাৰ্যত সহায় হয়।

ব্লক পৰ্যায়ত BRCএ কৰা একে কাৰ্য, ক্লাষ্টাৰ পৰ্যায়ত CRCএ কৰিব লাগে। CRC সেই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ওচৰত দায়বদ্ধ, যাক গ্ৰাম্যাঞ্চলৰ পঞ্চায়ত শিক্ষা বিষয়া আৰু চহৰাঞ্চলত ক্লাষ্টাৰ/গোট শিক্ষা বিষয়া হৈছে ঘোষণা কৰা হৈছে।

**৪.৬.১ CRC সমূহৰ ভূমিকা ঃ**

১। বিদ্যালয় কাৰ্যকাৰিতাৰ নীতি আৰু পদ্ধতি প্ৰস্তুত কৰা।

২। বিদ্যালয় অৰ্থ/বিত্তৰ পৰিচালনা আৰু বিতৰণ।

৩। নতুন পাঠ্যক্ৰম/পাঠ্যসূচীৰ ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ।

৪। শিক্ষকসকলৰ বাবে কৰ্মশালাৰ আয়োজন।

**৪.৬.২ CRC সমূহৰ কাৰ্য ঃ**

শিক্ষকৰ সবলীকৰণৰ বাবে CRC সমূহে মূল কেন্দ্ৰ হিচাপে কাম কৰি আছে। য'ত শিক্ষকসকলে তেওঁলোকৰ বিদ্যালয়ত তেওঁলোকে নিজে ব্যৱহাৰ কৰা নতুন ব্যৱস্থা আৰু অভিজ্ঞতাসমূহক বিনিময় কৰিবলৈ একগোট হয়। CRC সমূহৰ কাৰ্যসমূহ এনেধৰণৰ—

- বিদ্যালয় পৰিসৰৰ পৰিদৰ্শন আৰু পৰ্যবেক্ষণ।

- ক্ষেত্ৰপৰিসৰৰ ভিতৰত শিক্ষকসকলৰ বদলিৰ ব্যৱস্থা।
- দৰমহাৰ বিতৰণ/আদায়।
- আচবাব বিতৰণ।
- আহিলা আৰু সজুলি।
- বিদ্যালয় পৰিসৰৰ ভিতৰত ছুটীৰ পৰিপূৰক ব্যৱস্থা।
- বিদ্যালয়ৰ পৰিসৰত বিদ্যালয়ৰ প্ৰধানক আকস্মিক ছুটী প্ৰদানৰ ব্যৱস্থা।
- তথ্য সংগ্ৰহ আৰু ইয়াক BRC, জিলা আৰু ৰাজ্যিক পদাধিকাৰীলৈ প্ৰেৰণ।
- পাঠ্যক্ৰমিক সামগ্ৰীৰ বিকাশ।
- শৈক্ষিক কাৰ্য।
- শিক্ষকৰ বাবে দৈনন্দিন আলোচনা/সভা আয়োজন।
- পাঠ্যক্ৰমিক আৰু সহঃপাঠ্যক্ৰমিক অনুষ্ঠানৰ আয়োজন।
- শিকন-শিক্ষণ সামগ্ৰীৰ সহজলভ্যতা।
- সেৱাকালীন অনুষ্ঠানৰ যোজনা সেইসকলৰ বাবে।
- বিদ্যালয় পৰ্যবেক্ষণ।

CRC সমূহে গ্ৰামাঞ্চলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অকলশৰীয়া মনোভাৱ দূৰ কৰে। ই বিদ্যালয় প্ৰশাসন আৰু দায়বদ্ধতাৰ বিকাশ সাধন কৰে।

**৪.৭ সামৰণি মাৰো আহক ঃ**

মানৱ সম্পদ উন্নয়ন দপ্তৰে ভাৰত চৰকাৰৰ সহযোগিতাত সাধাৰণভাৱে বিদ্যালয় শিক্ষা আৰু বিশেষকৈ প্ৰাথমিক শিক্ষাৰ বিভিন্ন দিশৰ উৎকৃষ্ট সাধন কৰিবলৈ আৰু দেশত প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নীতকৰণৰ বাবে দায়িত্বসমূহ বিকেন্দ্ৰীকৰণ কৰিছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষাৰ সৰ্বোচ্চ অনুষ্ঠান NCERT, ১৯৬১ চনত স্থাপন কৰা হৈছিল। NCERTৰ বিশেষ উদ্দেশ্য আছিল বিদ্যালয় শিক্ষাৰ গুণগত মানদণ্ড উন্নীত কৰা আৰু মানৱ সম্পদ উন্নয়ন দপ্তৰক শৈক্ষিক বিষয়ত উপদেশ/পৰামৰ্শ আগবঢ়োৱা। এই গোটটোত NCERTৰ ভূমিকা আৰু কাৰ্যসমূহৰ বিশদ আলোচনা কৰা হৈছে।

ৰাজ্যিক পৰ্যায়ত UEEৰ লক্ষ্যত উপনীত হ'বলৈ দুটা প্ৰধান অনুষ্ঠানে কাম কৰি আছে। এই দুটা হ'ল SCERT আৰু SIEMT. SCERT এ ৰাজ্যিক পৰ্যায়ত NCERTৰ দৰে একে কাৰ্য পৰিৱেশন কৰে যিটো NCERTএ ৰাষ্ট্ৰীয় পৰ্যায়ত দৰ্শায়। NCERTৰ দৰে বিভিন্ন বিভাগ ইয়াৰো আছে। ই ৰাজ্যিক শিক্ষা বিভাগৰ এটা অংশ। ৰাজ্যিক পৰ্যায়ৰ আনটো অনুষ্ঠান হৈছে SIEMAT. ইয়াৰ প্ৰধান কাম হৈছে শৈক্ষিক প্ৰশাসনৰ লগত জড়িত ব্যক্তিসকলৰ প্ৰশাসনীয় কৌশল বিকাশ কৰা। ইয়াৰ লগতে ই ৰাজ্যিক পৰ্যায়ত নীতি আয়োজন বা যোজনাত সমৰ্থম আৰু বিভিন্ন পদাধিকাৰীৰ কৌশল বিকাশত

সহায় কৰে।

পিছলৈ ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ ৰ আধাৰত, শিক্ষাৰ সাংগঠনিক গাঁথনিৰ বিকেন্দ্ৰীকৰণ কৰা হৈছিল। জিলা পৰ্যায়ত DIETৰ ৰূপত, শৈক্ষিক অনুষ্ঠানৰ স্থাপন কৰা হৈছিল। DIET সমূহৰ দ্বাৰা প্ৰাক্ সেৱাকালীন আৰু সেৱাকালীন শিক্ষক শিক্ষা অনুষ্ঠান আয়োজন কৰা হৈছিল। ইয়াৰ লগতে DIET সমূহে প্ৰাথমিক শিক্ষাৰ ওপৰত ক্ষুদ্ৰ গৱেষণা, পাঠ্যক্ৰম প্ৰস্তুত আৰু সামগ্ৰীৰ বিকাশো কৰিছিল। ইয়াৰ এটা জিলা সম্পদ গোট আছে।

পিছলৈ এই বিকেন্দ্ৰীকৰণত মণ্ড সম্পদ কেন্দ্ৰ (BRCS) আৰু গোট সম্পদ কেন্দ্ৰসমূহ (CRCS) চামিল কৰা হৈছিল। যিয়ে প্ৰাথমিক শিক্ষাৰ শিক্ষক আৰু প্ৰাথমিক বিদ্যালয়সমূহক শৈক্ষিক সমৰ্থন আৰু শৈক্ষিক পৰামৰ্শ আগবঢ়াইছিল। CRC সমূহে শিক্ষক সবলীকৰণৰ কেন্দ্ৰ হিচাপে কাম কৰি আছে। য'ত শিক্ষকসকলে তেওঁলোকৰ নিজৰ বিদ্যালয় ব্যৱহাৰ কৰা ন ন ব্যৱস্থা আৰু অভিজ্ঞতাসমূহ আন শিক্ষকৰ লগত বিনিময় কৰিব পাৰে।

**৪.৮ শব্দকোষ/শব্দাৱলীৰ সংক্ষিপ্তৰূপসমূহ ঃ**

শিক্ষকৰ সবলীকৰণৰ বাবে CRC সমূহে মূল কেন্দ্ৰ হিচাপে কাম কৰি আছে। য'ত শিক্ষকসকলে তেওঁলোকৰ বিদ্যালয়ত তেওঁলোকে নিজে ব্যৱহাৰ কৰা নতুন ব্যৱস্থা আৰু অভিজ্ঞতাসমূহক বিনিময় কৰিবলৈ একগোট হয়। CRC সমূহৰ কাৰ্যসমূহ এনেধৰণৰ—

- NCERT– National Council for Educational Research and Training.
- MHRD– Ministry of Human Resource Development.
- MLL– Minimum Levels of Learning.
- DPEP– District Primary Education Programme.
- SOPT– Special Orientation for Primary School Teachers.
- TQM– Total Quality Management.
- SIEMAT– State Institute of Educational Management and Training.
- NGO– Non Government Organization.
- DIET– District Institute of Education and Training.
- BRCs– Block Resource Centres
- CRCs– Cluster Resource Centres.

**৪.৯ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি ঃ**

• Deshmuch Ashima & Dr. Nair Anju (2010) : Educational Management, Himalaya Publishing House, PP-479-492

• Deshmuch V.S. & Pahil W.R. (2009) : Primary Education : Current Situation Problems and Solutions, Nirali Prakashan.

• Pandya. S.R. : Educational Mangement.

• http://www.dtert.tn.nic.in/Functions% 20 of % 20 DIET. html.

### ৪.১০. গোট সমাপ্তিৰ অনুশীলনী

(১) এই বাকচটোত NCERTৰ ৯টা কাৰ্য লুকাই আছে। সেই কাৰ্য্যসমূহক বাচি উলিওৱা।

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| d | i | s | s | e | m | i | n | a | t | c |
| c | f | g | r | e | s | e | a | r | c | h |
| d | t | u | s | e | s | a | r | c | g | h |
| o | r | i | e | n | t | a | t | i | o | n |
| d | a | d | d | g | r | e | s | c | r | c |
| s | i | a | r | d | e | v | o | p | i | g |
| u | n | n | w | o | r | k | s | h | o | p |
| r | i | c | q | w | e | t | r | t | i | g |
| v | n | e | d | r | v | e | v | o | q | e |
| o | g | s | u | r | v | e | v | s | r | e |
| i | m | p | i | e | m | e | n | t | s | o |
| d | e | v | c | i | o | p | m | e | n | t |

(২) যিকোনো এখন DIET পৰিদৰ্শন কৰক আৰু নিম্নলিখিতসমূহৰ ওপৰত ভিত্তি কৰি DIET ৰ কাৰ্যকাৰিতা অধ্যয়ন কৰি এটা চমু টোকা লিখক।

(ক) সিহঁতৰ দ্বাৰা যোগান ধৰা ভৌতিক সুবিধাসমূহ

(খ) যোৱা শৈক্ষিক বৰ্ষত ৰূপায়িত হোৱা সেৱা-কালীন শিক্ষক শিক্ষাৰ অনুষ্ঠানৰ বিভিন্নতা আৰু সামগ্ৰিকতা

(গ) যোৱা দুবছৰত হোৱা প্ৰশিক্ষণ কাৰ্য্যসমূহ আৰু ইয়াৰ দীৰ্ঘম্যাদী প্ৰভাৱ।

(ঘ) সিহঁতৰ কাৰ্য্যসমূহৰ বিশদ তালিকা প্ৰস্তুত কৰা।